মার্চ 2004 Rs. 10 /-

চান্দমামা

NOW AVAILABLE
AT ALL LEADING STORES

TRAPPED

GAMES AND ACTIVITY CD-ROM



PROF. PURENOTHIN, THE RENOWNED INDOLOGIST, IS TRAPPED INSIDE THE MOUND OF MURUKKI. YOU JOIN DETECTIVE MANDOO TO SEARCH FOR THE PROFESSOR AND SAVE HIM. THE ONLY WAY TO THE MOUND OF MURUKKI IS REVEALED TO YOU. ONLY WHEN YOU CAN GET HOLD OF FOUR KEYS HIDDEN ALONG YOUR ROUTE. AND YOU HAVE TO SEARCH FOR THEM THROUGH A DOZEN DIFFERENT GAMES AND ACTIVITIES. GO FOR CLUES AND KEYS!

MIND YOU, YOU HAVE ONLY 60 MINUTES TO REACH THE PROFESSOR! GET THERE FAST, BUT BEWARE OF YOURSELF BEING TRAPPED!

Hey, but this one is a whole lot of fun! You have a different set of games and activities, every time you begin your search.

A quality product from **Chandamama**

For more details, please contact :
Chandamama India Limited,
82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.
www.chandamama.org

RS. 199/-
ONLY

CHANDAMAMA

PRESENTS

"BE A DREAM CHILD" CONTEST

The President of India, Dr. A.P.J.Abdul Kalam, in the course of his interaction with children, has been exhorting them to DREAM for the future of India and its people. Recently, at the end of his address to the nation on January 25, he administered an oath to a group of children. For the sake of our young readers, the 10-point oath is reproduced below.

1. I will pursue my education or work with dedication and I will excel in it.
2. I will teach at least 10 illiterate persons to read and write.
3. I will plant at least 10 saplings and shall ensure their growth through constant care.
4. I will visit rural and urban areas, and permanently wean away at least five persons from addiction and gambling.
5. I will constantly endeavour to remove the pain of my suffering brethren.
6. I will not support any religious, caste or language differentiation.
7. I will be honest and will endeavour to make a corruption free society.
8. I will work for becoming an enlightened citizen, and make my family righteous.
9. I will always be a friend of the mentally and physically challenged and will work hard to make them feel normal, like the rest of us.
10. I will proudly celebrate the success of my country and my people.

Chandamama invites the children of India to write one para each about what they have achieved **in fulfilling the ten points by the next Independence Day.** The contest is open to children between 8 and 15.

ENTER THE CONTEST AND WIN ATTRACTIVE PRIZES!

THREE BEST ENTRIES WILL BE PUBLISHED IN OUR NOVEMBER 2004 ISSUE.

CLOSING DATE : August 31 2004

Watch for instructions and details of prizes in the April 2004 issue

আব্দুল্লা আৰু তাৰামতী বাৰদ্বাৰী

সপ্তদশ শতিকাত আব্দুল্লা নামৰ এজন চুলতান আছিল । তেওঁ গোলকোন্দা সাম্রাজ্যত শাসন চলোৱা কুতুব শ্বাহী বংশৰ সপ্তমজন শাসক আছিল ।

আব্দুল্লাই সিংহাসনত আৰোহণ কৰাৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ১২ বছৰ ।

তেওঁ বাস কৰিছিল বিখ্যাত **গোলকোন্দা দুৰ্গত**। শিলৰ বিশাল বেৰেৰে এই দুৰ্গটো নিৰ্মাণ কৰা হৈছিল আৰু দুৰ্গটোৰ ভিতৰত আছিল বহুতো কোঠা আৰু সৰু সৰু প্ৰাসাদ । দুৰ্গটোৰ ধ্বনিগত বৈশিষ্ট্য আছিল এইয়ে যে ইয়াৰ বেৰবোৰ আৰু ঠেক বাটবোৰত হোৱা প্ৰতিধ্বনিৰদ্বাৰা বাৰ্ত্তাবোৰ ইফালৰপৰা সিফাললৈ পঠিয়াব পৰা গৈছিল ।

আমোদ-প্ৰমোদ ভাল পোৱা চুলতানে চিত্ৰকলা, সংগীত আৰু কবিতাও বৰ ভাল পাইছিল । দৰাচলতে তেওঁ নিজেই কবিতা লিখি ভাল পাইছিল । তেওঁ অতি কমেও আশীটা কবিতা লিখি থৈ গৈছে ।

তেওঁ শাসনভাৰ চলাই থাকোতে, এগৰাকী খুব ৰূপৱতী আৰু বুদ্ধিমতী কুমাৰী বাস কৰিছিল যি গৰাকীয়ে বৰ শুৱলা গীতো গাইছিল । তাই আছিল **তাৰামতী** নামৰ এজন হিন্দু ছোৱালী ।

আব্দুল্লাই তাইৰ গান শুনি বৰ ভাল পাইছিল । বিশাল গোলকোন্দা দুৰ্গৰ চাৰিওফালে থকা সেউজীয়া এলেকাটোত আছিল বহুতো গছ-গছনি, প্ৰবাহমান জুৰি, ফলৰ গছ, আৰু পাহাৰ। দুৰ্গটোৱেই আছিল এটা পাহাৰৰ ওপৰত । দুৰ্গটোৰপৰা এমাইল দূৰত এটা পাহাৰৰ ওপৰত চুলতানে বাৰখন মুকলি দ্বাৰেৰে এটা আকৰ্ষণীয় মণ্ডপ নিৰ্মাণ কৰিছিল । যিহেতু ইয়াত বাৰখন দুৱাৰ আছিল সেইয়ে এই মণ্ডপটোৰ জনপ্ৰিয় নাম আছিল **বাৰদ্বাৰী**।

চুলতানে এই **বাৰদ্বাৰী** দান কৰিছিল তাৰামতীক, যাতে তাই তাৰপৰা গান গাব পাৰে । মুকলি দুৱাৰবোৰে মণ্ডপটো শীতল কৰি ৰাখিছিল আৰু তাৰামতীৰ শুৱলা কণ্ঠৰ গীত শুনি মন-প্ৰাণ জুৰাইছিল নিজৰ কোঠাত জিৰণি লৈ থকা চুলতানে । আব্দুল্লাই তাইৰ বাবে বিশেষ গীত ৰচনা কৰিছিল আৰু তাৰামতীয়ে নিজৰ অপূৰ্ব কণ্ঠেৰে সেই গীতবোৰ গাইছিল লগত সুমধুৰ সংগীতেৰে । এই স্মৃতিসৌধটো সেয়েহে তাৰামতী বাৰদ্বাৰী নামেৰে পৰিচিত হৈছিল ।

তাৰামতী বাৰদ্বাৰী

নৃত্য আৰু সঙ্গীতেৰ আবহাওয়ায় পূৰ্ণ

গোলকোন্দা দুৰ্গ আছে অন্ধ্ৰপ্ৰদেশৰ ৰাজধানী হায়দৰাবাদৰ দাঁতিকাষৰীয়া অঞ্চলত । পৰ্যটকে চাব লগীয়া বহুতো ঠাই থকা এইখন ৰাজ্যলৈ অহা পৰ্যটকসকলৰ মাজত এই দুৰ্গটো অতি জনপ্ৰিয় । ইয়াৰ এটা প্ৰধান আকৰ্ষণ হ'ল দুৰ্গটোৰ বুৰঞ্জী বৰ্ণনা কৰি পৰিবেশন কৰা শব্দ আৰু পোহৰ প্ৰদৰ্শনী ।

নতুনকৈ নিৰ্মাণ কৰা পথ আৰু আকৰ্ষণীয় পোহৰসজ্জাৰে এতিয়া এই তাৰামতী বাৰদ্বাৰী সজাই-পৰাই তোলা হৈছে । গোটেই ঠাইখন ভৰাই তোলা হৈছে সেজজীয়া ঘাঁহনিৰে । সংগীত আৰু নৃত্য প্ৰদৰ্শনীৰ বাবে গঢ়ি তোলা হৈছে এটা মুকলি প্ৰেক্ষাগৃহ আৰু এটা বন্ধ প্ৰেক্ষাগৃহ ।

পৰ্যটকসকল থাকিব পৰা কোঠা আৰু এখন ৰেষ্টো-ৰাকে ধৰি আন বহুতো সা-সুবিধাই ঠাইখনক এটা সৰ্বাত্মক সাংস্কৃতিক চৌহদৰ দৰে কৰি তুলিছে।

তাৰামতী বাৰদ্বাৰীলৈ এবাৰ আহিলে পোৱা যাব গীত আৰু সংগীতৰ সেই একেই আশ্চৰ্য, যি আশ্চৰ্যত অভিভূত হৈ ৪০০ বছৰৰ আগতে চুলতানে কোৱাৰ দৰে পৰ্যটকসকলেও কৈ উঠিব "বাহ ! ৱাহ !" সেয়েহে হায়দৰাবাদলৈ আহোতে এই তাৰামতী বাৰদ্বাৰী চাবলৈ তোমালোকে কেতিয়াও নাপাহৰিবা ।

Newly created facilities around Taramati Baradari

aptdc ANDHRA PRADESH TOURISM DEVELOPEMENT CORPORATION

Corporate Office:
'Tourism House', 3-5-891
Himayatnagar, Hyderabad-500 029, AP.
Ph: 040 - 2326 2151 - 54

Taramati Baradari Culture Complex
Ibrahimbagh, Hyderabad-500 031, AP.
Ph: 040 - 2352 0172
Mobile: 98481 92874

KSHARA-02:04

এই সংখ্যাত আছে

বৰ্ষ : ৩১ মাৰ্চ ২০০৪

বীৰ কালীনাথ ৯

অগম্যৰ মহাকাব্য ১৫

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

বিষ্ণু কথা ৬১

এই মাহৰ বিশেষ আকৰ্ষণ

★ বীৰ কালীনাথ...৯ ★ ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী...১৫ ★ বিচিত্ৰ ভাৰত...২১ ★ ভাৰতৰ পৌৰাণিক কাহিনী-২৩...২২ ★ সংবাদ-বিচিত্ৰা...২৫ ★ ৰহস্য উদঘাটনৰ সত্য কাহিনী...২৬ ★ পাঠকৰ বাবে গল্প প্ৰতিযোগিতা...৩০ ★ যাযপুৰ-ত্যাগৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ...৩১ ★ তামিলনাডুৰ এটা লোককথা ...৫১ ★ অযথাই খৰখেদা...৫৫ ★ স্বৰ্ণপাত্ৰ...৫৮ ★ বিষ্ণুকথা...৬১ ★ বিবিধ সংস্কৃতিৰ কাহিনী...৬৭ ★ যেতিয়া তেওঁ তৰুণ আছিল ...৭০ ★ আৰ্য...৭১ ★ বিদ্যুৎ ৰাহি কৰা...৭৫ ★ জানো আহাঁ নানা কথা...৭৬ ★ ফটো নামকৰণ প্ৰতিযোগিতা...৭৮

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail :
subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে।
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:
MUMBAI Sonia Desai : Ph : 022-56942407 / 2408
Mobile: 98209-03124
CHENNAI Shivaji : Ph : 044-22313637 / 22347399
Fax: 044-22312447
Mobile : 98412-77347 email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copyirg or adapting them in any manner/ medium will be dealt with according to law.

5-3-2004

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

মানৱ জীৱনৰ যেন কোনো মূল্যই নাই

উত্তৰ ভাৰতত এখন চলন্ত ৰেলগাড়ীৰ পৰা তাৰুণ্যৰ সৰ্বোত্তম বয়সত থকা দুজন যাত্ৰীক ঠেলা মাৰি পেলাই দিয়াত তাৰে এজনৰ মৃত্যু ঘটাৰ বাতৰিটো পাঁওতে সমগ্ৰ ৰাষ্ট্ৰ ভয়ত কঁপি উঠিছিল। সেই দুজন যাত্ৰীৰ অপৰাধ আছিল একেটা ডবাতে যাত্ৰা কৰা কেইগৰাকীমান ছোৱালীক আন কেইজনমান যুৱকে অশোভনীয় আচৰণ কৰাৰ কথাটোৰ তেওঁলোকে প্ৰতিবাদ কৰিছিল। সেই উদণ্ড যুৱককেইজনে ছোৱালী কেইজনী এটা ষ্টেশ্যনত নামি যোৱালৈ বাট চাইছিল আৰু তাৰ পিছত আইন নিজৰ হাতত তুলি লৈছিল।

স্বাধীনতা আৰু জীৱনত সমতাৰ সুৰক্ষা দিয়া এখন সংবিধান প্ৰণয়ণৰ দ্বাৰা ভাৰতীয় গণৰাজ্য জন্মৰ ৫৫ তম বাৰ্ষিকীৰ মাত্ৰ দুদিন আগতে ঘটা এই ঘটনাত ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকে লাজত মূৰ দোঁৱাইছে। এই ঘটনাৰ পিছত ৰাষ্ট্ৰৰ গৌৰৱ আৰু অগ্ৰগতিৰ স্বাক্ষৰ বহন কৰা গণৰাজ্য দিৱসৰ কুচকাৱাজো যেন নিষ্প্ৰভ হৈ উঠিছিল।

অগ্ৰগতি ? সন্দেহ নাই, মানৱ কাৰ্য কলাপৰ বহুক্ষেত্ৰত এই অগ্ৰগতি হৈছে। কিন্তু আমাৰ ঋষি-মুনি আৰু শাস্ত্ৰসমূহে দাঙি ধৰা মানৱ প্ৰমূল্যৰ ৰক্ষণাবেক্ষণত আমি যেন ব্যৰ্থ হৈছো। মানৱ জীৱনৰ প্ৰতি যেন আমাৰ শ্ৰদ্ধা নোহোৱা হৈ আহিছে।

যৌৱনৰ উচ্ছল বয়সত যুৱক যুৱতীয়ে জীৱনত প্ৰায়ে কিছুমান ভুল কৰে। কিন্তু ৰেলগাড়ীখনত ঘটা ঘটনাটোৱে ঔচিত্যৰ সীমা অতিক্ৰম কৰিছিল। আটাইতকৈ আচৰিত কথা হ'ল এইয়ে যে, ডবাটোত থকা প্ৰায় এশজন যাত্ৰীৰ কোনো এজন যাত্ৰীয়েও উদণ্ড যুৱককেইজনক বাধা দিয়াটো উচিত বুলি নাভাবিলে যাৰ বাবে দুজন সাহসী যুৱকে নিজৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আগবাঢ়ি আহিব লগীয়া হ'ল। তেওঁলোকে ভৱা নাছিল ইয়াৰ বাবে সোনকালেই তেওঁলোকে মূল্য দিব লগীয়া হ'ব। মানৱ জীৱনৰ মৰ্যাদাৰ কেনে ঘৃণনীয় অৱমাননা!

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

Statement about Ownership of
CHANDAMAMA (Assamese)
Rule 8 (FormVI), Newspaper (Central) Rules, 1956

1. Place of Publication
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 097
2. Periodicity of Publication
   MONTHLY
   1st of each calendar month
3. Printer's Name
   B. VISWANATHA REDDI
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 097
4. Publisher's Name
   B. VISWANATHA REDDI
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 097
5. Editor's Name
   B. VISWANATHA REDDI
   (Viswam)
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 097
6. Name and Address of individuals who own the paper
   Chandamama India Ltd.
   Board of Directors:
   1. P. Sudhir Rao
   2. Vinod Sethi
   3. B. Viswanatha Reddi
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 097

I, **B. Viswanatha Reddi,** *do hereby declare that the particulars given above are true to the best of my knowledge and belief.*

(Sd.) B. VISWANATHA REDDI
1st March 2004 *Publisher*

A TREASURE-TROVE FOR TALENTED TOTS



GET YOUR COPY AT YOUR DOORSTEP FOR ONE YEAR FOR JUST RS. 120/-

Junior CHANDAMAMA

THE ONE-STOP COMPLETE FUN AND ACTIVITY MAGAZINE.

Mail the form below along with the remittance to : Subscription division, Chandamama India Limited, 82 Defence Officers' Colony, Ekkatuthangal, Chennai - 600 097.

SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama.
I give below the required particulars:

Name : ....

Address : ....

....

.... PIN Code : ....

I am remitting the amount of Rs.120/- for 12 issues by Money Order/Demand Draft/Cheque No...................................... on.................................... Bank .... branch drawn in favour of Chandamama India Ltd., encashable at Chennai (outstation cheque to include Rs.25/- towards Bank Commission).

Place : ....

Date : .... Signature

বীৰ কালীনাথ

3

(প্ৰতিবেশী ৰাজ্যৰ ৰজাৰ ভয়ত ৰজা দেৱজিতে, গাঁৱত বাস কৰা প্ৰজাক ডকাইতৰ উপদ্ৰৱৰ পৰা মুক্ত কৰা বীৰ কালীনাথক মৃত্যুদণ্ড দিয়া হ'ব বুলি ঘোষণা কৰিলে। কালীনাথৰ শিৰচ্ছেদ কৰিবলৈ যো-জা চলোতেই কালীনাথে ঘাতকৰ হাতৰপৰা কুঠাৰখন টান মাৰি আনি অশ্বাৰোহী দলৰ নেতাৰ শিৰচ্ছেদ কৰিলে। তেনেতে শুনা গ'ল, "জয় ভালুক তান্ত্ৰিকৰ জয়!" ইয়াৰ পাছত...)

"জয় ভালুক তান্ত্ৰিকৰ জয়" এই জয়ধ্বনি শুনাৰ লগে লগে অশ্বাৰোহীহঁতে সেই শব্দ অহা দিশলৈ মূৰ ঘূৰাই চাবলৈ ধৰিলে। কালীনাথো ঘোঁৰাৰ পৰা নামিল। ইয়াৰ পাছত অশ্বাৰোহী দলৰ নেতাক আগেয়ে দি দিয়া তৰোৱালখন লৈ আনি কালীনাথে নিজৰ খাপত ভৰাই ল'লে। সেই সময়তে পাহাৰীয়া জলপ্ৰপাত এটাৰ ওচৰত এজন দীৰ্ঘদেহী মানুহ সকলোৰে দৃষ্টিগোচৰ হ'ল। কালীনাথেৰ লাগি চালে।

"এওঁ নিশ্চয় কোনো তান্ত্ৰিক!" এইবুলি ভাবি কালীনাথে ভাবিলে ইয়াৰপৰা পলাই যোৱাই ভাল হ'ব।। আকৌ তেওঁ ভাবিলে এনে কৰিলে বাকী অশ্বাৰোহীহঁতে তেওঁক বাধা দিব। লগে লগে তেওঁ অশ্বাৰোহীহঁতৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। দেখা গ'ল আটায়ে ভয় আৰু সম্ভ্ৰমেৰে জলপ্ৰপাতৰ ফালে চাই আছে।

জলপ্ৰপাতৰ পিছফালৰ পৰা ওলাই অহা দীৰ্ঘদেহী মানুহজন একাঁঠু পানীৰ মাজেদি পাৰলৈ বুলি আহি থাকিল । দেখাতেই তেওঁ বলিষ্ঠ আছিল । তেওঁ ক'লা ভালুকৰ এখন চাল পিন্ধি আছিল । হাতত আছিল হীৰাৰে নিৰ্মিত ভালুকৰ মুখ শীৰ্ষত থকা এডাল প্ৰকাণ্ড মন্ত্ৰদণ্ড ।

কালীনাথে সেই সময়ত পলোৱাৰ কথা চিন্তা কৰি আছিল, কিন্তু এই বিচিত্ৰ বেশভূষাত অহা মানুহজন দেখি কালীনাথ স্তম্ভিত হৈ লৰচৰ নকৰাকৈ ৰৈ আছিল । ইফালে অশ্বাৰোহীহঁত আৰু ম'হৰ পিঠিত উঠি থকা ঘাতক থৰহৰি কম্পমান ।

ভালুকৰ চাল পিন্ধা মানুহজন সিহঁতৰ ওচৰলৈ আহি ক'লে, "মই জানিছিলো যে সময়মতে মই ভালুক তান্ত্ৰিকৰ নাম ল'ব নোৱাৰাহেঁতেন ইয়াত বহুত ৰক্তক্ষয় হ'লহেঁতেন । মোক চিনি পাইছানে ? মইয়েই ভালুক তান্ত্ৰিক !"

কেইমুহূৰ্ত্তমানৰ বাবে সকলো নীৰৱে থাকিল । কালীনাথে সোঁহাতত তৰোৱাল আৰু বাঁওহাতে ঘাতকৰ কুঠাৰখন লৈ উচ্চস্বৰত ভালুক তান্ত্ৰিকক ক'লে, "মহাশয় ! আমি জানিব খোজা নাছিলো যদিও আপুনি নিজৰ নামটো কৈছে । এতিয়া আহিল আপুনি কোৱাৰ দৰে ৰক্তক্ষয়ৰ কথা । পিছে মন দি শুনক, এতিয়া যদি কোনোবাই মোক বাধা দিয়াৰ প্ৰয়াস কৰে তেন্তে মই আৰু কেইটামান শিৰ মাটিত পেলাম ।" এইবুলি কৈ কালীনাথে নিজৰ ঘোঁৰাটো হেঁচুকি দিলে।

"হে যুৱক ! তুমি দেখিছো বৰ সাহসী ! কিন্তু কেইটামান মুহূৰ্ত্ত ৰৈ যাব নোৱাৰানে?" এইবুলি কৈ ভালুক তান্ত্ৰিকে নিজৰ মন্ত্ৰদণ্ডৰে ম'হৰ ওপৰত উঠি থকা ঘাতকক হেঁচুকি দিলে। আৰু সুধিলে, "হেৰা, তুমি এই অশোক বনত থকা পিশাঁচ নে ৰজাৰ প্ৰধান ঘাতক ।"

"মহাশয়, মই পিশাঁচ নহওঁ, ৰজাৰ প্ৰধান ঘাতকহে । তেখেতে যাকেই মৃত্যুদণ্ড দিয়ে, তেওঁৰেই মই শিৰচ্ছেদ কৰো ।" ঘাতকে উত্তৰ দিলে । ইফালে তান্ত্ৰিকৰ বেশভূষা দেখি ভয়তে পলাব খোজা ঘাতকৰ ম'হটোও কঁপিবলৈ ধৰিলে ।

সেই সময়ত অশ্বাৰোহীহঁতৰ নেতাৰ মৃতদেহলৈ একেথৰে চাই থকা ভালুক তান্ত্ৰিকে ক'লে, "তেন্তে মৃত্যুদণ্ডৰ আদেশ পোৱা আৰু এজন ৰাজসেৱকক হত্যা কৰা অপৰাধী এজন পলাই যাব খোজা দেখিও তুমিনো কি চাই আছা ?"

"মহাশয়, মই নিৰস্ত্ৰ । বলপূৰ্বকভাৱে কালীনাথে মোৰ হাতৰপৰা কুঠাৰখন লৈ লৈছে ।" ঘাতকে ভয়াৰ্ত্ত কণ্ঠেৰে ক'লে ।

কালীনাথে গম পালে যে এই তান্ত্রিকে তেওঁৰ বিৰুদ্ধে ঘাতক আৰু অশ্বাৰোহীহঁতক উচটনি দিবলৈ ধৰিছে । এই কথা মনলৈ অহাত কালীনাথে ঘাতকৰ ফালে আগবাঢ়ি ক'লে, "হেৰ নৰপিশাচ! ল, এইয়া তোৰ কুঠাৰ। যদিহে তোৰ সাহস আছে, এবাৰ মোক বাধা দি চাচোন, দেখা যাওক কি হয় ?"

ঠিক পিছ মুহূৰ্ত্ততে ঘাতকে ভয়তে কঁপি কঁপি ক'লে । "কালীনাথ, তুমি মহান যোদ্ধা। মই অশোক বনত বাস কৰা দেৱতাৰ শপত খাই কৈছো মোৰ অহংকাৰ দূৰ হৈছে ।"

কালীনাথে অশ্বাৰোহী সৈনিকহঁতক ক'লে, "কোৱা, তোমালোকে পিছে কি ভাবিছা? তোমালোকে তোমালোকৰ দলপতিৰ কি দশা হ'ল সেইটো জানো নিজ চকুৰে দেখা নাই ?"

"মৃত্যুদণ্ডৰ আদেশ কাৰ্যকৰী কৰিবলৈ অহা দলৰ এজনে প্ৰাণ হেৰুৱাইছে যেতিয়া আমিও আমাৰ অস্ত্ৰ সম্বৰণ কৰিছো । এই কথা আমি ৰজাক কমগৈ । পিছে এতিয়া তোমাক বাধা দি আমিনো মিছাতে আমাৰ বিপদ মাতি আনো কিয় ?" অশ্বাৰোহীহঁতে প্ৰায় সমস্বৰে ক'লে ।

"তোমালোকে বেচ বুদ্ধিমত্তাৰ পৰিচয় দিছা," এইবুলি কৈ কালীনাথে নিজৰ ঘোঁৰাটো হেঁচুকি দিলে ।

তেনেতে ভালুক তান্ত্রিকে কালীনাথৰ ঘোঁৰাৰ লেকামত ধৰি ক'লে, "ভালুক পাদ গুৰু ! মই বিচাৰি থকা মানুহজনেই পাইছো ।" তেওঁ আকৌ কালীনাথক ক'লে, "কালীনাথ, তুমি নিশ্চয় পাহৰি গৈছা যে এই মুহূৰ্ত্তত ইয়াত মোৰ দৰে মন্ত্ৰ তন্ত্ৰত প্ৰসিদ্ধ এজন লোকো আছে ।"

শৈশৱৰেপৰা কালীনাথৰ এনে শ্ৰেণীৰ মানুহৰ প্ৰতি মুঠেই শ্ৰদ্ধা নাছিল । এনেকুৱা মানুহ নিজৰ গাঁৱত বা ওচৰে পাজৰে বহুতবাৰ দেখিছে ।

ভালুক তান্ত্রিকৰ কথা শুনি কালীনাথে ভাবিলে যে এই তান্ত্রিকে তেওঁক অৱজ্ঞা কৰিছে, সেয়ে ক্ৰোধান্বিত হৈ কালীনাথে ক'লে, "হেৰি মহাশয় ! আপোনাৰ নাম ভালুক তান্ত্রিক নহয়জানো ? এনেয়েতো আপোনাৰ নাম শুনিলেই ভয় লাগে । ইয়াৰ আগতে আপুনি আৰু এজন ভালুক পাদ গুৰুৰ নাম লৈছিল। তেওঁনো কোন ? মোৰ নিচিনা, সাধাৰণ মানুহে এইবোৰৰ আওভাও কেনেকৈ পাব ? এইবোৰ কথাতো মনত ৰখাও জটিল ।"

কালীনাথে এনেকৈ উপহাস কৰা সত্ত্বেও ক্ৰোধান্বিত নহৈ ভালুক তান্ত্রিকে মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "মোৰ গুৰুৰ নাম ভালুক পাদ । মোৰ নাম ভালুক তান্ত্রিক ।

এতিয়া তুমি ঘটিব লগীয়া অদ্ভুত ঘটনাৱলী চাই আকৌ এই দুটা নামৰ মাজত থকা মিল দেখি অনাহকতে আচৰিত ন'হবা।"

"ঘৰৰপৰা ওলাই অহাৰ পিছত ইটোৰ পিছত সিটোকৈ অহা বিপদত মই ইতিমধ্যে অতিষ্ঠ হৈছোঁৱেই। এতিয়া মই লৰালৰিকৈ নিজৰ গাঁৱলৈ ঘূৰি গৈ খেতি-বাতিত ধৰাহে ভাল হ'ব বুলি ভাবিছো।"

এইবুলি কৈ কালীনাথে কুঠাৰখন ঘাতকৰ ফালে দলিয়াই দিলে আৰু একোৱেই যেন হোৱা নাই এনে ভাব দেখুৱাই ঘোঁৰাটোৰ পিঠিত উঠি তাক হেঁচুকি দিলে।

ঘোঁৰাটোৱেও চিঞৰৰ এটা মাৰি, দহ-বাৰ খোজমান গৈ দৌৰ লগাবলৈ সাজু হ'ল। তেনেতে ভালুক তান্ত্ৰিকে উচ্চস্বৰে চিঞৰিলে, "কালীনাথ, ৰ'বা! তুমি জানো দেখা নাই তোমাৰ ফাললৈকে আহি থকা মানুহৰ সেই দলটো?"

এই সতৰ্কবাণী শুনি কালীনাথে মূৰ দাঙি আগলৈ চালে। এজোপা বিশাল বৃক্ষৰ পিছ ফালৰ পৰা তিনিজন অশ্বাৰোহী তেওঁৰ ফাললৈকে আহি থকা কালীনাথে দেখা পালে। মাজৰ অশ্বাৰোহী জনৰ পিন্ধনত আছিল ৰেচমী পোচাক আৰু মূৰত আছিল পাগুৰী। তেওঁৰ দুয়োকাষে থকা দুজন কবচধাৰীৰ হাতত আছিল তৰোৱাল আৰু কান্ধত আছিল চিকমিকাই থকা ঢাল।

সেই দৃশ্য দেখি কালীনাথে নিজৰ ঘোঁৰাটো ৰখাই দিলে। কবচধাৰী অশ্বাৰোহী দুজনৰ মাজত অহা ৰেচমী কাপোৰ পিন্ধা মানুহজনে হাত দাঙি কালীনাথৰ ফালে দেখুৱাই ঘাতকক ক'লে, "হেৰা নগৰৰ প্ৰধান ঘাতক! মহাৰাজে এই অপৰাধীৰ শিৰচ্ছেদ কৰিবলৈ জানো নিৰ্দেশ দিয়া নাছিল, কিন্তু তুমি সেই আদেশ এতিয়াও পালন কৰা নাই কিয়?"

কঁপি কঁপি ম'হৰ পিঠিৰপৰা নমা ঘাতকে কি উত্তৰ দিব বুলি ভাবি থাকোতেই ভালুক তান্ত্ৰিক সেই প্ৰশ্ন সোধা মানুহজনৰ ওচৰলৈ আহি ক'লে, "তুমিয়েই মহাৰাজ দেৱজিতৰ প্ৰধানমন্ত্ৰী জীৱগুপ্ত নহয় জানো?"

মন্ত্ৰী জীৱগুপ্তই ভাবিলে যে ৰজা তথা তেওঁৰ প্ৰতি সন্মানপূৰ্বক শব্দ ব্যৱহাৰ নকৰাকৈ অশিষ্ট সুৰত প্ৰশ্ন কৰা এইজন ব্যক্তি নিশ্চয় কোনো কপট বৈৰাগী হ'ব। চকু ৰঙা কৰি ক্ৰোধান্বিত মন্ত্ৰীয়ে ক'লে, "সৈন্যসকল, প্ৰথমতে এঁওক খুন্দা এটা দি দূৰলৈ পেলাই দিয়া।"

মন্ত্ৰীৰ আদেশ শুনি মন্ত্ৰীৰ ওচৰতে থকা দুজন অশ্বাৰোহীয়ে খাপৰপৰা তৰোৱাল

উলিয়াবলৈ সাজু হ'ল । কিন্তু ভালুক তান্ত্ৰিকৰ হাতত মন্ত্ৰদণ্ড দেখি ভয়তে কঁপিবলৈ ধৰিলে। ঘোঁৰা দুটাই হিচহিচাই পিছ হুহকি আহিল ।

"মন্ত্ৰীবৰ ! এই বৈৰাগীৰ হাতত থকা মন্ত্ৰদণ্ডৰ শীৰ্ষত থকা ভালুকৰ সেই মূৰটো চাওক । এতিয়াই তেওঁ ইচ্ছা কৰিলে সেই দণ্ডৰে মাটিত কোবাই অগ্নি বৰষিব পাৰে ।" অশ্বাৰোহী সৈনিক দুজনে ক'লে ।

জীৱগুপ্তই ভালুক তান্ত্ৰিকৰ মন্ত্ৰদণ্ডৰ শীৰ্ষত থকা ভালুকৰ মূৰটোৰ ফালে পৰিহাসপূৰ্ণ দৃষ্টিৰে চাই ক'লে, "হেৰা বৈৰাগী, তোমাৰ কথা-বতৰা আৰু কাম-কাজ দেখি এনেহে লাগিছে যে তুমি এজন অহংকাৰী ব্যক্তি । তুমি কিবা যাদু মন্ত্ৰ শিকি ল'লা যেন পাইছো ।"

মন্ত্ৰীৰ কথা শুনি ভালুক তান্ত্ৰিকে তেওঁৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, "কথাতে কয় সাধনাত সিদ্ধি লাভ কৰা সন্ন্যাসীয়েই বৈৰাগী হয়, আৰু তেতিয়াই কোকলোঙাই নিজৰ বং সলায় । মই পিছে না সন্ন্যাসী না বৈৰাগী । মই হলো ভালুক তান্ত্ৰিক । জয় আদি ভালুকৰ জয় ।" এইবুলি অট্টহাস্য কৰি ভালুক তান্ত্ৰিকে নিজৰ মন্ত্ৰদণ্ডৰ ওচৰৰে এটা ডালত জোৰেৰে আঘাত কৰিলে ।

তৎক্ষণাৎ সেই ডালটোৰ পৰা অগ্নি কণা ওলাই আহিল আৰু মুহূৰ্ত্তৰ ভিতৰতে গোটেই বৃক্ষজোপাক জুইয়ে ছানি ধৰিলে । মন্ত্ৰী জীৱগুপ্তৰ ঘোঁৰাটোৱে ভয়তে চিঞৰিবলৈ ধৰিলে । মন্ত্ৰীৰ কবচধাৰী দুজন দেহৰক্ষকেও ভয়তে মন্ত্ৰীৰ ওচৰলৈ বুলি ঘোঁৰা দৌৰাই দিলে।

মুহূৰ্ত্তৰ ভিতৰতে ঘটি যোৱা এই ঘটনাত উপস্থিত আটায়ে আচৰিত হ'ল । দূৰৰপৰা এই দৃশ্য চাই থকা কালীনাথে নিজৰ ঘোঁৰাটো ভালুক তান্ত্ৰিকৰ ওচৰলৈ আনি নিজে ঘোঁৰাৰপৰা নামি লৈ ক'লে, "বাহ ! তুমি দেখিছো সাধাৰণ মায়াবী তান্ত্ৰিক নোহোৱা । মহান মন্ত্ৰ বিশেষজ্ঞ তুমি । কপটীয়া মন্ত্ৰীক তুমি যেনেকৈ ভয় খুৱালা, একেদৰে এওঁৰ ৰজাকো তোমাৰ মন্ত্ৰ শক্তিৰ দ্বাৰা ভয় দেখুৱাই ভালকৈ শাসন কাৰ্য চলাবলৈ বাধ্য নকৰা কিয় ?"

"বাহ যুৱক ! তুমি কেৱল সাহসীয়েই নহয়। লগতে তুমি বুদ্ধিমানও । তুমিতো মোৰ মনৰ কথাই খুলি ক'লা ।" এইদৰে ভালুক তান্ত্ৰিকে কালীনাথৰ প্ৰশংসা কৰিলে । তাৰ পিছত তেওঁ মন্ত্ৰীক সুধিলে, "মন্ত্ৰী, মোৰ শক্তিৰ পৰিচয় পালা নহয় । এতিয়া তুমিয়েই কোৱা, ইয়াত থকা যিকোনো মানুহক আদেশ দিয়াৰ ক্ষমতা কাৰ আছে ? তোমাৰ নে

মোৰ?" মন্ত্ৰীয়ে দেখিলে কথা বিষম।

মন্ত্ৰীয়ে ভয়ে ভয়ে ক'লে, "হে ভালুক তান্ত্ৰিক ডাঙৰীয়া। মই নিজ চকুৰে আপোনাৰ শক্তি দেখিলো। আপুনি কেৱল ইয়াতেই নহয়, ৰাজপ্ৰাসাদলৈ গৈ মহাৰাজ দেৱজিতকো আদেশ আৰু পৰামৰ্শ দিব পাৰে।"

ভালুক তান্ত্ৰিকে ঘাতকক ক'লে, "হেৰা ঘাতক শুনা। শিৰ কাটি ভাল পোৱা তুমি নিশ্চয় কাটি পেলোৱা শিৰ আকৌ মৃত শৰীৰত ঠিকমতে চিলাই দিবও জানা। এই মুহূৰ্ত্ততে তুমি অশ্বাৰোহী দলৰ নেতাৰ মূৰটো চিলাই দি মৃতদেহটো ঘোঁৰাৰ পিঠিত ঠিকমতে ৰছীৰে বান্ধি দিয়া।"

বিলম্ব নকৰি ঘাতকে ভালুক তান্ত্ৰিকৰ এই আদেশ পালন কৰিলে। কিন্তু লৰালৰি কৰোতে ঘাতকে মূৰটো পিঠিৰ ফালে মুখ কৰি চিলাই দিলে। সেয়েহে এনেহে লাগিছিল যে মুখখন ওলোটাকৈ থকা এজন মানুহৰ মৃতদেহ ঘোঁৰাত বান্ধি থোৱা আছে।

এই ভুল দেখি মন্ত্ৰী জীৱগুপ্তৰ বাহিৰে ভালুক তান্ত্ৰিকৰ লগতে আন আটায়ে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। ভালুক তান্ত্ৰিকে জীৱগুপ্তৰ ফালে ক্ৰোধিত দৃষ্টিৰে চাই আদেশ দিলে, "হে মন্ত্ৰী! তুমি এতিয়া ঘাতকৰ বাহন ম'হটোৰ পিঠিত উঠি লোৱা আৰু ঘাতক উঠক তোমাৰ ঘোঁৰাৰ পিঠিত।"

বিনাবাক্যে মন্ত্ৰী জীৱগুপ্তই ভালুক তান্ত্ৰিকৰ আদেশ পালন কৰিলে। মন্ত্ৰী ম'হৰ পিঠিত, ঘাতক ঘোঁৰাৰ পিঠিত। ইয়াৰ পাছত ভালুক তান্ত্ৰিকে আটাইকে নগৰ অভিমুখে যাবলৈ নিৰ্দেশ দিলে।

ৰজা দেৱজিতৰ মন্ত্ৰীক কৰা এই অপমানত সন্তুষ্ট হৈ কালীনাথে ক'লে, "এই শোভাযাত্ৰা দেখি ৰাজধানীৰ জনতা নিশ্চয় আনন্দিত হ'ব। এতিয়া মই নিজৰ গাঁৱলৈ যাব লাগে।"

এইবুলি কৈ নিজৰ ঘোঁৰাৰ পিঠিত উঠি লৈ কালীনাথ যাবলৈ ওলাল। তেনেতে ভালুক তান্ত্ৰিকে নিজৰ মন্ত্ৰ দণ্ড ওপৰলৈ তুলি লৈ ক'লে, "কালীনাথ, তুমি মোৰ আদেশ শুনা নাইনে?"

"আদেশ? কি আদেশ? ইয়াত মোক কোনে আদেশ দিব পাৰে?" এইবুলি কৈ কালীনাথে খাপৰপৰা তৰোৱাল উলিয়াই ল'লে।

(অহা সংখ্যাত)



রজা বিক্রম আৰু বেতালৰ নতুন কাহিনী

অগম্যৰ মহাকাব্য

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছ-জোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই নিজৰ কান্ধত পেলাই তেওঁ নীৰৱে শ্মশান অভিমুখে আগবাঢ়িল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, এজন মহান ৰজা হৈয়ো তুমি মিছাতে ইমান কষ্ট ভোগ কৰি আছা কিয় ? ৰাজধানীলৈ ঘূৰি গৈ নিজৰ কৰ্ত্তব্য পালন কৰা । পাহৰি নাযাবা যে প্ৰজাৰ হিত সাধনহে তোমাৰ আচল ধৰ্ম । নিজৰ কৰ্ত্তব্য পাহৰি কিয় অনাহকতে ঘূৰি ফুৰিছা ? কোনো অযোগ্যৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈকে তুমি ইমান কষ্ট ভোগ কৰি থকা নাই তো ? এনে চিন্তাত থাকিলে গিৰিপুৰৰ যুৱৰাজৰ দৰে তুমিও এদিন সততাক জলাঞ্জলি

মানি ল'বলৈ অস্বীকাৰ কৰিছিল ।

নিজৰ মহানতা জাহিৰ কৰিবলৈ তেওঁ বহুতকে নিজৰ জীৱন কাহিনী শুনাইছিল । দৰিদ্ৰতাৰ পৰা মুক্ত হ'বলৈ তেওঁ কিমান যাতনা সহিছিল, কি কি বিপদৰ মুখামুখি হৈছিল সেই কাহিনীকে তেওঁ মানুহক শুনাইছিল । যিয়েই এই কাহিনী শুনে তেওঁৰেই মন্তব্য কৰে, "এনেকুৱা কষ্ট ভোগ কৰা মানুহ এই দেশত বহুত আছে ।"

এদিন নৰপুৰ গাঁৱলৈ আহিল পুৰন্দৰ নামৰ এজন পণ্ডিত । একেৰাহে তিনিদিন তেওঁ গাঁওবাসীক ৰামায়ণৰ গাথা শুনালে । ৰাইজে মুক্তকণ্ঠে পুৰন্দৰৰ পাণ্ডিত্যৰ প্ৰশংসা কৰিলে । প্ৰতিদিনে তেওঁ গাঁৱৰে কাৰোবাৰ নহয় কাৰোবাৰ ঘৰত আতিথ্য পাইছিল ।

এদিন পুৰন্দৰ অগম্যৰ ঘৰত ভোজন কৰিবলৈ আহিল । অগম্যই পণ্ডিতক সুস্বাদু আহাৰ খাবলৈ দি ক'লে, "মহোদয়, শ্ৰীৰামে নানা প্ৰকাৰৰ কষ্ট সহিছিল । কিন্তু, তেওঁ এই সকলো কষ্ট ভোগ কৰিছিল নিজৰ পৰিয়ালৰ বাবে । নিজৰ পিতাকক দিয়া প্ৰতিশ্ৰুতি মতে বনবাস খাটিছিল । নিজৰ পত্নীক ঘূৰাই পাবলৈ ৰাৱণক বধ কৰিছিল । এনেকুৱা এজন শ্ৰীৰামকো ভগৱান আখ্যা দিয়া হয় । তেওঁৰ দৰে আৰু আন কিমান মানুহ আছে, যি নিজৰ পৰিয়ালৰ সুখ শান্তিৰ বাবে দেহেকেহে খাটিছে । কিন্তু শ্ৰীৰামে লাভ কৰা খ্যাতি এই সকল লোকে নাপায় কিয় ?"

পুৰন্দৰে ক'লে, "তুমি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন সুধিছা । যিকোনো দেশৰ যিকোনো পৰিয়ালত প্ৰতিদিনে ৰামায়ণ ঘটিয়েই থাকে। ডাঙৰৰ লৰা-ঢপৰা, সৰুৰ খিয়লা - খিয়লি,

দিব লাগিব । সেই যুৱৰাজ আৰু অগম্যৰ কাহিনীকে মই কৈছো শুনা ।" এইবুলি কৈ বেতালে কাহিনীটো আৰম্ভ কৰিলে ।

অগম্য বাস কৰিছিল গিৰিপুৰ ৰাজ্যৰ নৰপুৰ গাঁৱত । মহান ব্যক্তি হিচাপে সমাজত পৰিচিত হ'বলৈ তেওঁৰ তীব্ৰ ইচ্ছা আছিল । বহুদিন আগতে তেওঁ বৰ দৰিদ্ৰ আছিল । ধন উপাৰ্জনৰ বাবে তেওঁ বহুত কষ্ট কৰিলে । অনুশাসন মানি চলিলে । এতিয়াও তেওঁ বৰ বেছি ধনী নহয় । কিন্তু থাকিবলৈ তেওঁৰ এটা ভাল ঘৰ আছে । পত্নীৰ আছে আ-অলংকাৰ আৰু সুন্দৰ পোছাক । তেওঁৰ ল'ৰা ছোৱালীহঁতো আৰামেৰে আছে ।

চিন্তা কৰিবলৈ এতিয়া অগম্যৰ আছে অপৰ্যাপ্ত সময় । অৱসৰৰ সময়ত চিন্তা কৰোতে তেওঁ ভাবিছিল তেওঁ যে কিমান এটা মহান কাৰ্য সম্পন্ন কৰিছে । তেওঁ বুজি পোৱা নাছিল কিয় মানুহে তেওঁৰ এই মহানতাক

সুখৰ প্ৰলোভন এনে বিভিন্ন কাৰণত বহুতো পৰিয়ালত নৰ, বান্দৰ আৰু ৰাক্ষসৰ সৃষ্টি হয় আৰু এনেদৰে জন্ম লয় মুখৰোচক কাহিনীয়ে। ৰাম অৱতাৰী পুৰুষ। দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈকে ভগৱানে মানুহৰ অৱতাৰ লৈ সাধাৰণ মানুহৰ দৰে দুখ-কষ্ট সহি গৈছিল। তুমি যিসকল লোকৰ কথা কৈছা, সেই সকলৰ কাহিনী যদি বাল্মীকিয়ে ৰচনা কৰিলে হয় তেন্তে তেওঁলোকৰে বহু কেইজনে শ্ৰীৰামৰ দৰে ভগৱানৰ মৰ্যাদা পালেহেঁতেন। এইটো কাৰণতে শ্ৰীৰামে যিমান প্ৰসিদ্ধি পালে, আজিলৈকে কোনেও সিমান প্ৰসিদ্ধ হোৱা নাই।

পুৰন্দৰৰ কথা শুনি অগম্য পতিয়ন গ'ল যে তেওঁৰো শ্ৰীৰামৰ দৰে মহান হ'ব পাৰিব। সেয়েহে তেওঁ ক'লে, "মহোদয়, মই আপোনাক মোৰ কাহিনী শুনাম। সেই কাহিনী লৈয়েই আপুনি ৰামায়ণৰ দৰে এখন মহাকাব্য ৰচনা কৰক। মোৰো সুখ্যাতি হ'ব, লগতে আপোনাৰো।"

অগম্যই কোৱা কথাখিনি পুৰন্দৰে মন দি শুনিলে। কথাখিনি শুনাৰ পাছত পুৰন্দৰে বুজি পালে যে অগম্য এজন সৰল, আপোনভোলা মানুহ। কিন্তু আচল কথাটো কৈ পুৰন্দৰে তেওঁক দুখ দিব খোজা নাছিল। সেয়েহে তেওঁ ক'লে, "মোৰ মতে তুমি নিজেই তোমাৰ এই কাহিনীক কাব্যৰূপ দিব পাৰিলে ভাল হয়। তেতিয়া তুমি শ্ৰীৰামতকৈয়ো বেছি মহান হ'ব পাৰিবা। কিয়নো শ্ৰীৰামে তেওঁৰ গাথা নিজে ৰচনা কৰা নাছিল।"

পুৰন্দৰৰ এই কথা অগম্যৰ ভাল লাগিল। অশিক্ষিত বাল্মীকিয়ে যদি মহাকাব্য ৰচনা কৰিব পাৰে তেন্তে শিক্ষিত হৈ তেওঁনো কিয় নোৱাৰিব? এই কথা ভাবি অগম্যই নিজৰ জীৱন কাহিনীক কাব্যৰূপ দিবলৈ ঠিক কৰিলে। তেওঁ নিজৰ জীৱনগাথা ৰচনা কৰিলে। প্ৰথমে তেওঁ এই কাব্য শুনালে নিজৰ পত্নীক।

গোটেইখন কাব্য শুনি উঠি অগম্যৰ পত্নীয়ে ক'লে, "মোকনো কিয় শুনালে? ইয়াতনো এনে কি কথা আছে যিটো মই নাজানো।"

"ৰামায়ণতো এনেকুৱা একো কথা নাই যিটো তুমি নাজানা। তথাপিও বাৰম্বাৰ ৰামায়ণ শুনা কিয়?" অগম্যই সুধিলে।

"ৰামৰ গাথা শুনাৰ যোগ্য। আপোনাৰ এই গাথাৰ কথা যি নাজানে, তেওঁকেই গৈ শুনাওক গৈ যাওক।" অগম্যৰ পত্নীয়ে ঠাট্টাৰ সুৰত ক'লে।

অৱশেষত অগম্যই তেওঁৰ নাতি-

নাতিনীহঁতক মাতি আনি ক'লে, "তোমা-লোকেই মোৰ কাব্য মানুহৰ মাজত গাই প্ৰচাৰ কৰাগৈ। এনে কৰিলে তোমালোকে ককাদেউতাৰ ঋণ পৰিশোধ কৰা হ'ব ।"

সকলোৱে ক'লে, "আপোনাৰ কাব্য আমাৰ মুঠেই ভাল লগা নাই । আপুনি বিচাৰিলে আমি ৰামায়ণ গাই প্ৰচাৰ কৰিব পাৰো ।"

এদিন অগম্যই এটা কামত ওচৰৰে গাঁও এখনলৈ বুলি গৈ আছিল । তেওঁ দেখিলে যে এজন যুৱক এজোপা গছৰ তলত শুই আছে। ওচৰলৈ গৈ গম পালে যে সেই যুৱকজন আচলতে অচেতন হৈ পৰি আছে । সেই ফালেদি যোৱা এখন গৰু গাড়ীত উঠাই অগম্যই যুৱকজনক নন্দনপুৰত থকা বৈদ্যৰ ওচৰলৈ লৈ গ'ল । বৈদ্যই যুৱকক পৰীক্ষা কৰি ক'লে, "এই যুৱকে এজোপা গছৰ বিষাক্ত ফল খাইছে । মই দিয়া দৰৱকেইটা তুমি এঁওক চাৰিদিন ধৰি খোৱাব লাগিব আৰু এঁওক খুব ভালকৈ চোৱা-চিতা কৰিব লাগিব।"

চাৰিদিনৰ মূৰত নিজৰ চেতনা ঘূৰাই পাই যুৱকে যেতিয়া সকলো কথা গম পালে তেতিয়া তেওঁ অগম্যক ক'লে, "আপুনি মোক লৈ নোযোৱা হলে মোৰ মৃত্যু ঘটিলেহেঁতেন । আপোনাৰ এই ঋণ মই কেনেকৈ পৰিশোধ কৰিম?"

"সঁচাই যদি মোৰ ঋণ পৰিশোধ কৰিব খুজিছা তেন্তে মোৰদ্বাৰা ৰচিত কাব্য শুনা আৰু সেইখনৰ প্ৰশংসা কৰা" অগম্যই ক'লে। সেই কৃতজ্ঞ যুৱকে সম্পূৰ্ণ কাব্য শ্ৰদ্ধাসহকাৰে শুনিলে । মাজে মাজে তেওঁৰ টোপনি অহাৰ উপক্ৰম হৈছিল । কিন্তু সেই কথা অগম্যক জানিবলৈ নিদি যুৱকে কাব্যৰ ভূয়সী প্ৰশংসা কৰিবলৈ ধৰিলে ।

দীঘলকৈ উশাহ টানি অগম্যই ক'লে, "আজি মোৰ প্ৰথম ইচ্ছা পূৰণ হ'ল । নাজানো, মোৰ দ্বিতীয়টো ইচ্ছা পূৰণ হয় নে নহয় ।"

উৎসুক হৈ যুৱকে সুধিলে, "আপোনাৰ এটা ইচ্ছা পূৰণ কৰিলো । দ্বিতীয় ইচ্ছাটোও মই পূৰণ কৰিম । নিসংকোচে আপোনাৰ দ্বিতীয় ইচ্ছাটো কি কওক ।"

"সেই ইচ্ছা তুমি পূৰণ কৰিব নোৱাৰিবা। এই দেশৰ ৰজাইহে সেইটো পূৰণ কৰিব পাৰিব," অগম্যই ক'লে ।

"মই অৱশ্যে এই দেশৰ ৰজা নহয়, কিন্তু যুৱৰাজ । মহাৰাজে মোৰ কথা নেপেলায় ।" যুৱৰাজে অগম্যক উৎসাহ দিলে ।

অগমাই যেতিয়া গম পালে যে তেওঁৰ প্ৰাণ ৰক্ষা কৰা যুৱকজন স্বয়ং যুৱৰাজ, তেতিয়া তেওঁ পৰম আনন্দিত হৈ ক'লে,

"আপোনাক এনেকৈ লগ পোৱাটো মোৰ ভাগ্যৰ কথা । ৰামায়ণে যিমান প্ৰচাৰ লাভ কৰিছে, সেই একে প্ৰচাৰ মোৰ কাব্যয়েও লাভ কৰক, সেইটোৱেই মোৰ দ্বিতীয় ইচ্ছা ।"

এই কথা শুনি যুৱৰাজে যেন নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে । কত শ্ৰীৰাম আৰু কত এই অগম্য ? যুৱৰাজ চিন্তাত পৰিল । অলপ সময়ৰ পাছত যুৱৰাজে এটা উপায় বিচাৰি পালে । তেওঁ অগম্যক সুধিলে, "এতিয়ালৈকে আপুনি কেইজন মানুহক আপোনাৰ কাব্য পঢ়ি শুনাইছে ?"

"বাৰ জন মান মানুহে হয়তো মোৰ কাব্য শুনিছে ।" অগম্যই ক'লে । "ঠিক আছে । এইখন দেশত আছে দহ লাখ লোক । এই বাৰজন লোকক বাদ দি বাকী লোকসকলে যাতে আপোনাৰ কাব্য শুনে আৰু প্ৰশংসা কৰে মই তাৰ ব্যৱস্থা কৰিম আৰু ইয়াত প্ৰচাৰো কৰিম । কিন্তু আপুনি মোক এটা কথা দিব লাগিব । বাল্মীকিয়ে তেওঁৰ জীৱনত মাত্ৰ এখনহে কাব্য ৰচনা কৰিছিল । তাকো মাত্ৰ এবাৰেই । আপুনিও বাল্মীকিৰ দৰে দ্বিতীয়বাৰ কাব্য ৰচনা কৰিব নোৱাৰিব ।"

অগম্যই এই কথা মানি ল'লে ।

যুৱৰাজে অগম্যক নিজৰ লগতে ৰাজধানীলৈ নি ৰজাৰ সৈতে পৰিচয় কৰাই দিলে, "এখেতৰ নাম অগম্য । মোক মৃত্যুৰ মুখৰ পৰা বচাই আনিলে । এখেতে এখন মহাকাব্য লিখি উলিয়াইছে । এইখন কাব্য বাল্মীকি ৰামায়ণৰ সমকক্ষ । এখেতক আমাৰ ৰাজসভাত অতি সন্মানৰ আসন দিয়া উচিত। সমগ্ৰ দেশতে এখেতৰ মহান কাব্যখনৰ কথা প্ৰচাৰ কৰা উচিত। মই তেনে হোৱাটোৱেই বিচাৰো ।"

ৰজাই যুৱৰাজৰ প্ৰস্তাৱ মানি ল'লে আৰু ৰাজসভাত অগম্যক সন্মানৰ আসন প্ৰদান কৰিলে । ইয়াৰ পাছত অগম্যৰ কাব্যখন লৈ সমগ্ৰ দেশতে ব্যাপক প্ৰচাৰ অভিযান চলোৱা হ'ল । এই অভিযান ইমানেই ব্যাপক আছিল যে আনকি ডাঙৰ ডাঙৰ পণ্ডিতো এইখন কাব্য পঢ়িবলৈ আগবাঢ়ি আহিল । কিন্তু কোনেও কাব্যখন পঢ়িবলৈ নাপালে । কিয়নো এইখন কাব্যৰ এটাহে প্ৰতিলিপি আছিল আৰু সেইখনো আছিল যুৱৰাজৰ ওচৰত । কাব্যখন বিচাৰি তেওঁৰ ওচৰলৈ অহা প্ৰতিজন লোককে যুৱৰাজে কয়, "দুৰ্ভাগ্যবশতঃ এইখন কাব্যৰ একমাত্ৰ প্ৰতিলিপি অগ্নিদগ্ধ হ'ল । সেইখন আকৌ লিখি উলিয়াবলৈ অগম্যই অস্বীকাৰ কৰিছে। এতিয়া মাত্ৰ সেইখন মহাকাব্যৰ স্মৃতিহে ৰৈ গৈছে ।"

এখন মহাকাব্য এনেকৈ নষ্ট হৈ যোৱাত কবি আৰু পণ্ডিতসকলে বৰ দুখ পালে ।

ৰজাই ভাবিলে এই গোটেই ঘটনাটোত নিশ্চয় কিবা গুপুত কথা আছে । যুৱৰাজক ৰজাই কথাটো বৰ গুৰুত্বসহকাৰে সুধিলে । যুৱৰাজে দেউতাকক সঁচা কথাটো জনাই বিৱৰি ক'লে, "অগম্যই বিচাৰিছিল তেওঁ লিখা এইখন কাব্যৰ বিপুল প্ৰচাৰ হওক । এইখন কাব্যৰ জৰিয়তে মানুহে তেওঁক চিনি পোৱাটো অগম্যই বিচাৰিছিল । তেওঁৰ সেই আশা পূৰণ হৈছে । যেতিয়ালৈকে মানুহে কাব্যখন পঢ়ি নাচায়, তেতিয়ালৈকে মানুহে ইয়াক আদৰ কৰিব । সেয়েহে মই এইখন কাব্য জ্বলাই দিলো । অগম্যই যাতে দ্বিতীয় এখন কাব্য লিখিব নোৱাৰে তাৰ যথাযথ ব্যৱস্থা মই আগতেই কৰি থৈছো । দ্বিতীয় কাব্য নিলিখে বুলি মই ইতিমধ্যেই অগম্যৰ পৰা প্ৰতিশ্ৰুতি আদায় কৰি থৈছো । মই সততাত বিশ্বাস ৰাখো, লগতে মই দিয়া কথাও ৰাখো । অগম্যক দিয়া কথাও মই ৰাখিলো ।"

বেতালে এই কাহিনী কৈ উঠি ক'লে, "ৰাজন, ৰাইজৰ দ্বাৰা অগম্যৰ কাব্যৰ প্ৰশংসা আদায় কৰাত যুৱৰাজ সফল হ'ল । কিন্তু সেই বাৰজন লোকক বাদ দি আন সকলো লোকৰে প্ৰশংসা পোৱা যাব বুলি যুৱৰাজে কিয় কৈছিল ? যুৱৰাজ যে প্ৰতিশ্ৰুতিবদ্ধ আছিল সেই কথা বাৰু বুজা যায়, কিন্তু এনেকুৱা এখন কাব্যৰ প্ৰশংসা কৰাটো এজন যুৱৰাজৰ পক্ষে শোভা পায়নে? ইয়াকেই তেওঁৰ সততা আৰু সত্যনিষ্ঠা বুলি ক'ব পাৰিনে ? মোৰ এই প্ৰশ্নৰ উত্তৰ তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব ।"

বিক্ৰমাদিত্যই ক'লে, "অগম্যৰ কাব্য শুনিছিল বাৰজন লোকে । সেই সকলৰ কোনোজনেই কেতিয়াও সেই কাব্যৰ প্ৰশংসা কৰা নাছিল । সেয়েহে এনেকৈ কৈ যুৱৰাজে নিজৰ সততাকে প্ৰমাণ কৰিলে । দ্বিতীয়তে, আন কাৰোবাক বিশেষকৈ নিজৰ প্ৰাণদাতাক সন্তুষ্ট কৰিবলৈ তেওঁৰ মিছা প্ৰশংসা কৰাটো কোনো ভুল কথা হ'ব নোৱাৰে । ইয়াৰ বাহিৰেও, এনে মিছাই কাৰো একো অপকাৰ নকৰে । লগতে ইয়াত যুৱৰাজৰ কোনো স্বাৰ্থও নাই ।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু আকৌ সেই গছজোপাত ওলমি থাকিলগৈ ।

(শ্ৰীনিবাসৰ ৰচনাৰ আলম লৈ)



সকলো পবিত্ৰ

ভাৰতৰ জনসাধাৰণে বহুতো জন্তু আৰু চৰাইত ঐশ্বৰিক শক্তি আৰোপ কৰে । নিগনি ভগৱান গণেশৰ বাহন । তেওঁৰ পিতাক ভগৱান শিৱৰ বাহন হ'ল এটা ষাড়গৰু ।

ৰাম, সীতা আৰু লক্ষ্মণক কৰা সেৱাৰ বাবে হনুমানক মানুহে পৰম ভক্তিৰে চায় আৰু হনুমানৰ মুখখন বান্দৰৰ দৰে হোৱা বাবে বান্দৰ চিকাৰ কৰা নহয় বা সিহঁতক আঘাত কৰা নহয়, খুব বেছি সিহঁতক খেদি পঠিওৱা হয় ।

ভগৱান শিৱৰ দ্বিতীয় পুত্ৰ কাৰ্ত্তিকৰ বাহন হ'ল ময়ূৰৰ দৰে কুকুৰা । দক্ষিণ ভাৰতত সুব্ৰামাণ্য আৰু ৱেলায়ুধা বা দণ্ডপাণি নামেৰে জনাজাত ভগৱান কাৰ্ত্তিকৰ নামত উচৰ্গিত মন্দিৰত এইবিধ চৰাই ভক্তিৰে পালন কৰা হয় ।

অনন্ত নামৰ সৰ্পত ভগৱান বিষ্ণুৰ আশ্ৰয়ক ভক্তসকলে ভক্তি আৰু সমীহ কৰি চলে । বিষ্ণুৰ বাহন হ'ল গৰুড়, এটা ঈগল চৰাইৰ ৰূপ।

ভগৱান শ্ৰীকৃষ্ণৰ সম্পৰ্ক আছে গৰুৰ লগত আৰু সেয়ে প্ৰায় সমগ্ৰ ভাৰততে বছৰৰ কিছুমান নিৰ্দিষ্ট দিনত গৰুৰ উপাসনা কৰা হয় । জীৱ-জন্তু আৰু চৰাই চিৰিকতিক শ্ৰদ্ধা কৰা মানেই প্ৰকৃতিক শ্ৰদ্ধা কৰা।

এৰিব নোৱাৰা দাসত্ব

"এই গাওঁখনৰ নাম ৰদনপুৰ বুলি তুমি কৈছিলানে ? সেই কথাই মোক মনত পেলালে ; আমাৰ সুমেৰৰ কি হ'ল ।" গুৰু পদ্মনন্দই এতিয়াও বিশ মাইল দূৰত থকা তেওঁৰ আশ্ৰমলৈ আহি থাকোঁতে লগত অহা শিষ্য দুজনক সুধিলে ।

সুমেৰে সেই আশ্ৰমত থাকি যোগাসনৰ পাঠ শিকিছিল । তেওঁ বৰ অমায়িক যুৱক আছিল আৰু এজন শিকাৰুৰ সকলোবিলাক গুণেই তেওঁৰ আছিল । কিন্তু এদিন তেওঁ খবৰ পালে যে তেওঁৰ পিতাকৰ টান নৰিয়া । তেওঁ পিতাকৰ ওচৰলৈ গুচি গ'ল, যাওঁতে গুৰুক কথা দি গ'ল যে তেওঁ এমাহৰ ভিতৰতে ঘূৰি আহিব। কিন্তু সেয়া দহ বছৰৰ আগৰ কথা । গুৰুৱে সেয়ে সুমেৰৰ গাৱঁৰ মাজেদি পাৰ হৈ যাওঁতে তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহী হৈ পৰিছিল।

শিষ্য দুজনে বাটেদি পাৰ হৈ যোৱা এজন মানুহক সুধিলে, "সুমেৰ নামৰ এই গাৱঁৰে এজন যুৱকে এসময়ত এখন আশ্ৰমত আছিল। তেওঁৰ বিষয়ে কিবা জানেনে ?"

"তাৰমানে আপুনি সুমেৰ শেঠৰ কথা ক'ব খুজিছে নেকি ? তেওঁ গুৰু পদ্মনন্দৰ শিষ্য আছিল । তেওঁ নিজৰ অসুখীয়া পিতৃক দেখা কৰিবলৈ আহিছিল । পিতাকে মৃত্যুৰ আগতে তেওঁৰ বিয়া পাতি দিলে আৰু তেওঁৰ টকা ধাৰে দিয়া ব্যৱসায় পুতেকৰ হাতত সঁপি দিলে । গুৰুৰ আৰ্শীবাদত তেওঁ ভালেখিনি টকা-পইচা কৰিছে । সৌটো তেওঁৰ ঘৰ-- অঞ্চলটোৰ ভিতৰতে আটাইতকৈ ডাঙৰ ঘৰ," মানুহজনে ক'লে ।

গুৰু আৰু তেওঁৰ শিষ্য দুজনে পদূলিয়েদি সোমাই গৈ ঘৰটোৰ বাগিছা পালেগৈ ।

সুমেৰে ঘৰৰ বাৰান্দাৰ পৰাই তেওঁলোকক দেখা পালে। তেওঁ দৌৰি ওলাই আহিল আৰু গুৰুৰ ভৰিত দীঘল দি পৰিল । "সন্ধিয়া হৈছেই । আজি মোৰ আতিথ্য গ্ৰহণ কৰক । আপোনালোকে যদি মোৰ ঘৰত কেইদিনমান থাকি যাবলৈ ইচ্ছা নকৰে তেন্তে কাইলৈ পুৱা গুচি যাব পাৰিব।"

গুৰুৱে তাতে ৰাতিটো থাকি যাবলৈ মান্তি হ'ল। সুমেৰে তেওঁলোকক সুন্দৰকৈ ভোজ-ভাত খুৱালে আৰু যেতিয়া তেওঁ গুৰুক অকলশৰীয়াকৈ পালে তেতিয়া তেওঁ কান্দি-কান্দি ক'বলৈ ধৰিলে, "গুৰুদেৱ, মই যে কিমান ডাঙৰ বান্ধোনত পৰিলো। কিন্তু মোৰ ল'ৰা ছোৱালী দুটা ডাঙৰ হোৱাৰ পিছত মই সকলোবোৰ সিহঁতৰ ওপৰত এৰিম আৰু পুনৰ আশ্ৰমলৈ গুচি যাম আৰু জীৱনৰ বাকী দিন কেইটা আপোনাৰ সেৱা কৰিম।"

"আনকি যদি মই তাত নাথাকিলেও মোৰ উত্তৰাধিকাৰী অৰ্থাৎ তোমাৰ গুৰুভাইক তোমাৰ কথা কৈ যাম । যিহেতু তুমি যোগাসনৰ শিষ্য আছিলা সেয়ে তুমি জীৱনৰ আধ্যাত্মিক পথ কেতিয়াও নেৰাটোৱেই উচিত হ'ব।" গুৰুৱে ক'লে।

পিছদিনা পুৱা গুৰু আশ্ৰমলৈ গ'লগৈ। সুমেৰ বিমৰ্ষ হৈ বহি ৰ'ল।

আৰু দহটা বছৰ পাৰ হৈ গ'ল । গুৰু আকৌ এবাৰ ৱদনপুৰৰ মাজেদি পাৰ হৈ যাওক। তেওঁ প্ৰিয় শিষ্যৰ ঘৰত সোমাল। আকৌ এবাৰ সুমেৰ গুৰুৰ ভৰিত দীঘল দি পৰিল, আৰু কান্দি কান্দি ক'লে যে তেওঁৰ এটি অতি মৰমলগা নাতি আছে, সি তেওঁক খুব ভাল পায়। "যিদিনাই মোৰ নাতি ডাঙৰ



হৈ বিদ্যাৱন্ত কৰিব সেই দিনাই মই ঘৰ-বাৰী ত্যাগ কৰিম," তেওঁ কথা দিলে।

"বৰ ভাল কথা," গুৰুৱে ক'লে।

পিছৰ বছৰ গুৰুৰ মৃত্যু হ'ল। কিন্তু তেওঁ শিষ্যসকলক সুমেৰক ত্যাগ নকৰিবলৈ উপদেশ দি গ'ল। "সুমেৰ এটা প্ৰতিজ্ঞা লৈ আছিল । কিন্তু তেওঁ নিজকে সংসাৰৰ মায়ামোহৰ বান্ধোনেৰে বান্ধ খাবলৈ দিছিল। তেওঁক উদ্ধাৰ কৰিব লাগিব।"

আৰু কেইবছৰমান পাৰ হৈ গ'ল । এদিনাখন, নতুন গুৰু গংগানন্দ সুমেৰৰ বিষয়ে জানিবলৈ আগ্ৰহী হৈ পৰিল। তেওঁৰ মনত পৰিল গুৰুৱে সুমেৰ নাই বুলি ভাবি এৰি দিবলৈ হাক দি থৈ গৈছিল । তেওঁ ৱদনপুৰৰ ফালে আগবাঢ়িল আৰু এইকথা জানিব পাৰি দুখ পালে যে সুমেৰ আৰু নাই। অৱশ্যে তেওঁৰ পুত্ৰসকলে গংগানন্দক সেৱা-সৎকাৰ কৰিলে আৰু সেই ৰাতি তাতে থাকি যাবলৈ অনুৰোধ জনালে।

গংগানন্দ গৈ পোৱাৰ মুহূৰ্ত্তৰপৰা ঘৰখনত থকা কুকুৰটোৱে তেওঁৰ ভৰি চেলেকি আছিল আৰু অনবৰতে নেগুৰ লৰাই আছিল। ৰাতি তাক জোৰ কৰি তেওঁৰ কোঠাৰ পৰা আঁতৰাই আনিব লগা হৈছিল। গংগানন্দ ধ্যানত বহিল আৰু কুকুৰটোৰ আত্মাৰ বিষয়ে উপলব্ধি কৰিবৰ চেষ্টা কৰিলে। তেওঁ যি জানিব পাৰিলে সেয়া সঁচাই আচৰিত। কুকুৰটোৰ গাত সুমেৰৰ আত্মা আছে আৰু ই ঘৰখনক পহৰা দি আছে যাতে তেওঁৰ পুত্ৰ আৰু নাতিসকল আক্ৰমণকাৰীৰ পৰা নিৰাপদে থাকে। সুমেৰে কুকুৰটোৰ আত্মাক জনালে যে ই নিজকে কুকুৰৰ জীৱনৰ পৰা মুক্তি পাবলৈ প্ৰাৰ্থনা কৰা উচিত। পিছদিনা পুৱা গংগানন্দই বিদায় ল'লে।

পাঁচ বছৰ পিছত গংগানন্দই আকৌ এবাৰ সুমেৰৰ ঘৰলৈ আহিল। কুকুৰটোৰ মৃত্যু হৈছিল। কিন্তু সুমেৰৰ আত্মাৰ কি হ'ল? ভুৱা মায়ামোহত ইমান গভীৰভাৱে সোমাই পৰাৰ পিছত ই নিশ্চয় মুক্তি পোৱা নাই। ৰাতি, ধ্যানত নিমগ্ন হৈ থাকোঁতে গংগানন্দই অনুভৱ কৰিলে যে সুমেৰৰ আত্মা এতিয়া ঘৰখনৰ সা-সম্পত্তি ভৰাই থোৱা এটা কাঠৰ পেৰাত লুকাই থকা এটা ফেঁটীসাপৰ ভিতৰত আছে আৰু ই ঘৰখনক পহৰা দি আছে।

গংগানন্দই এইবাৰ এটা দৃঢ় পদক্ষেপ লোৱাৰ কথা ভাবিলে। ৰাতিপুৱাৰ লগে লগে তেওঁ ঘৰখনক জনালে যে তেওঁলোকৰ বৰপেৰাত এটা ফেঁটীসাপ সোমাই আছে। তেওঁলোকে এজন সাপ নচুওৱা মানুহ মতাই আনিলে। তেওঁলোকে পেৰাটো খুলি ধূনা জ্বলাই দিলে যাতে ধোঁৱাবোৰ পেৰাটোৰ ভিতৰলৈ সোমাই যায়। সাপটো লৰচৰ কৰিব নোৱাৰা হৈ পৰিল আৰু সাপ নচুওৱা মানুহজনে সেইটো উলিয়াই আনিলে। এজন ভৃত্যই সাপটো হত্যা কৰিব খুজিলে কিন্তু গংগানন্দই তাত বাধা দিলে। তেওঁ এটা পাত্ৰত ভৰাই সাপটো তেওঁৰ আশ্ৰমলৈ লৈ আহিলে। তেওঁ মৃতপ্ৰায় সাপটোৰ চাৰিওফালে কিছুমান মন্ত্ৰ আওৰালে যাতে তাৰ ভিতৰত থকা সুমেৰৰ আত্মাই ইয়াক শান্তিৰে এৰি দিয়ে। তেওঁ আশা কৰা মতেই হ'ল। গংগানন্দই এটা হুমুনিয়াহ কাঢ়িলে: "আমি যেতিয়া একেলগে পঢ়িছিলো সুমেৰ এজন কিমান জ্ঞানী ল'ৰা আছিল। কিন্তু আজি কি অৱস্থা! হে ভগৱান, অজ্ঞানতাৰ শক্তি কিমান আকোঁৰগোঁজ হ'ব পাৰে!"



অসংখ্য কেমেৰাই বিজুলী খেলিলে

যোৱা আগষ্ট মাহত সদৌ কেৰালা ফটোগ্ৰাফাৰ সমিতিয়ে ৰাজধানী ত্ৰিবান্দ্ৰমত বিশ্ব ফটোগ্ৰাফী দিৱস উপলক্ষে সমাৱৰ্তন পাতে । এই সমাৱৰ্তনত ফটোগ্ৰাফাৰ সকলৰ অধিকাৰ সমূহ মন্ত্ৰীসকল বিধায়ক আৰু অন্যান্য বিশিষ্ট লোক সকলৰ আগত স্বীকৃতি দিয়া হয় । এই ঐতিহাসিক ঘটনাক ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা প্ৰায় এক হাজাৰতকৈও অধিক কেমেৰাই বন্দী কৰি থ'লে । একেটা মুহূৰ্ত্ততে ইমানবোৰ কেমেৰাই ছবি লোৱা ঘটনাক বিশ্ব অভিলেখ হিচাবে অভিহিত কৰা হৈছে । এই সমিতিয়ে গিণীজ বুক অভ্ ৱৰ্ল্ড ৰেকৰ্ডত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছে ।

নিজৰ শিক্ষানুষ্ঠানৰ ঋণ পৰিশোধ

প্ৰায় ৩০ বছৰ আগতে, ড.প্ৰভু গোৱেলে কাণপুৰৰ ইণ্ডিয়ান ইনষ্টিটিউট অভ্ টেকন'লজীৰ (আইআইটি) পৰা ডিগ্ৰী লাভ কৰিছিল । অলপতে তেওঁ পঢ়ি যোৱা এই শিক্ষানুষ্ঠানলৈ আহি ড. গোৱেলে ১০ লাখ মাৰ্কিন ডলাৰৰ এটা পুঁজি আগবঢ়ায় গৱেষণা আৰু বিকাশৰ কামত খৰচ কৰিবৰ বাবে ।

মাজৰ সময়ছোৱাত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈ ডক্তৰেট উপাধি লয় আৰু কেলিফৰ্নিয়াৰ এটা নেটৱৰ্ক চিকিউৰিটি কম্পেনীৰ মূৰব্বীৰ দায়িত্ব লয় । তেতিয়াই তেওঁ এটা জটিল সমস্যাৰ সমাধান কৰাত তেওঁৰ হাতলৈ বহুত ধন আহে।

ড. গোৱেলে বিচাৰিছিল এনেকুৱা কিবা এটা কাম ভাৰতত হওক আৰু সেয়ে তেওঁ ভাবিলে যে কাণপুৰ আইআইটিৰ ওচৰত থকা তেওঁৰ কৃতজ্ঞতাৰ ঋণ পৰিশোধ কৰাৰ এইটোৱেই সৰ্বশ্ৰেষ্ঠ উপায় হ'ব আৰু ড. গোৱেলৰ এই পুঁজিৰ সদ্ব্যৱহাৰ কৰি কাণপুৰ আই আইটিয়ে দেশৰ মংগলৰ বাবে আচৰিত কিবা এটা কৰিব পাৰিব বুলি ভবা হৈছে ।

সেই পলাই ফুৰা গুপ্তচৰজন

১৯১৭ চন । প্ৰথম মহাযুদ্ধৰ সময় । বৃটিছ গুপ্তচৰ সেৱাৰ মুৰব্বীজনৰ ডাঙৰ দুশ্চিন্তা । বৃটিছ সৈন্যক লৈ তেওঁ প্ৰাচ্যত আছে । তেনেতে তেওঁ গম পালে যে সেই ঠাই

শত্ৰুপক্ষৰ চোৰাংচোৱাই অধিকাৰ কৰি আছে । এই পৰিস্থিতিত খাপ খাব পৰাকৈ নিজৰ সৈন্যসকলক কেনেকৈ প্ৰশিক্ষণ দিব পাৰি সেই বিষয়ে তেওঁ চিন্তা কৰি আছিল ।

সোনকালেই মেনাৰিং নামেৰে জনাজাত এই বিষয়াজনে কিছুমান উৰাবাতৰি শুনা পালে যে ফ্ৰিজ নামৰ এজন জাৰ্মান চোৰাংচোৱা বিষয়া ছদ্মবেশত কেতবোৰ গুৰুত্বপূৰ্ণ তথ্যৰ সন্ধানত অনবৰতে বৃটিছ সৈন্যৰ লগে লগে আছে । কিন্তু ফ্ৰিজ নামৰ এই মানুহজনৰ চেহেৰা বা কাম-কাজৰ কোনো শুংসূত্ৰ উলিয়াব পৰা হোৱা নাই । ই কেৱল এটা উৰাবাতৰিহে নেকি ?

মেনাৰিঙে কথাটো তেওঁৰ উৰ্দ্ধতন বিষয়া সকলৰ কাণ ছোৱালে । জাৰ্মান গুপ্তচৰ জনৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আদেশ জাৰি কৰা হ'ল ।

এদিন, মেনাৰিঙক যুদ্ধবন্দী সকলৰ এটা শিবিৰ ভ্ৰমণ কৰিবলৈ কোৱা হ'ল । যেতিয়া তেওঁ তাত পালেগৈ তেওঁক কোনোবাই ক'লে যে, তুৰ্কী সৈন্যবিভাগৰ পৰা গুচি অহা এজন গ্ৰীক সৈনিকে তেওঁক লগ পাব খুজিছে । যেতিয়া তেওঁলোক লগ হ'ল, বন্দীজনৰ কথা শুনি মেনাৰিঙ স্তম্ভিত হ'ল ।

"ডাঙৰীয়া আপুনি বিচাৰি ফুৰা মানুহজনক মই চিনি পাওঁ । আনকি মই ফ্ৰিজ নামৰ এজন মানুহৰ লগত কিছুদিন কামো কৰিছিলো ।"

"কি ক'লা ? তুমি ধেমালি কৰা নাইতো?" মেনাৰিঙে সুধিলে ।

"নাই নাই, মই মুঠেই ধেমালি কৰা নাই।" গ্ৰীক সৈনিকজনে পুনৰ ক'লে । "যদি আপুনি মোৰ মুক্তিৰ ব্যৱস্থা কৰি দিয়ে তেন্তে মই তেওঁক ধৰিবলৈ আপোনাক সকলো প্ৰকাৰে সহায় কৰিম ।"

বহুত ভবাৰ পিছত মেনাৰিঙ মান্তি হ'ল। কিন্তু তেওঁ নিজৰ সিদ্ধান্ত জানিবলৈ দিয়াৰ আগতে তেওঁ বন্দী সৈনিক জনক গ্ৰীক কনচুলেটলৈ লৈ গ'ল আৰু তেওঁ যে সঁচাকৈয়ে এজন গ্ৰীক সেই কথা নিশ্চিত হৈ ল'লে ।

ইয়াৰ পিছত গ্ৰীকজনে কিছুমান চৰ্ত আৰোপ কৰিলে । তেওঁ ক'লে যে মতানৈক্য হোৱাৰ বাবেই তেওঁ ফ্ৰিজৰ লগৰ পৰা আঁতৰি আহিল । এতিয়া তেওঁ ঘূৰি যাবলৈ প্ৰস্তুত আছে, যদিহে তেওঁক কেতবোৰ গোপন সামৰিক তথ্যৰ যোগান ধৰা হয় ।

তেওঁ মেনাৰিঙক বুজালে যে এনে কৰিলে ফ্ৰিজ তেওঁৰ কথাত পতিয়ন যাব । তেওঁ তেতিয়া ফ্ৰিজক তুৰ্কীৰ চাউনীৰ পৰা এটুকুৰা নিৰ্দিষ্ট ঠাইলৈ আহিবলৈ উচটাব । আৰু তেতিয়া তেওঁক ধৰাটো অতি সহজ হৈ পৰিব। এই কামত আগবঢ়াৰ আগতে মেনাৰিঙে গ্ৰীক জনক কেতবোৰ তথ্যৰ সন্ধেদ দিলে যিবোৰ তথ্যৰ পৰা একো লোকচান নহয় । গ্ৰীক সৈনিকজনক মুকলি কৰি দিয়া হ'ল আৰু ততালিকে তেওঁ তাৰ পৰা নোহোৱা হ'ল ।

এসপ্তাহ পাৰ হৈ গ'ল । আৰু কথা মতেই গ্ৰীক সৈনিকজন এদিন পুনৰ আৱিৰ্ভাৱ হ'ল

আৰু জনালে যে এটা বিশেষ দিনত ফ্ৰিজ আহিব । তেওঁ মেনাৰিঙ আৰু ফ্ৰিজৰ সাক্ষাতৰ বাবে এডোখৰ সুন্দৰ ঠাই ঠিক কৰিলে । এটা মৰা সুঁতিৰ ওচৰৰ এডোখৰ নিৰ্জন ঠাই ।

"এই ৰহস্যময় ফ্ৰিজ অৱশেষত মোৰ জালত পৰিল," নিৰ্জন ঠাইডোখৰলৈ পৰম আশাৰে গাড়ী চলাই গৈ থাকোতে মেনাৰিঙে ভাবিলে । ওচৰ পোৱাৰ লগে লগে তেওঁ গ্ৰীক সৈন্যজনক তাত নিজৰ ঘোঁৰাৰ ওচৰত থিয় দি থকা দেখা পাই তেওঁ আনন্দিত হ'ল ।

মানুহজনে নিজৰ কথা ৰাখিলে । তেওঁ মেনাৰিঙক জনালে যে ফ্ৰিজ আৰু তেওঁৰ এজন ভৃত্য বৃটিছ ছাউনীৰ ভিতৰত আছে । তেওঁলোকে সোনকালেই দেখা দিব । গ্ৰীকজনে বহুতো নথি পত্ৰও দেখুৱালে যে তেওঁ তেতিয়াও ফ্ৰিজৰ সৈতে ঘনিষ্ঠ সম্পৰ্কত আছে ।

"আপোনাৰ ওচৰত অস্ত্ৰ আছেনে ডাঙৰীয়া ?" হঠাতে গ্ৰীকজনে সুধিলে ।

"হয় আছে," মেনাৰিঙে উত্তৰ দিলে ।

"তেন্তে ফ্ৰিজক দেখাৰ লগে লগেই

আপুনি তেওঁলৈ গুলী কৰিব । সন্ধিয়া হোৱাৰ লগে লগে অলপ দূৰত ঘোঁৰাৰ পিঠিত উঠি অহা এটা ছায়ামূৰ্তি দেখা গ'ল । "সেয়া ভৃত্যজন, বৃটিছ পোছাকত আহিছে । অলপ পিছতেই ফ্ৰিজ আহিব।" গ্ৰীকজনে ফুচফুচাই ক'লে।

ভৃত্যজনে গ্ৰীকজনৰ ওচৰলৈ আহিল আৰু কিছুমান কাগজ তেওঁৰ হাতত দিলে । তাৰ পিছত তেওঁ জাৰ্মান ভাষাত জনালে যে বৃটিছ সৈন্যৰ খেদা খাই ফ্ৰিজ পুনৰ তুৰ্কী সৈন্যলৈ গুচি গৈছে । গ্ৰীকজনে হঠাত আচৰিত হোৱাৰ দৰে হ'ল আৰু হতাশ হৈ পৰিল । তথাপিও তেওঁ মেনাৰিঙক আশ্বাস দিলে যে কেইদিনমানৰ ভিতৰতে ফ্ৰিজ আকৌ বৃটিছ শিবিৰলৈ আহিব । আকৌ এবাৰ লগ কৰাই দিয়াৰ তেওঁ প্ৰতিশ্ৰুতি দিলে ।

ফ্ৰিজৰ ভৃত্যজনে গ্ৰীকজনৰ লগত পতা কথাবোৰে মেনাৰিঙক অলপ বিবুদ্ধিত পেলালে । কাৰণ তেওঁলোক দুয়ো জাৰ্মান ভাষাত কথা পাতিছিল । কিয় তেওঁলোকে গ্ৰীক ভাষাত কথা পতা নাছিল ? কিন্তু তেওঁ গ্ৰীকজনৰ পৰামৰ্শত হয়ভৰ দিয়াৰ বাহিৰে অন্য কোনো বিকল্প নেদেখিলে । কাৰণ তেওঁ ফ্ৰিজক ধৰিব পাৰিব বুলি আশা ৰাখিছিল ।

"এনে অৱস্থাত মই তেওঁৰ লগুৱাটোক শত্রু ছাউনীলৈ ঘূৰি যাবলৈ দিব নোৱাৰো । কাৰণ তুমিতো জানাই তিনিজন মানুহে জনাৰ পিছত এটা কথা কেতিয়াও গোপন হৈ নাথাকে । তেওঁক সোনকালেই গ্ৰেপ্তাৰ কৰিব লাগিব ।" মেনাৰিঙে দৃঢ়ভাৱে ক'লে ।

গ্ৰীকজনে কথাটোৰ গুৰুত্ব বুজি পালে আৰু মান্তি হ'ল । লগুৱাটো ঘোঁৰাটোৰ ওচৰত তেওঁলোকৰ পৰা কেইগজমান আঁতৰত থিয় দি আছিল । গ্ৰীকজনে তেতিয়া মেনাৰিঙক অনুৰোধ জনালে ৰাস্তাটো প্ৰশস্ত হৈ আছে নে নাই তেওঁ যেন চাই আহে । "তাৰ পিছত আমি ইয়াক কৰায়ত্ত কৰিব লাগিব," তেওঁ ক'লে ।

মেনাৰিঙে তেওঁৰ জেপত থকা স্বয়ংক্ৰিয় ৰাইফলৰ ট্ৰিগাৰত হাত থ'লে আৰু তাৰ পিছত ঘোঁৰাত উঠি অলপ আতৰি গ'ল । পিছ মুহূৰ্ত্ততেই তেওঁ ঘূৰি আহিল । সেই মুহূৰ্ত্ততে দুটা বিৰাট শব্দই তেওঁৰ কাণ তাল মাৰি ধৰিলে । বুলেট দুটা তেওঁৰ গাৰ কাষেদি পাৰ হৈ গ'ল । ঘূৰি চাই তেওঁ আচৰিত হ'ল যে গ্ৰীকজন আৰু সেই লগুৱাটো দুয়ো তেওঁলৈ গুলী চলাইছে । ভয়

খাই তেওঁৰ ঘোঁৰাটোৱে চিঞৰিবলৈ ধৰিলে। তেওঁ দুয়োজনলৈ গুলী চলাবলৈ ধৰিলে। লগুৱাজন গুৰুতৰভাৱে আহত হ'ল। গ্ৰীকজন পলাই গ'ল আৰু হঠাতে দূৰত নেদেখা হৈ পৰিল। লগুৱাজনৰ ঘোঁৰাটোৱে তেওঁক অনুসৰণ কৰিলে।

মেনাৰিঙে ঘোঁৰাটোৰ পৰা নামিল আৰু গুলী খাই ধাৰাশায়ী হৈ পৰা লগুৱাজনৰ ওচৰলৈ গ'ল। তেওঁ হতভম্ব হ'ল যে এই মৃত্যুমুখী লগুৱাজন প্ৰকৃততে এগৰাকী মহিলাহে। দেখাত তেওঁ জাৰ্মান যেন আৰু পৰিধানত বৃটিছ সৈন্যৰ পোছাক। অলপ পিছতেই তেওঁৰ মৃত্যু হ'ল।

বেলি কেতিয়াবাই বুৰ গৈছিল। বৃটিছ বিষয়াজন ঘৰ অভিমুখে আগবাঢ়িল। তেওঁৰ মনটো খুব বেয়া লাগিছিল আৰু তেওঁ এই কথাত লজ্জিত হ'ল যে তেওঁ এগৰাকী নাৰীক হত্যা কৰিলে।

যদিও এই বিষয়ে তেওঁ নাজানিছিল। গ্ৰীকজনে তেওঁক প্ৰতাৰণা কৰিলে। মেনাৰিঙে জানো আন কিবা কৰিব পাৰিলেহেঁতেন? 'মই যদি মহিলা গৰাকীৰ সলনি গ্ৰীকজনকে পালোহেঁতেন।' তেওঁ ভাবিলে।

এই গ্ৰীকজন কোন আছিল। জাৰ্মান মহিলাগৰাকী কোন আছিল? পলাই ফুৰা ফ্ৰিজ এতিয়া ক'ত? সকলোবোৰ ৰহস্য হৈ ৰ'ল। কিন্তু বেছিদিনৰ বাবে নহয়!

যুদ্ধ শেষ হোৱাৰ কেইমাহ মানৰ পিছত মেনাৰিঙে এখন চিঠি পালে। চিঠিখন পঢ়ি দুখ আৰু অবিশ্বাসত তেওঁ চকু মুদি দিলে। সকলোবোৰ তেওঁৰ ভ্ৰম যেন ভাৱ হ'ল। এই অদৃশ্য ফ্ৰিজ কোনো সাধুৰ বা সাধু কথাৰ চৰিত্ৰ নহয়। সচাঁকৈয়ে তেওঁ বিশ্বযুদ্ধৰ সময়ৰ জাৰ্মান গুপ্তচৰ বিভাগৰ আটাইতকৈ সুদক্ষ আৰু গুৰুত্বপূৰ্ণ ব্যক্তি।

সেই গ্ৰীকজনেই আছিল স্বয়ং ফ্ৰিজ। দুখৰ কথা লগুৱাজন আছিল ফ্ৰিজৰ পত্নী। কেইবছৰ মানৰ পিছত বৃটিছৰ দখলৰ এখন ঠাইৰ কাফেটেৰিয়াত চাহ খাই থাকোতে ফ্ৰিজ আৰু মেনাৰিঙ হঠাতে আকৌ মুখামুখি হ'ল।

ইজনে সিজনক চিনি পালে। বোধকৰোঁ তেওঁলোকে হাঁহিৰ বিনিময়ো কৰিছিল। কিন্তু তেওঁলোকে এটা শব্দৰো বিনিময় নকৰিলে।

পাঠকৰ বাবে গল্প প্ৰতিযোগিতা

শ্ৰেষ্ঠ গল্পৰ বাবে নগদ ২৫০ টকা

তলত দিয়া গল্পটো পঢ়া !

বহুতো তীৰ্থযাত্ৰীয়ে এটা পাহৰৰ ওপৰত থকা এটা মন্দিৰলৈ বুলি গৈ আছিল । ই এটা নীৰৱ, আমনিদায়ক যাত্ৰা আছিল । অলপ সময় পিছত এজন ডেকাই অন্য এজনক সুধিলে, “আপুনি ক’ৰপৰা আহিছে ?” মিচিকিয়া হাঁহি মাৰি আনজনে উত্তৰ দিলে, “বিলাসপুৰ ।” “ময়ো বিলাসপুৰৰ পৰাই আহিছো । চহৰৰ কোন ঠাইত থাকে আপুনি ?” “পূৱ খণ্ডত ।” “কেনে আচৰিত কথা ! ময়ো পূৱ খণ্ডতে থাকো । আপোনাৰ ঘৰ কোনখিনিত বাৰু ?” প্ৰথমজন ডেকাই আকৌ সুধিলে । “মই শিৱ মন্দিৰৰ বাওঁফালে থকা তৃতীয় ঘৰটোত থাকোঁ,” দ্বিতীয় ডেকাজনে উত্তৰ দিলে । “বঢ়িয়া কথা ! ময়ো শিৱ মন্দিৰৰ বাওঁফালে থকা ঘৰবোৰৰ তৃতীয়টো ঘৰত থাকোঁ !” প্ৰথমজন ডেকাই বিস্ময়ত চিঞৰি ক’লে।

এতিয়া, দুয়োজন ডেকাই তেওঁলোকৰ পিছৰ কথোপকথনখিনি কেনেকৈ আগবঢ়াই নিব কল্পনা কৰা ।

- তাত আৰু কিবা দুয়োজনৰ এনে ধৰণৰ সংযোগ আৰু কিবা ঘটিব পাৰে নেকি ?
- বাকী তীৰ্থযাত্ৰী সকলে দুয়োজনৰে কথা বাৰ্তাত আচৰিত কিবা পাইছিল নেকি ?

তোমাৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখি এটা খামৰ ভিতৰত ভৰাই খামৰ ওপৰত ‘গল্প প্ৰতিযোগিতা’ বুলি লিখি পঠাই দিবা । লগতে তলত দিয়া কূপনখন গাঠি দিবা ।

শেষ তাৰিখ : ৩০ মাৰ্চ, ২০০৪

নাম...বয়স.............জন্মৰ তাৰিখ..................

স্কুল..শ্ৰেণী............

ঘৰৰ ঠিকনা..

....পিন নম্বৰ................

অভিভাৱকৰ চহী   প্ৰতিযোগীৰ চহী

চান্দমামা ইণ্ডিয়া লিমিটেড

৮২, ডিফেন্স অফিচাৰ্চ কলনী, একাডুথাংগাল, চেন্নাই - ৬০০০৯৭.

চান্দমামাৰ নিবেদন



যাযপুৰ

এখন পবিত্ৰ মহানগৰী

Sponsored by ORISSA TOURISM



For more information contact: Director, Tourism; Paryatan Bhavan; Bhubaneswar-751014 Orissa, India, Tel: (0674) 2432177, Fax: (0674) 2430887, e.mail:ortour@sancharnet.in website:www.orissa-tourism.com, Tourist Offices at; **Chennai:** Tamilnadu Tourism Complex Ground Floor, Near Kalaivanar Arangam, , Wallajah Road, Chennai - 600002
Ph: (044) 25360891, **Kolkata**: Utkal Bhawan 55, Lenin Sarani
Pin-700013, Tel: (033) 22443653, **New Delhi:** Utkalika, B/4 Baba Kharak Singh Marg
Pin - 110001, Telefax (011) 23364580

যাযপুৰ

ত্যাগৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ

এসময়ত গয়াসুৰ নামৰ এজন শক্তিশালী অসুৰ ৰজা আছিল । কি ন্তু আন অসুৰতকৈ তেওঁ বেলেগ আছিল । তেওঁ আছিল বিষ্ণুৰ পৰম ভক্ত । তেওঁৰ নামেৰেই ৰাজ্যৰ ৰাজধানী গয়া নামেৰে জনাজাত হৈছিল । এই ঠাইখন ইনানেই পবিত্ৰ হৈ উঠিছিল যে তালৈ এবাৰ যি যায় তেওঁ হৈ পৰে এজন পৰিৱৰ্ত্তিত মানুহ, আনকি তেওঁ জীৱনত কোনো ভুল, নিষ্ঠুৰ বা নীচ কাম কৰিব নোৱাৰা হয় । তাতোকৈ ডাঙৰ কথা হ'ল, যি এবাৰ গয়াসুৰক স্পৰ্শ কৰিব পাৰে তেওঁ সকলো পাপৰপৰা মুক্ত হৈছিল আৰু বিষ্ণুৰ প্ৰতি ভক্তিৰে তেওঁৰ

দেৱী বিৰজা, যাযপুৰ

অন্তৰ পূৰ্ণ হৈ উঠিছিল । সেয়েহে এই কথাত আচৰিত হ'ব নালাগে যে এবাৰ গয়ালৈ আহি এই অসাধাৰণ অসুৰক স্পৰ্শ কৰিব পৰা জনে কেতিয়াও সেই ঠাই এৰি যাব নুখুজিছিল । তেনে লোকৰ মৃত্যু হ'লে, একো পাপ নকৰা বাবে তেওঁ পোনে পোনে স্বৰ্গলৈ গৈছিল আৰু তেওঁলোক বিশুদ্ধ আৰু আধ্যাত্মিক হৈ পৰিছিল ।

দেৱতা আৰু ঋষিসকলে এবাৰ এটা ডাঙৰ আৰু অসাধাৰণ নৈৱেদ্য আগ বঢ়াব খুজিছিল--অগ্নিত আহুতি দি কৰা যজ্ঞ । এই পবিত্ৰ যজ্ঞৰ বাবে উপযুক্ত ঠাই ক'ত পোৱা যাব ? যি আধাৰত জুই জ্বলোৱা হ'ব সেই আধাৰ যদি খুব বিশুদ্ধ নহয় তেন্তে জুই নুমাই যাব আৰু যজ্ঞ অসম্পূৰ্ণ হ'ব ।

"এই ঠাই হ'ব লাগিব অসুৰ গয়াসুৰৰ দেহৰ দৰেই পবিত্ৰ," দেৱতা আৰু ঋষিসকলে সিদ্ধান্ত কৰিলে অসুৰ ৰজা গয়াসুৰে এই কথা শুনাৰ লগে লগে এই যজ্ঞৰ বাবে নিজৰ শৰীৰটোক হাঁহি মুখে আগবঢ়াই দিলে । তেওঁ নিজকে সমাধিস্থ কৰোৱালে আৰু তেওঁৰ দেহৰ ওপৰতে

সেই যজ্ঞ কৰা হ'ল । তেওঁৰ শৰীৰ ইমান ডাঙৰ হৈ আহিল যে তেওঁৰ মূৰটো থাকিল গয়াৰ মাটিৰ তলত আৰু যিটুকুৰা ঠাইত তেওঁৰ নাভিটো থাকিল সেই ঠাইটুকুৰা পিছলৈ উৰিষ্যাৰ বৈতৰণী নদীত থকা নাভিগয়া নামেৰে জনাজাত হ'ল ।

প্ৰাচীন কালৰ ঋষিসকলে এই সকলোবোৰ কথা জানিছিল । তেওঁলোকে এইটোও জানিছিল যে নাভিগয়াত কোনো যজ্ঞ কৰিলে সদায় মনোকামনা পূৰণ হ'বই । সেয়েহে এনে মাংগলিক কাৰ্যৰ বাবে নাভিগয়া বৰ জনপ্ৰিয় হৈ উঠিল । দৰাচলতে, ভগৱান ব্ৰহ্মাই নিজেই তাত এটা

যজ্ঞ সম্পন্ন কৰিছিল । ব্ৰহ্মাৰ যজ্ঞৰ জুইৰ শিখাৰপৰাই আৰ্বিভাৱ হৈছিল দেৱী মাৰ । এই যজ্ঞত ভাগ লোৱা ঋষিসকলৰ গভীৰ শ্ৰদ্ধা ভক্তিত সন্তুষ্ট হৈ দেৱী বীৰজা নামেৰে জনাজাত এই দেৱীয়ে তাতে নিগাজীকৈ থাকিবলৈ ঠিক কৰিলে । তেওঁৱেই এই পবিত্ৰ মহানগৰীৰ আৰাধ্যা দেৱী ।

নৈবেদ্যৰ বাবে বিখ্যাত হৈ উঠা এই ঠাইখনৰ নাম হ'লগৈ যজ্ঞপুৰা। যোগ বা যোজ এই দুটা, যজ্ঞৰ আন নাম হোৱাৰ বাবে ঠাইখনৰ আন এটা নাম আছিল যাযপুৰ । আজিও ঠাইখনক এই নামেৰেই জনা যায় । শাস্ত্ৰত ঠাইখনৰ নাম বীৰজাক্ষেত্ৰ অৰ্থাৎ দেৱী বীৰজাৰ বাসস্থান নামেৰেও জনা যায় । বহু শতিকাৰ আগতে ই অন্যতম প্ৰধান তীৰ্থক্ষেত্ৰ

দেৱী বিৰজাৰ মন্দিৰ

আছিল । উৰিষ্যাৰ ঐতিহ্যৰ ওপৰত প্ৰসিদ্ধ বিশেষজ্ঞ প্ৰফেচাৰ থমাচ ইউজিন ডনাল্ডচনৰ মতে, "ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলীয় উপকূলীয় ৰাজ্য উৰিষ্যাত, পাঁচজন প্ৰধান আৰাধ্য ব্ৰাহ্মণ্য দেৱতাৰ সম্পৰ্ক আছে পাঁচটা ক্ষেত্ৰ বা পবিত্ৰ থলীৰ লগত । শিৱৰ সম্পৰ্ক আছে ভূৱেনেশ্বৰ মহানগৰীৰ সৈতে, বিষ্ণুৰ পুৰী মহানগৰীৰ সৈতে, সূৰ্যৰ কোণাৰক চহৰৰ সৈতে, গণেশৰ মহাবিনায়ক থলীৰ সৈতে আৰু দেৱীৰ যাযপুৰৰ সৈতে ।

প্ৰাচীন কালত কলিংগ, উদ্ৰদেশ আৰু উৎকল নামেৰে জনাজাত উৰিষ্যাৰ এসময়ৰ ৰাজধানী আছিল যাযপুৰ । ষষ্ঠ শতিকাত ৰজা যযাতি কেশৰীয়ে কান্যকুব্জ মহানগৰীৰ পৰা দহ হাজাৰ ব্ৰাহ্মণ আনি এটা বিশাল যজ্ঞ সম্পন্ন কৰিছিল । হয় তেওঁ বা তেওঁৰ উত্তৰাধিকাৰীসকলে এক বিশাল স্তম্ভ সাজি উলিয়াইছিল যাৰ শীৰ্ষত আছিল স্বৰ্গীয় পক্ষী আৰু ভগৱান বিষ্ণুৰ বাহন গৰুড়ৰ প্ৰতিমূৰ্তি । এই স্তম্ভটোৰেই নাম আছিল শুভ স্তম্ভ ।


শুভ স্তম্ভ

এসময়ত যাযপুৰ তান্ত্ৰিক অধ্যয়নৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হৈ উঠিছিল । ভাৰতৰ সকলো অংশৰপৰা আৰু আনকি নেপাল আৰু তিব্বতৰ দৰে

জগন্নাথ মন্দিৰ

বিদেশৰ পৰা শ শ পণ্ডিত ইয়ালৈ আহিছিল তন্ত্ৰৰ অধ্যয়ন আৰু চৰ্চাৰ বাবে । বীৰজাৰ মন্দিৰেই এই ধৰণৰ কাম-কাজবোৰৰ কেন্দ্ৰ আছিল যদিও, মূল মন্দিৰৰ আশে পাশে তান্ত্ৰিক উপাসনাৰ সৈতে সম্পৰ্ক থকা ভৈৰৱ আৰু ভৈৰৱীৰ নামত উচৰ্গিত মন্দিৰ গঢ় লৈ উঠিছিল । এই মন্দিৰবোৰ আৰু তাত থকা মূৰ্ত্তিবোৰৰ ধ্বংসাৱশেষৰপৰা এই কথাৰ প্ৰমাণ পোৱা যায় যে এই পুৰণি গৃহবোৰ আৰু ভাস্কৰ্যবোৰ ইবিলাকৰ শিল্প নৈপুণ্যৰ দিশৰপৰা অতুলনীয় আছিল ।

কিন্তু সময়ৰ গতিতেই কেৱল এই প্ৰাচীন কীৰ্ত্তিচিহ্নসমূহ নিঃশ্চিহ্ন হৈছিলনে ? নাই হোৱা । ষষ্ঠদশ শতিকাত এখন প্ৰতিবেশী ৰাজ্যৰপৰা লগত এক বৃহৎ সৈন্যদল লৈ অহা এজন বৰ্বৰে উৰিষ্যাৰ বিভিন্ন ঠাইত

থকা হাজাৰ হাজাৰ মন্দিৰ উৎখাত কৰিছিল । যাযপুৰে তেওঁৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছিল যেন লাগে । ইয়াত তেওঁ অভাৱনীয় ধ্বংসলীলা চলাই প্ৰায় প্ৰতিটো মন্দিৰেই ধ্বংস কৰিছিল আৰু বেছি ভাগ ভাস্কৰ্যই ভাঙি চিঙি চুৰমাৰ কৰিবলৈ চেষ্টা কৰিছিল । মূৰ্ত্তিবোৰ সম্পূৰ্ণৰূপে ভাঙিব নোৱাৰাত সিবিলাকৰ ৰূপ নষ্ট কৰিছিল । এইয়া আছিল অসংখ্য বৰ্বৰ অনুগামীৰ এজন উন্মাদ নেতাৰ কাম । কালাপাহাড় নামৰ এইজন উন্মাদে ৰাজকীয় স্তম্ভ, শুভ স্তম্ভৰ শীৰ্ষত থকা গৰুড়ৰ মূৰ্ত্তিটো নমাই আনিবলৈ সক্ষম হৈছিল, কিন্তু বহু চেষ্টা কৰিও তেওঁ স্তম্ভটো ভাঙি পেলাব পৰা নাছিল ।

বুৰঞ্জীবিদসকলৰ বাহিৰে, খুব কম মানুহেহে তেওঁৰ আচল নামটো মনত ৰাখিব খোজে । কালাপাহাড় নামৰ এইজন লোক আছিল বংগৰ আফগান চুলতান চুলেইমান কাৰ্ৰাণিৰ সেনাপতি ।



তেওঁ আনকি পুৰীৰ জগন্নাথ মন্দিৰত লুটপাত কৰিছিল, ভূৱেনেশ্বৰৰ অনেক সুন্দৰ কীৰ্তিচিহ্ন ধ্বংস কৰিছিল আৰু অসমলৈকে আগবাঢ়ি গুৱাহাটীৰ ওচৰত থকা বিখ্যাত কামাখ্যা দেৱীৰ মন্দিৰ আক্ৰমণ কৰিছিল। অৱশেষত, সম্ৰাট আকবৰৰ সেনাবাহিনীৰ সৈতে হোৱা এক নৌযুদ্ধত এই কালাপাহাড়ে প্ৰাণ হেৰুৱাইছিল ।

কিন্তু প্ৰচীন গৌৰৱৰ স্মৃতি এতিয়াও ধূসৰ হৈ অহা নাই । এতিয়াও আছে যজ্ঞৰ বাবে জনপ্ৰিয় থলী দশ অশ্বমেধ ঘাট, দেৱ-দেৱী আৰু ঋষি-মুনিসকলে স্নান কৰা ঘাট সপ্তৰেখা । বৈতৰণী নদীৰ পাৰত থকা বৰাহনাথ মন্দিৰ আৰু সপ্তমাতৃকা মণ্ডপে আজিও বহন কৰি আছে ইয়াৰ প্ৰাচীন ঐতিহ্য । সপ্তমাতৃকা বা সাতগৰাকী আৰাধ্য দেৱী হ'ল : ঐৰাৱতাধীৰুধা, সুবেচা, সালাংকাৰ, বজ্ৰহস্ত ইন্দ্ৰানী, গৰুড়চনা শান্তহস্ত বৈষ্ণৱী, বৃহৰুধ ত্ৰিশূল-বৰাধাৰিণী, চন্দ্ৰৰেখা বিভূষণ মহেশ্বৰী, শিখিবাহন কান্তাৰূপা কৌমাৰী, হংসপুস্থ চচম'ৰুধ সৰ্বভাৰণভূষিতা ব্ৰাহ্মণী, মহিষাচান বৰাহঅৱদানা বৰাহী আৰু নাগনন্দেহা সৰ্প-

নৃত্যৰত চামুণ্ডা : ভৈৰৱ

ভূচিতাকা-বাৰী মুণ্ডমালিনী ভীষণ চামুণ্ডা। আৰাধ্য দেৱীসকলৰ নামেই প্ৰমাণ দাঙি ধৰে যোগ আৰু তন্ত্ৰ পৰম্পৰাৰ কথা। তাৰোপৰি, নাম-বোৰত থকা অলংকাৰ লক্ষ্যনীয়।

দেৱী বিৰজাৰ অলৌকিক আভাৰ পৰা ওলাইছিল আন বহুতো আৰাধ্য দেৱী, যেনে, নৱদুৰ্গা (দেৱী দুৰ্গাৰ নটা ৰূপ), অষ্টচাণ্ডি (দেৱী চাণ্ডিৰ আঠটা ৰূপ), আৰু ৬৪ গৰাকী যোগিনী বা উপদেৱী। এঁওলোক প্ৰত্যেকৰে বাবে আছিল পৃথক মন্দিৰ।

ত্ৰিলোচনেশ্বৰ মন্দিৰ

বহু শতিকা ধৰি চলি অহা এটা কিংবদন্তি অনুসাৰে 'অগ্নিস্বৰ' নামেৰে প্ৰসিদ্ধ ভগৱান শিৱৰ চিহ্নই প্ৰতিদিনে ইয়াৰ বৰণ সলনি কৰে। এই ঘটনা স্বচক্ষে দেখা বুলি দাবী কৰা মানুহো আছে।

তন্ত্ৰই প্ৰভুত্ব বিস্তাৰ কৰা এই যুগৰ অৱসানৰ লগে লগে আৰম্ভ হয় বৌদ্ধ প্ৰভাৱৰ কাহিনি পুৰা। যাযপুৰৰ পৰা এমাইলমান দূৰত থকা তিনিটা পাহাৰত আছে অনেক বৌদ্ধ কীৰ্তিচিহ্ন। এই তিনিটা পাহাৰৰ নাম উদয়গিৰি, ললিতগিৰি আৰু ৰত্নাগিৰি। বিখ্যাত চীনা পৰিব্ৰাজক হিউৱেনচাঙে এই ঠাইৰ নাম পুষ্পগিৰি বুলি উল্লেখ কৰিছে। এই ঠাইক

উদয়গিৰি মঠ

উৰিষ্যাৰ নালন্দা বুলিব পাৰি । ইয়াৰে এটা পাহাৰত আছে এটা স্তূপৰ প্লেটফৰ্ম । এই প্লেটফৰ্ম ভাঙি পৰাত বুদ্ধৰ পবিত্ৰ পূতাভিজ্ঞান পোৱা গৈছিল এটা বাকচত । এই বাকচটো এতিয়া চৰকাৰৰ সুৰক্ষিত দায়িত্বত আছে । এই পাহাৰবোৰ পোৱা গৈছে বৌদ্ধ কাহিনী বৰ্ণনা কৰা অসংখ্য ভাস্কৰ্য আৰু বুদ্ধৰ মূৰ্ত্তি । খননকাৰ্যই দেখুৱাইছে যে ধ্যান আৰু অনুশোচনাৰ ঠাই হিচাপে জনাজাত হোৱাৰ বাহিৰেও এই ঠাই আছিল বিদ্যা আৰু সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ । হাজাৰ হাজাৰ ছাত্ৰৰ বাবে ইয়াত আবাসিক সা-সুবিধা আছিল । সন্দেহ নাই, ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰা যাযপুৰ আৰু বৌদ্ধ অনুষ্ঠানসমূহৰ মাজত ভাবৰ আদান প্ৰদান হৈছিল । যাযপুৰত থকা বৌদ্ধ মূৰ্ত্তিসমূহৰ উপস্থিতিৰ কাৰণো এইটোৱেই । এটা সময়ত বৌদ্ধ ৰীতিৰ সংযোগ ঘটিছিল তান্ত্ৰিক ৰীতি

আৰু সেই সময়ৰ লুক্কায়িত পৰম্পৰাৰ সৈতে। স্বাভাৱিকতে যাযপুৰ নতুন পৰীক্ষা নিৰীক্ষাৰ কেন্দ্ৰ হৈ উঠিছিল । আনকি আৰাধ্য দেৱ-দেৱীৰ নতুন মৌলিক প্ৰকাশো পৰিলক্ষিত হৈছিল । এই নতুন প্ৰকাশৰ আঁৰৰ দৰ্শন এতিয়া হেৰাই গৈছে । উদাহৰণস্বৰূপে, এজন বুৰঞ্জীবিদ গৰাচান্দ পাটনায়কৰ মতে, “যাযপুৰ চহৰৰ হনুমানেশ্বৰ মন্দিৰৰ বাহিৰৰ বেৰত লগাই থোৱা মহিষামৰ্দিনীৰ মূৰ্ত্তি একেবাৰে বেলেগ ধৰণৰ আছিল...ইয়াত দেৱীক দেখুৱা হৈছে আঠখন বাহুৰে সৈতে, ওপৰৰ বাঁওহাতেৰে অসুৰৰ কান্ধত হেঁচা মাৰি ধৰা অৱস্থাত আৰু ওপৰৰ সোহাঁতেৰে অসুৰৰ দেহত ত্ৰিশূল বহুৱাই দিয়া অৱস্থাত । আন কেইখন হাতত আছে, বিভিন্ন অস্ত্ৰ, যেনে তৰোৱাল, চক্ৰ, ঢাল, ধনু আৰু কাড়, আৰু সাপ ; ইয়াৰে সাপটোৱে কামুৰি আছে অসুৰক। অসুৰক দেখুৱা

ৰত্নগিৰি

হৈছে মহিষৰ মূৰ থকা এজন মানুহৰ ৰূপত। দেৱীৰ বাহন সিংহই আক্ৰমণ কৰিছে অসুৰক।"

প্ৰফেচাৰ ড'নাল্ডচনৰ উদ্ধৃতি আকৌ দিব পাৰি। যাযপুৰৰ পৰা সাত মাইল উত্তৰে থকা খাদিপাড়াত আৱিষ্কৃত হৈছে বহুতো বিশাল বৌদ্ধ মূৰ্ত্তি আৰু যাযপুৰৰ সীমাৰ ভিতৰতে আৱিষ্কাৰ কৰিব পৰা গৈছে উৰিষ্যাৰ বৌদ্ধ মূৰ্ত্তিবোৰৰ ভিতৰত সৰ্ববৃহৎ বোধিসত্ত্ব পদ্মপানিৰ ভগা মূৰ্ত্তি, ভৰি আৰু আধাৰ বাদ দিয়েই এই মূৰ্ত্তিৰ উচ্চতা যোল্ল ফুট। মহাযান আৰু বজ্ৰায়ন (তান্ত্ৰিক) বৌদ্ধধৰ্মৰ কেন্দ্ৰ হিচাপে যাযপুৰৰ গুৰুত্বৰ প্ৰমাণ পোৱা গৈছে বৈতৰণী নদীৰ পাৰতে থকা চ'লামপুৰত য'ত সিঁচৰতি হৈ আছে মুঠ পঁচিশটা ভাস্কৰ্য।

প্ৰফেচাৰে শেহত কৈছে, "মুঠতে ক'বলৈ গ'লে যাযপুৰৰ মন্দিৰ আৰু স্মৃতিচিহ্নৰ নিৰ্বিচাৰ ধ্বংসকাৰ্য সত্ত্বেও উৰিষ্যাৰ সবাতোকৈ ডাঙৰ আৰু সবাতোকৈ সুন্দৰ মূৰ্ত্তিবোৰকে ধৰি বাচি যোৱা ভাস্কৰ্যসমূহে এই মহানগৰৰ প্ৰাচীন গুৰুত্ব আৰু শক্তিবাদ আৰু দেৱী উপাসনাৰ প্ৰধান ক্ষেত্ৰ হিচাপে থকা ইয়াৰ খ্যাতিৰ নিৰ্ভুল স্বাক্ষৰ বহন কৰে।"

উৎসৱসমূহ >>>>>>>

বৰুণী উৎসৱ

বৰুণী যাযপুৰৰ এটা গুৰুত্বপূৰ্ণ উৎসৱ যিদিনা লাখ লাখ ভক্তই বৈতৰণীত পূতঃস্নান কৰে । এই উৎসৱ তিনি প্ৰকাৰৰ । চ'ত মাহৰ (মাৰ্চ-এপ্ৰিল) এয়োদশ দিনটো বৰুণৰ লগ লাগিলে সেই দিনটোক কোৱা হয় বৰুণী । যদিহে বৰুণী এটা শনিবাৰত পৰে তেন্তে দিনটোক কোৱা হয় মহা বৰুণী। আকৌ দিনটো বা ৰাতিটোৰ কোনো এটা পবিত্ৰ সময়ত মহা বৰুণী পৰিলে তাক কোৱা হয় মহা মহা বৰুণী । সেই সময়ত নদীত স্নান কৰিলে এজন ভক্ত সকলো পাপৰ পৰা মুক্ত হয় বুলি বিশ্বাস কৰা হয় ।

ত্ৰিবেণী অমাৱস্যা

মাঘ মাহত (জানুৱাৰী-ফেব্ৰুৱাৰী) এই ত্ৰিবেণী অমাৱস্যা দেৱী বিৰজাৰ জন্মদিন হিচাপে পালন কৰা হয় । দেৱীক সাৱিত্ৰীৰ বেশভূষাৰে সজাই-পৰাই তোলা হয় আৰু গায়ত্ৰী মন্ত্ৰ জপ কৰি দেৱীক আৰাধনা কৰা হয় ।

ৰথ যাত্ৰা

আহিন মাহৰ (চেপ্তেম্বৰ-অক্টোবৰ) শুক্লপক্ষৰ প্ৰথম দিনাৰে পৰা আৰম্ভ হৈ ন দিন ধৰি চলা দেৱী বিৰজাৰ ৰথ যাত্ৰা এটা অনন্য উৎসৱ । বিৰজাৰ এটি প্ৰতিনিধিত্বমূলক মূৰ্ত্তি এখন সুশোভিত ৰথত বহুৱাই শোভাযাত্ৰা কৰি লৈ যোৱা হয় । এডাল 'দণ্ড' (ৰূপ আৰু অলংকাৰেৰে সুশোভিত কাঠৰ টুকুৰা) ৰথখনত স্থাপন কৰ হয় ।

এই দণ্ড দেৱী স্তম্ভেশ্বৰীৰ মূল ৰূপ বুলি বিশ্বাস কৰা হয় । নটা দিনৰ প্ৰতিদিনেই ৰথখনে মন্দিৰটো প্ৰদক্ষিণ কৰে । শেষৰ দিনা (মহা নৱমী) মাজনিশা, মন্দিৰৰ উত্তৰ পূব চকুত থকা আৰু লাখবিন্ধা পাদিয়া নামেৰে জনাজাত নৰপদত লাখবিন্ধা উৎসৱ পালন কৰা হয় ।

দেৱীৰ লগত যোৱা পুৰোহিতসকলে চাৰিটা দিশত চাৰিপাত কাড় এৰি দিয়ে । তাৰ পিছত দেৱীক নিশাৰ আন্ধাৰত মন্দিৰলৈ লৈ অনা হয় আৰু মন্দিৰৰ দুৱাৰ বন্ধ কৰি দিয়া হয় । বিশ্বাস কৰা হয় যে কোনোবাই যদি ৰথত বিৰজাক দেখা পায় তেন্তে তেওঁ সকলো পাপ আৰু পুনৰজনমৰ পৰা মুক্তি পায় ।

যাযপুৰৰ আশে-পাশে >>>>>>>



চাটিয়া

ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে ব্ৰহ্মাণ্ডৰ ভগৱানক আৰাধনা কৰা হোৱা তীৰ্থস্থানসমূহৰ ভিতৰত চাটিয়া মন্দিৰ অন্যতম । এই মন্দিৰৰ অন্যতম বৈশিষ্ট্য হ'ল প্ৰভু জগন্নাথৰ কাষতে বহি থকা দেৱী সুভদ্ৰাৰ দৃশ্যটো ।

অশোকঝৰ

মহাগিৰি পাহাৰৰ শ্যামল অৰণ্যৰ মাজত অৱস্থিত অশোকঝৰ ইয়াৰ অনুপম প্ৰাকৃতিক শোভাৰ বাবে বিখ্যাত । এই ঠাইৰ আৰাধ্য দেৱতা, ভগৱান অশোকেশ্বৰৰ নামেৰে নামকৰণ হোৱা এই ঠাই বনভোজ আৰু আমোদ ভ্ৰমণৰ বাবে অতি জনপ্ৰিয় ।

চান্দিখোল

বাবা ভৈৰৱানন্দৰ আশ্ৰমৰ পিছফালে থকা এই অনুপম পাহাৰ ইয়াৰ স্বাস্থ্যকৰ জলবায়ু আৰু বাৰমাহে পানী থকা জুৰিসমূহৰ বাবে বিখ্যাত। সপ্তাহৰ শেষত বনভোজ আৰু প্ৰমোদ ভ্ৰমণৰ বাবে আদৰ্শ ঠাই ।

মাল্লাপল

ভগৱান লিঙ্গেশ্বৰৰ মন্দিৰৰ বাবে বিখ্যাত । শাৰীৰিক অসুস্থতাৰ পৰা মুক্তি বিচাৰি দৈনিক শ শ ভক্ত ইয়ালৈ আহে ।

ব্যাসসৰোবৰ

মহান ঋষি ব্যাসদেৱৰ স্মৃতিত নামকৰণ হোৱা ব্যাসসৰোবৰ উৰিষ্যাৰ পবিত্ৰ স্থানসমূহৰ ভিতৰত অন্যতম । ব্যাসদেৱ আৰু বাঘৰজী গোঁসাই বা বাঘৰ দাসক ইয়াত আৰাধনা কৰা হয় । ব্যাসসৰোবৰৰ সৈতে অনেক কিংবদন্তি জড়িত হৈ আছে । নিজৰ জীৱন ৰক্ষা কৰিবলৈ দুৰ্যোধন ইয়াতে আহি হেনো লুকাই আছিল । প্ৰতিবছৰে মাঘ শুক্ল একাদশীৰ পৰা এসপ্তাহ ধৰি ইয়াত এক মেলাৰ আয়োজন কৰা হয় । জগন্নাথ মন্দিৰ, ব্যাসদেৱৰ তপোবন আৰু সৰোবৰৰ পাৰত থকা গুপ্ত গংগা তীৰ্থযাত্ৰীসকলৰ বাবে প্ৰধান আকৰ্ষণৰ উৎস ।

গোকাৰনিকা

গোকাৰনেশ্বৰ মহাদেৱৰ মন্দিৰৰ বাবে বিখ্যাত এই গোকাৰনিকা জাৰকৰ ওচৰত ৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ব্ৰাহ্মণী নদীৰ পাৰত অৱস্থিত। বনভোজৰ বাবে এখন আদৰ্শ ঠাই ।

মহাবিনায়ক

চাণ্ডিখোলৰ ওচৰত থকা মহাবিনায়কত একেটা লিংগমৰ ওপৰতে আছে পাঁচজন দেৱতাৰ মূৰ । ইয়াত গণপতিক আৰাধনা কৰা হয় ।

ৰত্নগিৰি-ললিতগিৰি-উদয়গিৰি

এই তিনিটা পাহাৰ আৰু সিহঁতৰ কেউকাষে আছে অন্যতম বৌদ্ধ কীৰ্ত্তিস্থান । চীনা পৰ্যটক হিউৱেনচাঙে ইয়াতেই অতি আগবঢ়া বৌদ্ধ বিশ্ববিদ্যালয় পুষ্পগিৰি আছিল বুলি মন্তব্য কৰিছে ।

ঠাইখনৰ প্ৰাচীন ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা ইটাৰে নিৰ্মিত পেগোডা, ভাস্কৰ্য থকা শিলৰ সিংহদ্বাৰ আৰু নিগূঢ় বুদ্ধৰ মূৰ্ত্তি খনন কাৰ্যত পোৱা গৈছে । ৰত্নগিৰি আছিল এই চৌহদৰ ৰত্ন স্বৰূপ । বৌদ্ধ বিহাৰৰ অপূৰ্ব খাজকটা দ্বাৰপাৰ্শ্ব আৰু অভাৱনীয় শিল্প নিপুণতাৰে শেষ কৰা বুদ্ধ মূৰ্ত্তিবোৰ সম্ভৱতঃ গুপ্ত যুগৰ পাছৰ বৌদ্ধ ভাস্কৰ্যৰ সবাতোকৈ বিশিষ্ট চানেকি ।

যাযপুৰলৈ কেনেকৈ যাব পাৰি >>>>

- আটাইতকৈ ওচৰৰ বিমানবন্দৰটো আছে ভূৱনেশ্বৰত-১২০ কি.মি.
- আটাইতকৈ ওচৰৰ ৰেল সংযোগটো হ'ল ক'লকাতা চেন্নাই লাইনৰ যাযপুৰ-কিঅ'নঝাৰ পথ--৩৫ কি.মি.
- যিকোনো বতৰতে গাড়ী লৈ যাব পৰা পথৰদ্বাৰা যাযপুৰ--কটক, ভূৱনেশ্বৰ, আৰু ক'লকাতাৰ সৈতে সংলগ্ন । নিয়মীয়া বাচ সেৱাও আছে ।

থকাৰ সুবিধা >>>>>>

- বিৰজা পান্থশালা (উৰিষ্যা পৰ্যটন)
  টেলিফোন : ০৬৭২৮-২২২০২৯
- মন'ৰিলাচ ল'জ
  টেলিফোন : ০৬৭২৮-২২২১৩৪
- হোটেল সত্য
  টেলিফোন : ০৬৭২৮-২২৩৭৫১
- হোটেল আশ্রয়
  টেলিফোন : ০৬৭২৮-২২৪২৪৩

সহায়ৰ বাবে, ফোন কৰক বিৰজা পান্থশালা : যাযপুৰ (০৬৭২৮-২২২০২৯) পৰ্যটক কেন্দ্ৰ, জে.কে. ৰোড (০৬৭২৮-২২০২৪২), পৰ্যটক কাউন্টাৰ, কটক ৰেল ষ্টেশ্যন (০৬৭১-২৬২০৫০৭), আৰু পৰ্যটক অফিচ, কটক (০৬৭১-২৩১২২২৫)

Raghurajpur:
A Legacy of Creativity

10kms from Puri and 50 kms from Bhubaneswar stands Raghurajpur - the simple but highly acclaimed coconut-palm- shaded village... Silent like the gentle dew that falls in the morning, the art of patachitra, revitalised from family sketch - books, has been handed down from generation to generation. This idyllic village, by the southern bank of river Bhargavi, is a rare village in India, where each family is engaged in the profession of preparing some handicraft or other... be it pata painting, ganjapa, palm leaf engravings, stone carvings, wood carvings or be it tusser painting. Many of the saviours of this art have been honoured by National Awards.

A living museum of art, tourists can see the artists, ceaselessly at work . The deft fingers of the master craftsmen aided by their family members work on this fascinating and communicative form of art.

So... it's time to lose yourself in the real Indian village of creativity and wander in the elegant pastures of Aestheticism and Art, of course, with a capital "A".

Explore
ORISSA
The soul of India

For more information contact: Director, Tourism; Paryatan Bhavan Bhubaneswar-751014, Orissa, India, Tel: (0674) 2432177, Fax: (0674) 2430887 e.mail:ortour@sancharnet.in, website:www.orissa-tourism.com

Tourist Offices; **Chennai:** Tamilnadu Tourism Complex, Ground Floor Near Kalaivanar Arangam, Wallajah Road, Chennai - 600002, Ph: (044) 25360891

Kolkata: Utkal Bhawan 55, Lenin Sarani, Pin-700013, Tel: (033) 22443653

New Delhi: Utkalika, B/4 Baba Kharak Singh Marg, Pin - 110001, Telefax (011) 23364580

ORISSA TOURISM

Touch Orissa to feel India

Feel the pulse of Orissa... and you will hear the throb of India. In diversity lies the unity of the age-old traditions. The " Rath Yatra " of Lord Jagannath transcending the boundaries of the nation is now a universal sensation. The teeming millions, with hearts full of devotion, the throbbing drums, the frenzied cymbals, the roar of the crowds, the chanting of the priests.... that is India for you, and of course, her immortal tradition. Orissa has the pride of preserving and protecting its simple and arcadian past by cradling under her wings 62 distinct tribal groups.... complete, with their indigenous customs, rhythms of dance, beliefs and traditional festivals. Orissa's ancient art and craft have its strong tribal traditions kept ablaze in the new Millennium. Applique in Orissa is an old temple-art that brings about a marriage of technicolours on cloth. Cross-cultural influences are seen in the silver and breath-taking renditions of silver-craft which leave the viewers breathless.

Stroll into Orissa and walk hand in hand with the tradition of India.



Tradition

Explore
ORISSA
The soul of India

For more information contact: Director, Tourism, Paryatan Bhavan, Bhubaneswar-751014 Orissa, India, Tel: (0674) 2432177, Fax: (0674) [illegible], e.mail:ortour@sancharnet.in website:www.orissa-tourism.com, Tourist Offices at; **Chennai:** Tamilnadu Tourism Complex Ground Floor, Near Kalaivanar Arangam, , Wallajah Road, Chennai - 600002 Ph: (044) 25360891, **Kolkata**: Utkal Bhawan 55, Lenin Sarani Pin-700013, Tel: (033) 22443653, **New Delhi:** Utkalika, B/4 Baba Kharak Singh Marg Pin - 110001, Telefax (011) 23364580

ORISSA TOURISM

তামিলনাডুৰ এটা লোককথা

মূৰৰ ঘাম মাটিত পেলাই পোৱা সম্পদ

এয়া এজন ব্ৰাহ্মণৰ কাহিনী যি কেৱল ৰজাই নিজৰ পৰিশ্ৰমেৰে উপাৰ্জন কৰা বস্তুহে গ্ৰহণ কৰিছিল, ৰাজঁভৰালৰ কোনো বস্তু গ্ৰহণ কৰা নাছিল ।

ৰজা বৰ দানী স্বভাৱৰ আছিল আৰু তেওঁ কেতিয়াও ভিক্ষা বিচাৰি যোৱা কাৰোবাক বিমুখ নকৰিছিল । তেওঁ যোগ্যজনক দান কৰা পুৰস্কাৰসমূহ আৰু বঁটা সমূহৰ কথা নকলোৱেইবা । তাৰ উপৰি তেওঁৰ ওচৰলৈ যোৱা দুখীয়া প্ৰজাসকলৰ মোনা ভৰাই দান কৰা কপোৰ কানি আৰু খোৱাবস্তুবোৰ আছেই ।

সেয়া আছিল নৱবৰ্ষৰ দিন । উৎসৱৰ শেষত, ৰজাৰ ওচৰত প্ৰজাসকলে ৰাজকীয় উপহাৰৰ বাবে শাৰী পাতিলে । কোনোৱেই হতাশ হৈ ঘূৰি যাব লগা নহ'ল । সকলোৱে বিদায় লোৱাৰ পিছত ৰজাই দেখা পালে যে দৰিদ্ৰ যেনো নলগা অথচ চহকীও নহয় তেনে বেশভূষাৰে এজন ব্ৰাহ্মণ ধৈৰ্য সহকাৰে তেওঁৰ পাল পৰালৈ ৰৈ আছে । তেতিয়াও এদম মান উপহাৰ নিবিলিৰোকৈয়ে আছে ।

ৰজাই, সুধিলে, "দেউ, কওকচোন, আপোনাক মই কি দিম ? কাপোৰ ? খাদ্য ? নে এডাল মুকুতাৰ মালা ?"

"সেইবোৰ একো নালাগে মহাৰাজ ।" তেওঁ আকৌ সুধিলে, "হে ৰাজন, আপুনি কপালৰ ঘাম মাটিত পেলাই অৰ্জন কৰা কিবা বস্তু আছেনে ? মই কেৱল তাকেইহে গ্ৰহণ কৰিম, কেৱল তাকেইহে ।"

ৰজা সঁচাকৈয়ে স্তম্ভিত হ'ল । তেওঁ আনকি এক মুহূৰ্তৰ বাবেও নাভাবিলে যে এইটো ব্ৰাহ্মণজনৰ পক্ষে ধৃষ্টতা হৈছে । অৱশ্যে, তেওঁ ভাবিলে যে ব্ৰাহ্মণজনৰ কথাত কিছু পৰিমাণে সত্যতা আছে । কাষতে থকা উপহাৰৰ এমটোলৈ তেওঁ চালে । তাৰে এটাও বস্তু তেওঁৰ কষ্টোপাৰ্জিত ধনেৰে গোটোৱা নহয় ।

প্ৰজাই কৰ হিচাবে দিয়া ধনেৰে গঠিত ৰাজকোষৰ পৰাই তেওঁ এইবোৰ গোটাইছে। "দেউ, ইয়াত এনেকুৱা একোৱেই নাই যিটো মই মোৰ কষ্টোপাৰ্জিত বুলি ক'ব পাৰো । তথাপিও মই আপোনাক সন্মুখত দেখা যিকোনো এটা বস্তু যাচিছোঁ । সেয়া

আপোনাৰ পাণ্ডিত্য আৰু আপুনি আহৰণ কৰা জ্ঞানৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু স্বীকৃতি হিচাৰে আপোনাৰ লগত থাকিব । আপুনি কেৱল বস্তুটোৰ নাম কওক আৰু লওক ।"

ব্ৰাহ্মণজনে বিশেষ একো নভবাকৈ উত্তৰ দিলে ! "নহয়, মহাৰাজ, সেইবোৰৰ একোৱেই মই স্পৰ্শ নকৰো । মই কেৱল যিটো উচিত আৰু মোৰ প্ৰাপ্য সেইটোহে গ্ৰহণ কৰিম ।"

ৰজাই চিন্তা কৰিলে যে যদি এনে এটা উৎসৱমুখৰ পৰিবেশত মানুহজনক খালী হাতে যাবলৈ দিয়া হয় তেন্তে তেওঁৰ বাবে সেইটো বৰ লজ্জাজনক কথা হ'ব । তেওঁ ঠিক কৰিলে যে এই ব্ৰাহ্মণজনক সন্তুষ্ট

কৰিবলৈ তেওঁ যথাসাধ্যে চেষ্টা কৰিব । কিন্তু তাৰ বাবে তেওঁক যথেষ্ট সময় লাগিব । "ঠিক আছে, দেউ, আপুনি কাইলৈ আহক আৰু মই কষ্টেৰে অৰ্জন কৰা কিবা এটা বস্তু মই আপোনাক দিম ।"

ব্ৰাহ্মণজনে মিচিকিয়া হাঁহি মাৰি মূৰ দোঁৱাই তাৰ পৰা গুচি গ'ল । ৰজাই অন্তেষপুৰলৈ আহিল আৰু সাধাৰণ কাপোৰ কানি পিন্ধি ওলাই আহিল । তেওঁ চেন্দেল খুলি থ'লে আৰু অকলশৰে কাম বিচাৰি ওলাল । তেওঁ নিজে কৰিব পৰা কাম আছে নেকি আৰু ধন উপাৰ্জন কৰিব পাৰি নেকি সন্ধান কৰিব ধৰিলে । কিন্তু হায় ! কোনেও তেওঁক কাম দিব নোৱাৰিলে ।

অৱশেষত তেওঁ সাগৰ তীৰ পালেগৈ । তাত কিছুমান মাছমৰীয়াই তেওঁলোকৰ জালবোৰ লৈ সাজু হৈছিল । তেওঁ মাছ মৰাত সহায় কৰিব খুজিলে কিন্তু তেওঁলোকে তেওঁৰ সহায় প্ৰত্যাখ্যান কৰিলে । তেওঁ তেতিয়া এজন মাছমৰীয়াৰ ওচৰলৈ গৈ অনুৰোধ কৰিলে । মাছমৰীয়া জনৰ ফটা কাপোৰ-কানি পিন্ধি থকা ৰজালৈ পুতৌ উপজিল আৰু ক'লে, "আপুনি এটা ডাঙৰ মাছৰ বাবে এটা তামৰ মুদ্ৰা আৰু এটা সৰু মাছৰ কাৰণে এটা কড়ি গ্ৰহণ কৰিবনে ?

ৰজাৰ এই চৰ্ত মানি লোৱাৰ বাহিৰে কোনো উপায় নাছিল আৰু জালখন ধৰি পানীৰ মাজলৈ আগবাঢ়ি গ'ল আৰু জালখন নিক্ষেপ কৰিলে । তেওঁ তাত বহু সময় ধৰি থিয় দি থাকিল আৰু অৱশেষত জালখন চপালে । ভাগ্য ভাল যে তাত এটা ডাঙৰ মাছ আৰু এটা সৰু মাছ আছিল । তেওঁ

জানিছিল যে তেওঁৰ মাছ মৰাৰ কোনো অভিজ্ঞতা নাই । আৰু আনকি যদি তেওঁ গোটেই ৰাতি তাতে কটাবও লাগে তেওঁ তাতকৈ বেছি একো কৰিব নোৱাৰে । সেয়ে, তেওঁ মাছমৰীয়া জনৰ ওচৰলৈ ঘূৰি আহিল। তেওঁ ৰজাৰ বাবে অপেক্ষা কৰি আছিল । তেওঁ ৰজালৈ চাই হাহিলে আৰু এটা তামৰ মুদ্ৰা আৰু এটা কড়ি আগতে কথা দিয়া মতেই ৰজাক দিলে ।

ৰজাই তেওঁক ধন্যবাদ জনালে আৰু ৰাজপ্ৰাসাদলৈ ঘূৰি আহিল আৰু গোটেই ৰাতি পহৰা দি পুৱালৈ জিৰণি লোৱা ৰখীয়া বোৰে কোনেও নেদেখাকৈ ভিতৰ সোমাল। যেতিয়া ৰাজসভা আৰম্ভ হ'ল, ৰজাই দেখিলে যে সেই ব্ৰাহ্মণজনে নিজৰ পাল পৰালৈ বাট চাই আছে ।

"দেউ, যোৱাৰাতি মই বহুত কষ্ট কৰিলো আৰু এটা তামৰ মুদ্ৰা আৰু এটা কড়ি মোৰ পাৰিশ্ৰমিক হিচাবে পালো । সেয়া আপুনি গ্ৰহণ কৰিব পাৰে কিন্তু তথাপি মই মোৰ ৰাজকোষৰ পৰা আপোনাক কিবা এটা যাচিব খোজো । অনুগ্ৰহ কৰি বিনাদ্বিধাই কওক ।"

"নাই, মহাৰাজ, মই সেইবোৰ একো ল'ব নোখোজো কিয়নো ন্যায়সঙ্গত ভাবে সেইবোৰ প্ৰজাৰ ।" ব্ৰাহ্মণজনে উত্তৰ দিলে। "কিন্তু আপুনি পৰিশ্ৰম কৰি ঘটা যিকোনো বস্তুকে আনন্দেৰে গ্ৰহণ কৰিম । মই এই তামৰ মুদ্ৰা আৰু কড়ি গ্ৰহণ কৰিব পাৰোনে?"

ৰজাই ততালিকে সেয়া উলিয়াই ব্ৰাহ্মণজনৰ হাতত দিলে । ব্ৰাহ্মণজনে ৰজাক অশেষ ধন্যবাদ জনালে, এয়া আপুনি অশেষ কষ্ট কৰি লাভ কৰিছে সেয়েহে এয়া মোৰ

বাবে অতি মূল্যবান । মুখত এটা পৰম সন্তুষ্টিৰ হাঁহি মাৰি ব্ৰাহ্মণজনে ঘৰলৈ বুলি খোজ ল'লে ।

তেওঁৰ পত্নীয়ে দুদিনৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে ৰাজপ্ৰাসাদলৈ যোৱা স্বামী ঘূৰি অহালৈ আগ্ৰহেৰে বাট চাই আছিল । তেওঁ ভাবিছিল যে তেওঁৰ স্বামীয়ে বহুতো টকা-পইচাৰ উপৰিও আৰু বহুতো মূল্যবান উপহাৰ লৈ আহিব । "তুমি কি আনিছা ?" স্বামীৰ মুখত হাঁহি দেখি তেওঁ আশাৰে সুধিলে ।

"কবলৈ গ'লে অতি মূল্যবান বস্তু এটা," ব্ৰাহ্মণজনে ক'লে, লগতে ক'লে, "যিটো বস্তু বোধকৰো এই ৰাজ্যত কেনেও ৰজাৰপৰা লাভ কৰা নাই ।"

"মোক দেখুওৱাচোন অনুগ্ৰহ কৰি," ব্ৰাহ্মণজনৰ পত্নীয়ে স্বামীৰ হাতৰ মুঠিলৈ চাই

কুটুৰিবলৈ ধৰিলে ।

ব্ৰাহ্মণজনে তেওঁৰ কপোৰৰ মাজৰ পৰা তামৰ মুদ্ৰা আৰু কড়িটো উলিয়াই পত্নীৰ হাতত দিলে । "এয়া ৰজাই কষ্ট কৰি উপাৰ্জন কৰা বস্তু । এয়া তেওঁৰ ৰাজভঁৰালৰ আ-অলঙ্কাৰ বা মূল্যৱান পাথৰ বা সোণৰ মুদ্ৰাবোৰতকৈ বহুগুণে মূল্যৱান । কিন্তু সেইবোৰ সকলো তেওঁ প্ৰজাৰ পৰা পোৱা । পাৰ্থক্য কেৱল সেয়াই ।"

"ফু: !" ব্ৰাহ্মণ পত্নীয়ে চিঞৰি উঠিল । তামৰ মুদ্ৰা আৰু কড়ি কোনে বিচাৰিছে ? আৰু তুমি সেই দুটাকে মূল্যৱান বুলি ক'বলৈ আহিছা ! তোমাৰ হৈছে কি ?" তেওঁ তামৰ মুদ্ৰটো আৰু কড়িটো বাহিৰলৈ পেলাই দিলে আৰু সেই দুটা গৈ তেওঁলোকৰ সাধাৰণ যেন লগা ঘৰৰ আগৰ মুকলি চোতালত পৰিলগৈ।

ব্ৰাহ্মণজন নিমাতে থাকিল কাৰণ তেওঁ পত্নীৰ লগত এখন কাজিয়া লাগি ল'ব নুখুজিছিল । তেওঁ নিৰৱে নিজৰ দৈনন্দিন কাম-কাজ কৰি গ'ল । আৰু তেওঁৰ পত্নীয়েও নিজৰ কাম-কাজ কৰি গ'ল । দুয়োজনে সোনকালেই মুদ্ৰা আৰু কড়িটোৰ কথা পাহৰি গ'ল আৰু শুবলৈ গ'ল ।

পিছদিনা যেতিয়া পুৱা তেওঁলোকে সাৰ পালে তেওঁলোকে কি দেখা পালে ? চোতালৰ যি ঠাইত তামৰ মুদ্ৰাটো পৰিছিল সেই ঠাইত এজোপা সোণৰ গছ হৈছে আৰু তাত ফলৰ দৰে সোণৰ মুদ্ৰা ওলমি আছে । আৰু য'ত কড়িটো পৰিছিল তাত এজোপা ৰূপৰ গছ হৈছে আৰু ডাল ভৰি-ভৰি ৰূপৰ মুদ্ৰা লাগিছে ।

তেওঁলোকৰ আনন্দই নধৰা হ'ল আৰু আত্মহাৰা হৈ তেওঁলোকে মুদ্ৰাবোৰ বুটলিবলৈ ধৰিলে । ব্ৰাহ্মণজনে ওলাই গৈ সেইবোৰ এজন সোণাৰীৰ ওচৰত পইচাৰ লগত সলাই ল'লে । "মই তোমাক নকৈছিলোনে এতিয়ালৈকে ৰজাৰ পৰা এনেকুৱা উপহাৰ কোনেও পোৱা নাই বুলি," ব্ৰাহ্মণজনে ক'লে । তেওঁৰ পত্নীয়ে দোষীভাৱেৰে ক'লে, "মই দুখীত, মই তামৰ মুদ্ৰা আৰু কড়িটো ঘৃণা কৰিছিলো ।"

তেতিয়াৰ পৰা ব্ৰাহ্মণজন আৰু তেওঁৰ পত্নীয়ে একোৰে অভাৱ অনুভৱ নকৰা হ'ল আৰু লাহে-লাহে তেওঁলোক এক ধনী দম্পতী হৈ পৰিল । তেওঁলোকে এটা সুখী আৰু সন্তুষ্টিৰ জীৱন কটাবলৈ ধৰিলে ।

অযথাই খৰখেদা

বীৰু আছিল ৰম্ভাৰ একমাত্ৰ পুতেক । যিটো ব্যৱসায় এৰি দেউতাক স্বৰ্গগামী হৈছিল সেইটো ব্যৱসায়কে বীৰুৱে দায়িত্বৰে আৰু সতৰ্কতাৰে চোৱাচিতা কৰি আছিল । এদিন ভাত ৰান্ধি থাকোতে বম্ভাই পুতেক বিষ্ণুক ক'লে, "এইবাৰ বিহুত দেউতাৰৰ নলেগলে লগা বন্ধু ৰত্নকান্ত তেওঁৰ ছোৱালীজনীক লৈ আমাৰ ঘৰলৈ অহা কথা আছে ।"

"ৰত্নকান্ত ! মই নামটো আগতে শুনা যেন লাগিছে ।" আচৰিত হৈ বীৰুৱে ক'লে । মাকেও সন্মতিৰে মূৰ দুপিয়াই ক'লে, "অঁ, তোৰ জন্মৰ আগতে আমি একেটা ঘৰতে আছিলো । আমাৰ দুয়োৰে মাজত বৰ মিলাপ্ৰীতি আছিল । মোৰ বাবে তেওঁ মোৰ নিজৰ ভাইৰ দৰে আছিল আৰু তেওঁ মোক বায়েকৰ সন্মান দিছিল । তোৰ দেউতাৰ আৰু তেওঁৰ প্ৰগাঢ় বন্ধুত্ব আছিল । মানুহে এই প্ৰগাঢ় বন্ধুত্বৰ বাবে তেওঁলোক দুয়োকে ভূয়সী প্ৰশংসা কৰিছিল । কেই বছৰমানৰ পাছত এটা ব্যৱসায় কৰো বুলি ৰত্নকান্ত বহুত দূৰলৈ গৈছিল । ব্যৱসায়ত ব্যস্ত হৈ অহাৰ বাবে আমাৰ ইয়ালৈ অহাটো তেওঁৰ পক্ষে অসম্ভৱ হৈ উঠিছিল । এতিয়া তেওঁ আমাক লগ পাবলৈ উদগ্ৰীৱ হৈ উঠিছে । তেওঁ ইয়ালৈ আহিব খোজাৰ আঁৰত আৰু এটা কাৰণ আছে । তেওঁৰ ছোৱালীজনী আমাৰ গাঁৱৰে ভাল এ ঘৰলৈ দিয়াৰ প্ৰবল বাসনা তেওঁৰ আছে । সেয়েহে তেওঁ আমাৰ ঘৰলৈ আহিম বুলি জনাইছে ।"

কেইমুহূৰ্তমান নীৰৱে থাকি ৰম্ভাই আকৌ আৰম্ভ কৰিলে, "তই ভালকৈ দেউতাৰাৰ ব্যৱসায় চোৱা-চিতা কৰি আছ বুলি তেওঁ গম পাইছে । ভাবিছে ছাগৈ তইয়েই তেওঁ ছোৱালীৰ উপযুক্ত বৰ হ'ব পাৰিবি । তেওঁ হয়তো সেইটো কাৰণেও ইয়ালৈ আহিব খুজিছে ।"

মাকৰ কথাৰ ভংগী দেখি আচৰিত হৈ বীৰুৱে ক'লে, "তাতে কি হ'ল ? আহিবলৈ দে ।"

"তেওঁ ইমান দিনৰ মূৰত আমাক লগ পাবলৈ আহিব খোজাত মই বৰ আনন্দ পাইছো । কিন্তু মই শুনা মতে তেওঁৰ পত্নী

ললিতা জয়চোৱাল

হেনো বৰ দন্দুৰী স্বভাৱৰ । কোনে জানে ছোৱালীৰো কিজানি স্বভাৱ মাকৰ দৰেই । ইফালে আমাৰ চুবুৰীৰ ৰুক্মিনীয়ে কোৱা মতে সোনাৰামকাইয়ে তেওঁৰ ছোৱালী অজন্তাক তোলৈ দিব খোজে । সেয়েহে এই বিষয়ে ৰত্নকান্তই তোক কিবা ক'লে তই তেওঁক মোৰ লগত কথা পাতিবলৈ ক'বি । মোক নোসোধাকৈ একো সিদ্ধান্ত নল'বি ।"

বিহু আহিল । ৰত্নকান্ত এদিন জীয়েকক লৈ ওলালহি । ৰম্ভা আৰু বীৰুৱে তেওঁলোকক বৰ আদৰ সাদৰ কৰিলে । ৰত্নকান্তৰ ছোৱালী পদ্মাৰ ৰূপ দেখি ৰম্ভাই তবধ মানিলে । এদিন ৰাতি বীৰু ঘৰলৈ অহাৰ পিছত মাকে বীৰুক ক'লে, "বোপাই, দেখিছনে ছোৱালীজনী কিমান ৰূপৱতী ! তাইৰ স্বভাৱটোও বৰ ভাল । বোৱাৰী হ'লে এনেকুৱাহে হ'ব লাগে । দুদিন মানৰ ভিতৰতে ৰত্নকান্তই একো নকলে মই নিজেই প্ৰস্তাৱ দিম ।"

"কিন্তু মা, ছোৱালীজনীৰ মনত বা কি আছে নজনাকৈ আমি লৰালৰি নকৰাই ভাল হ'ব নেকি" বীৰুৱে ক'লে ।

দুদিনৰ পাছত ৰম্ভাই বীৰুক অকলে মাতি আনি ক'লে, "পদ্মাক মোৰ বৰ ভাল লাগিছে । ঘৰখনৰ কাম-কাজতো তাই কিমান লাগি-ভাগি দিছে দেখা নাইনে ? মইয়ে বুজি পোৱা নাই ছোৱালীজনীৰ বিয়াৰ বিষয় লৈ ৰত্নকান্তই এটা কথাও কোৱা নাই কিয় ? মইয়েই তেওঁক প্ৰস্তাৱটো দিব খুজিছো । তোৰ আপত্তি নাইতো ?"

বীৰুৱে অলপ সংকোচ কৰি ক'লে, "এওঁলোক এসপ্তাহ ইয়াত থাকিম বুলি আহিছে । তুমি অলপ ধৈৰ্য ধৰা । এনেকৈ লৰালৰি কৰিলে তেওঁলোকৰ দৃষ্টিত আমিয়েই হেয় হ'ব লাগিব ।"

একো নোকোৱাকৈ ৰম্ভা পুতেকৰ ওচৰৰপৰা আতৰি আহিল । বীৰুও যাবলৈ ওলোৱাত পিছফালৰপৰা কোনোবাই মাত লগালে । "বীৰু !" সেই মাতত আছিল অতি মিঠা সুৰ ।

বীৰুৱে দেখিলে পদ্মা তাৰ ফাললৈকে আহি আছে । "তুমি এতিয়া মাৰ লগত পতা কথা গোটেইখিনি মই শুনিলো ।" পদ্মাই ক'লে ।

বীৰুৱে দেখিলে কথা বিষম, "সকলো কথাতে মাৰ লৰালৰি । সেয়েহে..." বীৰুৰ মুখৰপৰা মাত নোলোৱা হ'ল ।

পদ্মাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "মই মাৰ মনৰ কথাও ভালকৈ বুজি পাইছো ।

তেওঁ ভয় খাইছে, ঘৰলৈ অহা বোৱাৰী বা কি প্ৰকৃতিৰ হয় । বৃদ্ধাৱস্থাত তেওঁক বোৱাৰীয়ে ভালকৈ চোৱা-চিতা কৰে বা নাই। এনে অৱস্থাত নিৰ্জু প্ৰকৃতিৰ কোনোবা কন্যাক দেখিলে যিমান পাৰি সোনকালে মায়ে তাইক বোৱাৰী কৰি আনিব খোজাটো কোনো দোষৰ কথা নহয় । তাতে তুমি লো মাৰ একমাত্ৰ পুত্ৰ ।"

বীৰুৱে লাজতে তলমূৰ কৰিলে । পদ্মাই আকৌ ক'বলৈ ধৰিলে, "মানুহৰ মনোবৃত্তি ঠিকমতে বুজিব পাৰিলেই তেওঁৰ আচৰণৰ কি ভাল, কি বেয়া সেই কথা জানিব পাৰি । অন্যথা ভগা কাঁচত দেখা ভাগ-চিগা প্ৰতিবিম্বৰ নিচিনাই কোনেও এজন মানুহৰ আচল চিনাকি নাপাব ।"

মোৰ দেউতাই ব্যৱসায়ত যথেষ্ট ধন আৰ্জন কৰা সত্বেও কেতিয়াও সেই ধনৰ অপপ্ৰোয়োগ কৰা নাই । মোৰ মাৰ প্ৰকৃতি খিংখিঙিয়া । মানুহে তেওঁক দন্দুৰী আৰু কৰাইচ বুলি ভাবে । ইয়ালৈ আহিহে দেউতাই গম পালে মোৰ মাৰ প্ৰতি মানুহৰ বিশেষকৈ আমাৰ আত্মীয় আৰু ঘনিষ্ঠ লোকসকলৰ কি ধাৰণা আছে । এই অৱস্থাত দেউতাই তোমাৰ মাৰ সৈতে মোৰ বিয়াৰ কথা পাতিবলৈ সংকোচ কৰিছিল । মায়ে নিজেই প্ৰস্তাৱটো দিলে তেওঁৰ প্ৰতি থকা আমাৰ ভালভাব বাঢ়িবহে ।" কথাখিনি কঁওতে পদ্মাৰ দুগালেকি চকুপানী বৈ আহিছিল । পিছ মুহূৰ্ত্ততে তাই সেইয়া লুকুৱাবলৈ চেষ্টা কৰিলে ।

বীৰুৱে আগবাঢ়ি আহি নিজৰ এখন হাত পদ্মাৰ হাতত থলে আৰু ক'লে, "লৰালৰি মায়ে নহয় মইহে কৰিছো । আগ পাছ নুগুনি মাক কথা শুনাই দিলো । মোক ক্ষমা কৰা । কিন্তু এতিয়া দেখিছো লৰালৰি নকৰিলেই নহ'ব ।"

আচৰিত হৈ পদ্মাই সুধিলে, "লৰালৰি আকৌ কি হব বাবে ?"

"আমাৰ বিয়াৰ বাবে আকৌ । যিজনী ছোৱালীয়ে মোক আৰু মোৰ মাক ইমান আকৰ্ষণ কৰিব পাৰিছে, সেই ছোৱালীজনীক আমাৰ ঘৰলৈ বোৱাৰী কৰি অনাত লৰালৰি কৰিবই লাগিব ।" দুষ্ট হাঁহি এটা মাৰি বীৰুৱে ক'লে ।

লাজতে তলমূৰ কৰি পদ্মা বীৰুৰ ওচৰৰপৰা আতৰি আহিল ।

স্বৰ্ণপাত্ৰ

পঞ্চকল্পৰ দিনত বোধিসত্বই ছেৰিব নামৰ দেশত পাত্ৰ-বিক্ৰেতা হিচাপে জীৱনযাপন কৰিছিল। তেওঁ পুৰণা বাচন-বৰ্তন কিনিছিল আৰু নতুন পাত্ৰ বেচিছিল । ন্যায্য দামত বেচি তেওঁ নামমাত্ৰ লাভ কৰিছিল ।

সেই দেশত খলৰাজ নামৰ আন এজন লুভীয়া পাত্ৰ-বেচোঁতাও আছিল । বোধিসত্ব আৰু খলৰাজে পাত্ৰ বেচাৰ কামত দেশৰ বিভিন্ন প্ৰান্তত ঘূৰি ফুৰিছিল ।

এবাৰ দুয়োজনে একেলগেই তেলিবাহ নৈ পাৰ হৈ অন্ধ্ৰপুৰমলৈ গ'ল । আৰু দুয়ো বেলেগ বেলেগ বাটেৰে গৈ কিনাবেচাৰ কাম কৰি থাকিল ।

অন্ধ্ৰপুৰমৰ শ্ৰেষ্ঠী-পৰিয়াল আছিল বিখ্যাত আৰু ঐতিহ্যপূৰ্ণ । অতীতত তেওঁলোক আছিল ধনশালী । এতিয়া তেওঁলোকৰ সেই দিন আৰু নাই । অৱস্থা বেয়া । গতিকে আগতে এই পৰিয়ালৈ অহাযোৱা কৰাসকল এতিয়া আৰু অহা-যোৱা নকৰা হ'ল । সেই কাৰণে, আগতে যিবোৰ পাত্ৰ ব্যৱহাৰ কৰা হৈছিল, তেওঁ-লোকেও এতিয়া আৰু ব্যৱহাৰ নকৰা হ'ল ।

লোভী পাত্ৰ-বেচোঁতা খলৰাজে চিঞৰি ক'লে, "খাৰু লাগে নে ঘটি--ঈ-ঈ-ই !"

এই চিঞৰ শুনি শ্ৰেষ্ঠী-পৰিয়ালৰ সৰু ছোৱালী এজনীয়ে তাইৰ মাকক ক'লে, "অ' মা, মোক কিবা এটা কিনি দিয়া ।"

"কেনেকৈ কিনিম, ক'চোন, আমাৰ কিবা আছেনে ?" মাকে ক'লে ।

"আমাৰ সেই যে আওপুৰণি পাত্ৰ এটা আছে-বহু কাল ধৰি পৰি আছে যিটো--সেইটো বেচি নতুন কিবা এটা কিনি দিয়া ।"

মাকে অনুমতি দিয়াত ছোৱালীজনীয়ে দৌৰি গৈ ঘৰৰ ভিতৰৰপৰা এটা আওপুৰণি সৰু পাত্ৰ লৈ আহিল । এই পাত্ৰটো এসময়ত শ্ৰেষ্ঠী-পৰিয়ালৰ গিৰিহঁতে ব্যৱহাৰ কৰিছিল। তেওঁ স্বৰ্গগামী হোৱাৰ পাছৰপৰা অব্যৱহৃত অৱস্থাতে ঘৰৰ এচুকত পৰি আছিল । তাৰ ফলত পাত্ৰটোৰ ওপৰত ডাঠ ধূলি মাকতিৰ চামনি পৰিছিল ।

সেই লোভী পাত্র-বেচোঁতা খলৰাজক ছোৱালীজনীৰ মাকে ক'লে, "চোৱাচোন বোপা, এই পাত্রটোৰ সলনি ভাল চাই কিবা এটা দিব পাৰানেকি ?"

পাত্রটো হাতত লৈয়েই খলৰাজ উচপ খাই উঠিল । তাৰ চকু টেলেকা-টেলেক হ'ল। সি এপলক চায়েই বুজিব পাৰিছিল যে, এই আওপুৰণি পাত্রটো আচলতে নিভাঁজ সোণৰ পাত্র এটা । সি পাত্রটো হাতত লৈ বাৰে বাৰে পৰীক্ষা কৰিবলৈ ধৰিলে । তাৰপাছত সি ছোৱালীজনীক খাৰু এপাট দিলে । কিন্তু তাইক খাৰু নালাগে । খলৰাজৰ পাচিত এটা ডাঙৰ ৰূপৰ জলমলীয়া পাত্র দেখা পাই সৰু ছোৱালীজনীয়ে সেইটোকে ল'বলৈ বিচাৰিলে । কিন্তু খলৰাজ মান্তি নহ'ল।

খলৰাজে ভাবিলে : ৰূপৰ পাত্রটো মই বহু দামত বেচিব পাৰিম । ইহঁতক সেইটো নিদিওঁ । বোধিসত্ত্ব এইফাললৈ নাহিব । গতিকে অলপ পাছত আকৌ আহিম আৰু খাৰুপাটকে দি পাত্রটো লৈ গুচি যাম । সি ক'লে, "এই আওপুৰণি সৰু পাত্রটোৰ কি দাম আছে ? এইটোৰ সলনি সেই পাত্রটো দিব নোৱাৰি ।" এই বুলি কৈ পাত্রটো দলিয়াই দি সি গুচি গ'ল ।

লোভী খলৰাজ গুচি যোৱাৰ অলপ সময়ৰ পাছত বোধিসত্ত্ব সেই বাটেৰে আহিল আৰু মাত লগালে : "বাচন, লাগে নেকি--বাচন।"

মাত শুনি সৰু ছোৱালীজনী আকৌ ঘৰৰপৰা ওলাই আহিল । তাই তাইৰ মাকক ক'লে, "মা, মা--এইজনক চোৱাহি । এওঁৰ মাতটোও কেনে মিঠা ! এওঁ নিশ্চয় ভাল চাই কিবা এটা দিব ।"

খলৰাজৰ হাতত দিয়াৰ দৰে বোধিসত্ত্বৰ হাততো পাত্রটো দিয়া হ'ল আৰু এই পুৰণা পাত্রটোৰ সলনি ভাল চাই ছোৱালীজনীৰ মনেখোৱা বস্তু এটা দিব পাৰিব নেকি সোধা হ'ল ।

পাত্ৰটো ভালদৰে পৰীক্ষা কৰি চোৱাৰ পাছত বোধিসত্বই ধীৰ-স্থিৰভাৱে ক'লে, "মা, এই পাত্ৰটোৰ দাম কমেও লক্ষ মুদ্ৰা। মোৰ ওচৰত লক্ষ মুদ্ৰাও নাই আৰু ইমান মূল্যৰ বস্তুও নাই।"

"কিনো কৈছা বোপা ? অলপ সময়ৰ আগতে আন এজন পাত্ৰ-বেচোঁতাই পাত্ৰটোৰ পাইপইচাও মূল্য নাই বুলি কৈ গ'ল দেখোন। যি কি নহওক, পাত্ৰটো সোণৰ বা পিতলৰ যিয়েই নহওক তুমি এইটোৰ সলনি ভাল চাই কিবা এটা বস্তু দিয়া।" ছোৱালীজনীৰ মাকে ক'লে।

বোধিসত্বৰ ওচৰত তেতিয়া এহাজাৰ মুদ্ৰা মূল্যৰ ৰূপৰ পাত্ৰ আৰু প্ৰায় পাঁচ হাজাৰ মুদ্ৰা মূল্যৰ পুৰণা বহুবিধৰ পাত্ৰ আছিল। বোধিসত্বই ক'লে, "মোৰ ওচৰত থকা আটাইখিনি বস্তু দিলেও এই পুৰণি পাত্ৰটোৰ প্ৰকৃত দাম দিয়া নহ'ব মা।"

"তথাপি--মই কৈছোঁ, তুমি যি ইচ্ছা দি এইটো লৈ যোৱা।" মাকে ক'লে।

তেতিয়া বোধিসত্বই আটাইখিনি বস্তু দি পুৰণা পাত্ৰটো লৈ গুচি গ'ল।

অলপ সময়ৰ পাছত খলৰাজ আকৌ ওলালহি। সি আহিয়েই ক'লে, "দিয়া দিয়া--সেই পুৰণা পাত্ৰটো দিয়া, কিবা এটা দিম বাৰু ভাল চাই।"

ছোৱালীজনীৰ মাকে ক'লে, "এয়া অলপ সময়ৰ আগতে এগৰাকী ধৰ্মাত্মা পাত্ৰ-বিক্ৰেতাই ছহাজাৰ মুদ্ৰাৰ বস্তুৰ সলনি সেইটো লৈ গ'ল। তুমি দেখোন পাত্ৰটো মূল্যহীন বুলি কৈছিলা--।"

খলৰাজ আৰ্তনাদ কৰি উঠিল আৰু ক'লে, "কি ! লাখ টকাৰ বস্তুটো ছহাজাৰ টকাৰে লৈ গ'ল !" সি তাৰ নিজৰ বস্তুখিনি তাতে এৰি থৈ বোধিসত্বক ধৰিবলৈ চোঁচা ল'লে। গৈ গৈ হেঁপাই-ফোঁপাই নৈৰ পাৰ পালে গৈ সি। তেতিয়া বোধিসত্ব মাজনৈত। খলৰাজে গগণফলা চিঞৰ মাৰি নাৱৰ গুৰিয়ালক নাওখন ইপাৰলৈ ঘূৰাই লৈ আহিবলৈ ক'লে। কিন্তু বোধিসত্বই বিপদ গমি গুৰিয়ালক নাও ঘূৰাই লৈ যাবলৈ নিষেধ কৰিলে। বোধিসত্ব নিৰাপদে নৈ পাৰ হৈ সিপাৰত ভৰি দিলেগৈ।

লোভী খলৰাজে বলিয়াৰ দৰে চিঞৰি চিঞৰি নৈৰ পাৰে পাৰে দৌৰি থাকিল। হঠাৎ সি মূৰ ঘূৰাই লুটি খাই পৰিল আৰু তেজ বঁতিয়াই তাতে মৰি থাকিল।

বিষ্ণুকথা

ঋষিসকলৰ নেৰানেপেৰা অনুৰোধত সূতই তেতিয়া চকু মুদি এখন্তেক ভাবি নাৰদমুনিৰ সম্পৰ্কে এই কথা ক'বলৈ ধৰিলে:

আগৰ জনমত ভাগৱতোত্তমৰ ঘৰৰ দাসীৰ এটি ল'ৰা আছিল । দাসীৰ এই ল'ৰাটিয়েই আছিল নাৰদ । সেই ঘৰত প্ৰতিদিন জ্ঞানী-গুণী পণ্ডিতবৰ্গই যাতায়াত কৰিছিল । তেওঁলোকক যেতিয়াই যি আৱশ্যক হৈছিল, তেওঁলোকে নাৰদক সেই বস্তু আনিবলৈ কৈছিল । তেওঁলোকে নাৰদৰপৰা ঘাইকৈ পানী খুজি খাইছিল । সকলোকে পানীৰ যোগান ধৰা বাবে এই ল'ৰাটিৰ নাম থোৱা হৈছিল 'নাৰদ' ।

নাৰদে নিচেই সৰুতেই তাৰ মাকক হেৰুৱালে । নাৰদৰ মাকক সাপে-খুটি মাৰিলে । নাৰদ পৰিল বিপদত । নাৰদে তেওঁৰ পিতৃ পৰিচয় নাজানিছিল । নাৰদৰ মাকৰ মৃত্যুৰ কিছু দিনৰ পাছত ভাগৱতোত্তমৰো মৃত্যু ঘটিল ।

নাৰদ নিৰাশ্ৰয় হৈ পৰিল । তাৰ থকা-খোৱাৰ উপায়ো নোহোৱা হ'ল । নিৰাশ্ৰয় অৱস্থাত নাৰদে বাটে বাটে অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে । বহুতো গৃহস্থই নাৰদক চোৰ বুলি ভাবি খেদি দিছিল । কিছুমানে কৈছিল : "যাৰ মা নাই, দেউতাৰ ঠিকানা নাই, সি নো চোৰ নহৈ কি হ'ব ? ইয়াৰপৰা গুচি যোৱা ।"

নাৰদ সাধু হৈ পৰিল । নাৰদৰ দীঘল দীঘল চুলি আৰু অঘৰীৰ দৰে চলন-ফুৰণলৈ চাই আৰু সকলোৱে বলিয়া বুলি ভাবিছিল আৰু ইতিকিং কৰিছিল ।

এদিন নাৰদে দুখ মনেৰে ভাবিলে :

ধ্ৰুৱনাৰায়ণাৱতাৰ

এনেকুৱা মানুহবিলাকৰ মাজত মুই জনম লভিলোঁ কিয় ? মই এনে কি জগৰ লগালোঁ--যাৰ বাবে ইমান আলৈআহুকাল ভুঞ্জিবলগীয়া হৈছেঁ মই ? ইহঁততকৈ বনৰ জন্তুও কিজানি ভাল । এইবোৰ কথা ভাবি নাৰদ অত্যন্ত দুঃখিত হৈ এদিন মানুহৰ বসতি এৰি বনলৈ বুলি খোজ ল'লে ।

বনতে বসতি কৰি নাৰদে ভাবিলে : মই এইদৰে অনাই-বনাই নুফুৰি সাধু সন্ন্যাসীহঁতৰ দৰে তপস্যা কৰিব পাৰোঁ দেখোন । মই তপস্যা কৰি দেৱতাৰ বৰ লাভ কৰিব পাৰিলে মোৰ জীৱনৰ এই দুখ নিশ্চয় গুচিব ।

এই কথা ভবাৰ লগে লগে নাৰদে তাত ঘোৰ তপস্যা আৰম্ভ কৰিলে ।

: যাৰ কোনো নাই তাৰো যিজনা আছে--তেৱেঁই মোৰ পিতৃ । মোৰ দৰে অসহায় মানুহৰ সহায়ো নিশ্চয় জগতত আছে । তেওঁ মোক ৰাখিলে ৰাখিব, মাৰিলে মাৰিব । তেওঁৰ ওচৰতে মই নিজক সমৰ্পণ কৰিছোঁ ।

নাৰদে একাণপতীয়াভাৱে আন সকলো কথা পাহৰি তপস্যা কৰি থকাৰ বহুদিনৰ পাছত নাৰদৰ ওপৰত এদিন এক সুতীব্ৰ জ্যোতি বিয়পি পৰিল ।

এই সুতীব্ৰ জ্যোতিৰ মাজেদি নিজক প্ৰকাশ কৰি বিষ্ণুৱে ক'লে, "হে বৎস, হে নাৰদ, তুমি এনেহেন তপস্যা কৰিলা যাৰ ফলত তুমি মোৰ মাজত লীন হ'লা । একেবাৰে লীন হৈ যোৱাৰ পাছত তুমি ব্ৰহ্মাৰ মানসপুত্ৰৰূপে জন্মগ্ৰহণ কৰিবা । তোমাৰ মাজত মোৰো অংশ থাকিব । তুমি হ'বা চিৰজীৱী আৰু ত্ৰিকালজ্ঞ । তিনিও লোকত ভ্ৰমি তুমি মোৰ কথা সদা-সৰ্বক্ষণ প্ৰচাৰ কৰি থাকিবা ।"

তাৰ পাছত বিষ্ণুৰ অংশসমূহ ব্ৰহ্মাৰ সন্তানৰূপে জন্মগ্ৰহণ কৰি নাৰদ দেৱমুনিৰূপে পূজিত হৈ থাকিল । বিষ্ণুৰ লীলাৱতাৰৰ মাজত নাৰদমুনিৰ অৱতাৰ হ'ল এটি অৱতাৰ।

এইজনা নাৰদৰ উপদেশ মতে ধ্ৰুৱই যেতিয়া তপস্যা কৰিবলৈ অৰণ্যলৈ গৈ আছিল তেতিয়া উত্তমে লৰৰি আহি ধ্ৰুৱক ক'লে, "ককাইদেউ, তুমি যদি বনলৈ গুচি যোৱা, মইনো কাৰ সৈতে হৰিৰ ভজনা কৰিম? কোনে মোৰে সৈতে খেলিব ? মায়ে তোমাক গালি পাৰিলে বুলি মোক এৰি গুচি যাবা কিয় তুমি ? মই কি দোষ কৰিলোঁ ককাইদেউ ? ব'লা ঘৰলৈ উভতি যাওঁ ব'লা।"

ধ্ৰুৱই উত্তমক আঁকোৱালি লৈ ক'লে,



"ভ্ৰাতা, মই মোৰ মাৰ কাৰণে গৌৰৱৰ থল নহ'লে মোৰ এই পৃথিৱীলৈ অহাৰ সাৰ্থকতা কি ? সেই কাৰণেই মই সৰ্বস্ব তিয়াগি বনলৈ গৈ আছো ।"

এই কথা শুনি উত্তমে ক'লে, "ককাইদেউ, তোমাক এৰি মই থাকিব নোৱাৰিম । ময়ো তোমাৰ লগে লগে যাম । তুমি বনত বহি তপস্যা কৰিবা, আৰু মই গছৰপৰা ফল বুটলি আনি তোমাক খুৱাম । এইদৰে আমি ৰংমনে কটাব পাৰিম ।"

"ভ্ৰাতা, তুমি মোৰ লগত বনলৈ গ'লে মায়ে বৰ দুখ পাব । মই তোমাক কৈছোঁ মই তোমাতকৈ ডাঙৰ, মোৰ কথা মানিবা । তুমি ঘৰলৈ উভতি যোৱাগৈ ।" ধ্ৰুৱৰ এই কথা শুনি উত্তমে মাটিত বহি দিলে ।

এনেতে উত্তমৰ মাকে উত্তমক হাতত ধৰি টানি ঘৰলৈ লৈ যাবলৈ আহিল । উত্তমে তাৰ মাকক ক'লে, "মোক তুমি নুছুবা । তোমাৰ কাৰণহে ককাইদেৱে বনলৈ যাবলগীয়া হৈছে।"

সুৰুচি তলমূৰ হ'ল পুত্ৰৰ কথা শুনি । সুৰুচিয়ে ক'লে, "বোপা, মই পাপিষ্ঠা । মোৰ কাৰণেই এই অথন্তৰৰ সৃষ্টি হৈছে--মই এই কথা মানি লৈছোঁ ।"

হঠাৎ তাত উত্তানপাদ ওলালহি । উত্তানপাদে ক'লে, "বোপা ধ্ৰুৱ, ৰ'বা, নাযাবা এতিয়া । মই মোৰ সিংহাসন এৰি দিছোঁ । এতিয়া তুমি দেশ শাসন কৰি থাকাঁ।"

কিন্তু ধ্ৰুৱই উত্তানপাদৰ কথালৈ কাণসাৰ নকৰি বহু দূৰলৈ গুচি গ'ল ।

নাৰদে সুনীতিক ক'লে, "আই, তুমি ৰত্ন গৰ্ভা । তোমাৰ পুত্ৰ ধ্ৰুৱৰ কাৰণে তুমি অলপো চিন্তা নকৰিবা । স্বয়ং নাৰায়ণে তোমাৰ পুত্ৰৰ চোৱা-চিঁতাৰ দায়িত্ব গ্ৰহণ কৰিছে ।" এই বুলি কৈ নাৰদে উত্তানপাদক ক'লে, "হে ৰজা, ধ্ৰুৱ বনলৈ যোৱাৰ কাৰণে দুখ নকৰি আমি আনন্দহে প্ৰকাশ কৰা উচিত। তিনিপুৰুষতো যি সুনাম অৰ্জিত হোৱা নাই, ধ্ৰুৱৰ তপস্যাৰ ফলত সেই সুনাম আৰ্জিত হ'ব । তাৰ বাবে কোনেও একো কৰিব নালগে । যি কৰিবলগীয়া, ধ্ৰুৱইহে কৰিব । ধ্ৰুৱৰ সৰ্বপ্ৰকাৰ দায়িত্ব স্বয়ং নাৰায়ণে গ্ৰহণ কৰিছে ।" এইকথা কৈ নাৰদে সকলোকে শান্ত কৰিলে ।

ধ্ৰুৱই গভীৰ অৰণ্যত বহি তপস্যা কৰিবলৈ ধৰিলে । ধ্ৰুৱৰ ঘোৰ তপস্যাৰ ফলত তিনিওলোক কঁপি উঠিল । যিকোনো ঠাইত কোনোবাই ঘোৰ তপস্যা কৰা বুলি গম পালেই ইন্দ্ৰই তেওঁৰ পদ হেৰুৱাব বুলি ভাবি



তপস্যাকাৰীৰ তপস্যা যেনেকৈয়েই নহওক ভংগ কৰিবলৈ বিচাৰে । ইন্দ্ৰই ধ্রুৱকো ভয় খুৱালে বজ্ৰায়ূধ নিক্ষেপ কৰি । বজ্ৰায়ূধ নিক্ষেপ কৰাৰ লগে লগে প্ৰচণ্ড ধ্বনি আৰু বিজুলীৰ চমকনিৰ সৃষ্টি হ'ল । তাৰ পাছত সেই বজ্ৰায়ূধে প্ৰচণ্ড শিলাবৃষ্টি সৃষ্টি কৰিলে। কিন্তু সেই সময়ছোৱাত ধ্রুৱৰ মূৰৰ ওপৰত বিষ্ণুচক্ৰ পাক খাই থকাৰ বাবে এচটা শিলো ধ্রুৱৰ মূৰৰ ওপৰত নপৰিল ।

এনেতে নাৰদে ইন্দ্ৰক ক'লেহি, "ধ্রুৱ সাধাৰণ বালক নহয় । তুমি সহস্ৰ চেষ্টাতো, তাৰ অনিষ্ট কৰিব নোৱাৰিবা । তোমাৰ ভীতি অমূলক । ধ্রুৱই তোমাৰ ৰাজত্ব কাঢ়ি ল'বলৈ চেষ্টা কৰা নাই । তোমাৰ ৰাজত্ব ধ্রুৱৰ [illegible] খেৰ-কুটাৰ দৰে ।"

ধ্রুৱৰ তপস্যাত তুষ্ট হৈ বিষ্ণু আৱিৰ্ভূত হ'ল । বিষ্ণুক দেখা পাই [illegible] উত্তেজনাক সংযত-সংহত কৰি ক'লে, "মই যে কেনেদৰে তোমাৰ প্ৰশংসা কৰিম, ভাবি পোৱা নাই । মই বালক মাথোন । মই মোৰ আনন্দ কেনেকৈ প্ৰকাশ কৰিম তাকো নাজানো ।" এই কথাবোৰ কৈ থাকোঁতেই ধ্রুৱই উচুপি থাকিল ।

বিষ্ণুৱে তেওঁৰ শংখ ধ্রুৱৰ গালত স্পৰ্শ কৰিলে, আৰু লগে লগে ধ্রুৱই বেদৰ শ্লোকাৱলী গাবলৈ ধৰিলে ।

বিষ্ণুৱে মিঠা মাতেৰে ধ্রুৱক সুধিলে, "মই তোমাৰ তপস্যাত আনন্দিত । তোমাক কি লগে কোৱাঁ ।"

ধ্রুৱই ক'লে, "হে দেৱ, মধুমক্ষিকাই যেনেকৈ পদুমৰ ওচৰতে থাকে, ময়ো তেনেকৈ তোমাৰ ওচৰতে থাকিবলৈ বিচাৰোঁ। এয়ে মোৰ একমাত্ৰ প্ৰাৰ্থনা ।"

"তথাস্তু, সেয়ে হ'ব । কল্পান্তৰ অন্তত তুমি সমুজ্জ্বল হৈ নিৰ্দিষ্ট ঠাইত ভাস্বৰ হৈ থাকিবা ।" এই কথা কৈ বিষ্ণু সেই ঠাইৰপৰা তৎক্ষণাৎ অন্তৰ্হিত হ'ল ।

এই ঘটনাৰ পাছৰেপৰাই ধ্রুৱক ধ্রুৱনাৰায়ণাৱতাৰ স্বৰূপে গণ্য কৰা হ'ল । তাৰ পাছত ধ্রুৱ স্বগৃহলৈ উভতি আহিল । উত্তানপাদে ধ্রুৱক সিংহাসনত অধিষ্ঠিত কৰি তপস্যা কৰিবলৈ গুচি গ'ল । ধ্রুৱই স্বচ্ছন্দভাৱে দেশ শাসন কৰি থাকিল ।

তেতিয়ালৈকো উত্তমে বিবাহ কৰা নাছিল। ৰাজধৰ্ম পালনৰ বাবে হিংস্ৰ জন্তুৰ হাতৰপৰা প্ৰজাবৰ্গক ৰক্ষা কৰিবলৈ উত্তম চিকাৰলৈ ওলাল । গভীৰ অৰণ্যত যক্ষহঁতে উত্তমক নিহত কৰিলে ।

সুৰুচি পুত্ৰশোকত পাগলিনী প্ৰায় হৈ

উত্তমক বিচাৰি বনলৈ গ'ল আৰু অৰণ্যৰ দাবানলত পুৰি সুৰুচিৰো মৃত্যু হ'ল ।

সুৰুচিৰ মৃত্যুৰ বাতৰি পাই ধ্ৰুৱই যক্ষহঁতক নির্মূল কৰিবলৈ যক্ষনগৰী অলকানগৰীত জুই লগাই দিলে । সেই মুহূর্ততে যক্ষহঁতে যাদুৰ প্ৰয়োগ কৰি জুই নুমাবলৈ চেষ্টা কৰিলে । কিন্তু ধ্ৰুৱই স্বয়ং নাৰায়ণৰপৰা প্ৰাপ্ত অলৌকিক শক্তি প্ৰয়োগ কৰিলে আৰু এইদৰে যক্ষহঁতৰ যাদু বিফল কৰিলে ।

কুবেৰ ধ্ৰুৱৰ শৰণাগত হ'ল । ধ্ৰুৱৰ আশ্ৰয়ত থাকি, ধ্ৰুৱৰ মন জয় কৰি, কুবেৰে বহু সম্পদ লৈ তাৰপৰা গুচি গ'ল ।

যথাসময়ত বিবাহ কৰি ধ্ৰুৱই স্বামী আৰু যোগ্য পিতৃ হিচাপে মৰ্য্যাদা লাভ কৰিলে । তাৰ বহু দিনৰ পাছত, পুত্ৰক সিংহাসনত অধিষ্ঠিত কৰি ধ্ৰুৱ বদ্ৰিকাবনলৈ গুচি গ'ল। তাত বিষ্ণুৰ ধ্যান কৰোঁতে ধ্ৰুৱৰ দেহ স্বৰ্ণময় হৈ পৰিল ।

বিষ্ণুৰ আদেশত তেওঁৰ অনুচৰসকলে ৰথ লৈ ধ্ৰুৱৰ ওচৰলৈ গ'ল । অনুচৰসকলৰ চাৰিখনকৈ হাত আছিল ।

অনুচৰকলে ধ্ৰুৱক লৈ যাবলৈ বিচৰাত ধ্ৰুৱই ক'লে, "মোৰ মাতৃয়ে যি সন্মান নাপালে, মই সেই সন্মান গ্ৰহণ নকৰোঁ ।"

এই কথা কোৱাৰ পাছত বিষ্ণুৰ দূতগণে ধ্ৰুৱক সমুখৰ ফাললৈ চাবলৈ ক'লে । ধ্ৰুৱই তেওঁৰ মাকক ৰথত উঠি গৈ থকা দেখা পালে। সেই দৃশ্য দেখি ধ্ৰুৱই ভাল পাই ৰথত উঠিল আৰু নক্ষত্ৰমণ্ডল পাৰ হৈ সপ্তৰ্ষিমণ্ডলক পিছ



পেলাই ধ্ৰুৱমণ্ডল পালেগৈ । এই মণ্ডলতে বিষ্ণুৰ বৈকুণ্ঠ অৱস্থিত । পৰৱৰ্তীকালত বিষ্ণুৱেই কৃষ্ণ ৰূপ ধৰি বংশী বাদন কৰি জগতক আনন্দ দান কৰিছিল । ধ্ৰুৱ সদা-সৰ্বক্ষণ উজ্জ্বল কান্তিৰে প্ৰকাশমান । তেওঁক সপ্তৰ্ষিমণ্ডলে সদায় প্ৰদক্ষিণ কৰিছে । ব্ৰহ্মা সত্যলোকত অৱস্থিত ।

সত্যলোক, জনলোক, মহৰ্লোক, স্বৰ-লোক, ভুভৰ্লোক, ভূলোক আদি ঊৰ্ধলোকৰ সংখ্যা হ'ল সাত । ভূলোকৰ তলত অধলোক, অধোলোকৰ তলত আছে অতল, বিতল, সুতল, ৰসাতল, তলাতল, সমাতল, পাতাল-এই সপ্তলোক । ভূলোকৰ ঊৰ্ধত সাতোটি লোক আৰু তলত সাতোটি--সৰ্বমুঠ চৌধ্যটি লোকৰ ওপৰত যাৰ অৱস্থান--সেয়া হ'ল ধ্ৰুৱ ।

নিষ্ঠা থকাহ'লে পাঁচবছৰীয়া ধ্ৰুৱৰ দৰে ল'ৰায়ো যে কিমান উচ্চ হ'ব পাৰে--তাৰ প্ৰমাণ হ'ল ধ্ৰুৱ ।

এই কথা কৈ সূতই ধ্ৰুৱৰ কাহিনী সামৰি আকৌ ক'লে :

মৎস কেৱল পানীতহে থাকিব পাৰে; কিন্তু কাছ পানীত আৰু মাটিতো ঘূৰি ফুৰিব পাৰে ।

বিষ্ণুৱে কাছ বা কূৰ্ম-অৱতাৰ ধাৰণ কৰিলে । দশাৱতাৰৰ মাজত কূৰ্ম হ'ল দ্বিতীয় অৱতাৰ ।

তাৰ পাছত সূতই কূৰ্ম-অৱতাৰৰ কাহিনী বিবৰিবলৈ ধৰিলে :

দেৱতা আৰু ৰাক্ষসগণে একেলগে ক্ষীৰসাগৰ মন্থন কৰি অমৃত লাভ কৰিবলৈ চেষ্টা চলাই থাকিল । ৰাক্ষসহঁতে ভাবিছিল: আমাৰ শক্তি সীমাহীন । আমি কেনেবাকৈ অমৃত বিচাৰি উলিয়াৰ পাৰিলে দেৱতা-সকলক ফাঁকি দি আটাইখিনি অমৃত আমিয়েই পান কৰিম ।

দেৱতাসকলে ভাবিলে : ৰাক্ষসহঁতে অমৃত বিচাৰি উলিয়াব পাৰিলেও পান কৰিব নোৱাৰে । বিষ্ণু আছে যেতিয়া, অমৃত আমিয়েই পান কৰিম ।

তাৰ পাছত, বিষ্ণুৰ নিৰ্দেশমতে ৰাক্ষসবিলাকে বাসুকীৰ মূৰৰ ফালে ধৰিলে আৰু নেগুৰৰ ফালে ধৰিলেগৈ দেৱতাবৃন্দই। আৰু লগে লগে আৰম্ভ হ'ল মন্থন...।



বিবিধ সংস্কৃতিৰ কাহিনী

শীতৰ এটি নিশাৰ আতংক

(তোমালোকে জানানে চীনাসকলে নববৰ্ষৰ সমাৰোহ কেনেদৰে পালন কৰিবলৈ আৰম্ভ কৰিছিল? জানিবৰ বাবে এইটো কাহিনী পঢ়া ।)

হাজাৰ বছৰ পূৰ্বে চীন দেশত এখন সুন্দৰ আৰু শান্ত নগৰ আছিল । তাৰ নাগৰিক সকল পৰিশ্ৰমী আছিল । কাম শেষ কৰি প্ৰতি সন্ধিয়া তেওঁলোকে একগোট হৈ বিশ্ৰাম কৰে আৰু ইজনে সিজনক কাহিনী শুনায় ।

গৰমৰ দিনত ডেকা-বুঢ়া সকলোৱে সূৰ্যাস্তলৈকে ঘৰৰ বাহিৰতে থাকে । সেয়া আমোদ-প্ৰমোদ আৰু হাঁহি ধেমালিৰ সময় । চেমনীয়াবোৰে খেতি আৰু খেলপথাৰত খেলি কৰি বা কাম কৰে আৰু কনমাণি বোৰে নিজৰ ককাক হঁতৰ কোচত বহি পদ্য শুনায় নাইবা গান গায় ।

শীতকালি বহুত ঠাণ্ডা পৰে । সৰহভাগ মানুহ ঘৰৰ ভিতৰতে জুই ফুঁৰাই থাকে । তেওঁলোকে ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ গৰম চাহ বা গৰম সুৰা পান কৰে ।

এনে এটা প্ৰচণ্ড জাৰৰ দিনত চহৰত এটা বৰ ডাঙৰ ঘটনা ঘটিল । এই দুৰ্ঘটনা সংঘটিত হ'ল চহৰৰ এক মাত্ৰ অতিথিশালাত । সেই দিনা তাত মানুহ ভৰি আছিল ।

"আহ ! এই গৰম গৰম চাহে যে হাড়-কঁপোৱা জাৰত একেবাৰে নতুন জীৱন দিয়ে। ন'হলে মই আৰু যাত্ৰা কৰিবই নোৱাৰিলো-হেঁতেন ।" এজন সদাগৰে ক'লে।

"হয়, হয় । বৰফত বৰ কষ্টেৰেহে মই এই চৰাইঘৰ পাইছোহি ।" আন এজনে ক'লে ।

মাজতে এজন অধ্যাপকে মাত দিলে, "স্কুলৰপৰা ঘূৰি আহোতে মোৰ ভৰি বৰফত সোমাই পৰিছিল । ভৰিটো উলিয়াব খোজোতে মই আৰু সোমাইহে গ'লো । ওচৰতে দেখিলো কাঠৰ এটা কুণ্ডা । সেইটোৰ সহায়তহে কোনোমতে ৰক্ষা পৰিলো ।"

এইদৰে অতিথিশালাৰ উষ্ণ পৰিবেশত সকলোৱে আনন্দেৰে নিজৰ নিজৰ মনৰ কথা কৈ আছিল । হঠাতে এটা প্ৰচণ্ড শব্দ হ'ল । কথাটোনো কি গম পোৱাৰ আগতেই এটা বিশাল দৈত্যকাৰ জন্তু সোমাই আহিল আৰু মানুহবোৰক ওপৰত জপিয়াই পৰিল । আৰু মুহূৰ্ত্তৰ ভিতৰতে সি সকলোকে মাৰি

পেলালে। মাত্র এটা সৰু ল'ৰা বাচি থাকিল। সি দৈত্যটো দেখি বেহুচ হৈ পৰিল । আৰু চকীৰ পৰা বাগৰি মেজৰ তলত ঢলি পৰিল য'ত দৈত্যৰ চকু নপৰিল ।

এই ঘটনাত সমগ্ৰ চহৰ আতঙ্কিত হৈ পৰিল । নিজৰ পৰিয়াল পৰিজন হেৰুৱাই মানুহবোৰ শোকত বিহ্বল হৈ পৰিল । যিটো দৈত্যক সকলোৱে 'নিয়ন' নাম দিছিল, তাক ধৰিবলৈ সকলোচেৰ দলবদ্ধ হ'ল । এই দলে সকলো ঠাইতে দৈত্যক বিচাৰিলে কিন্তু তাক ক'তো পোৱা ন'গল ।

গোটেই শীতকাললৈ মানুহ ঘৰৰ ভিতৰতে লুকাই থাকিল । সন্ধিয়া ৰাস্তাবোৰ জয়াৰ হৈ পৰিছিল । প্ৰতি ঘৰৰে দুৱাৰ আৰু খিৰিকীবোৰ নিকপকপীয়াকৈ বন্ধ কৰা হৈছিল । বসন্তকালে অহাতহে চহৰখনলৈ পুনৰ নতুন জীৱন ঘূৰি আহিল ।

খেতি-পথাৰ পুনৰ সেউজ হৈ পৰিল । সৰু সৰু নানাৰঙী ফুলকলিবোৰ বসন্তৰ বা লাগি দুলিবলৈ ধৰিলে । পশু-পক্ষীবোৰ আকৌ দেখা পোৱা গ'ল ।

মানুহবোৰ ঘৰৰ পৰা বাহিৰলৈ ওলাবলৈ ধৰিলে । সেয়া পথাৰত গুটি সিচাৰ সময় আছিল । সময়ৰ লগে লগে মানুহে দৈত্যটোৰ কথা পাহৰি গ'ল আৰু নিজৰ দৈনন্দিন কামত বুৰ গ'ল ।

যেতিয়া হিমপাত আৰু বৰফৰ সৈতে পিছৰবাৰ আকৌ জাৰ আহিল তেতিয়া চহৰখনৰ মানুহে আকৌ এবাৰ সেই চৰাইঘৰত লগ হ'ল । কিন্তু হায় ! চহৰখনলৈ সেই বিপদ আকৌ আহিল । এইবাৰো দৈত্য আহি তাত গোট খোৱা সকলোকে মাৰি পেলালে । পিছে এজন মানুহ বাচি গ'ল । তেৱেঁই ক'লে যে ৰাক্ষসটো সেই যোৱাবাৰ ল'ৰাটোৱে দেখা ৰাক্ষসটোৱেই আছিল ।

নগৰখন খঙত উতলিববলৈ ধৰিলে । "কিবা এটা কৰিবই লাগিব । আমি প্ৰতি বাৰেই ৰাক্ষসে নিজৰ মানুহবোৰ এইদৰে মাৰি যোৱাটো সহ্য কৰিব নোৱাৰো ।" নগৰৰ প্ৰধান ব্যক্তিজনে ক'লে । পিছত তেওঁলোক উপদেশ বিচাৰি যাদুকৰৰ ওচৰলৈ গ'ল । যাদুকৰে ক'লে, "তোমালোকে দেখিছা যে দুয়োবাৰেই ই শীতৰ শেষত আক্ৰমণ কৰিছে । অহা বছৰ তাৰ কাৰণে সাজু হৈ থাকা ।

"ৰাক্ষসৰ মুখামুখি হ'বলৈ কেনেকৈ সাজু হ'ম ? এজন যুৱকে সুধিলে ।" ৰঙা ৰঙলৈ

দুষ্ট শক্তিয়ে ভয় কৰে। ৰঙা কাপোৰে সকলো প্ৰাণীকে খেদায়। বিস্ফোৰণৰ শব্দ শুনিলে মানুহ আতংকিত হয়। ফটকালৈ সকলোৱে ভয় কৰে। এতিয়া তোমালোকে গম পালা নহয় কেনেকৈ সাজু হ'ব লাগিব!" এজন বৃদ্ধ যাদুকৰে ক'লে।

যেতিয়া পিছৰ বছৰৰ শীতকালি আহিল তেতিয়া নগৰখনৰ মানুহে ৰাক্ষসৰ মুখামুখি হ'বলৈ সাজু হ'ল।

সোনকালেই সেই দিনটো আহিল। আগৰ বছৰৰ সেইটো দিনতেই ৰাক্ষসটো আহিছিল। মহিলা আৰু শিশু সকল ঘৰৰ ভিতৰত আছিল। পুৰুষ সকল বাহিৰত আছিল। কোনো কোনো লোকৰ হাতত তৰোৱাল, ফটকা আৰু ঢাল আছিল। কাৰোবাৰ হাতত ডাঙৰ ডাঙৰ ঢোল আৰু জোৰ আছিল। কৰোবাৰ হাতত কাপোৰ আৰু ঘন্টা আছিল।

হঠাতে চকু চাট মাৰি ধৰা পোহৰ দেখা গ'ল। তাৰ পিছতে কাণ তাল মাৰি ধৰা গৰ্জন শুনা গ'ল। ৰাক্ষস আহিব ধৰিছিল। অগনি চকু আৰু তেজ সনা বিশাল মুখেৰে এই ভয়ানক ৰাক্ষস যেন আকাশৰ পৰা খহি পৰিল। তাৰ ডাঙৰ ডাঙৰ হাতোঁৰা আৰু বেকা নখ আছিল। পিঠিত দুখন মস্ত-মস্ত পাখি আছিল। তৰোৱালেৰে কিছুমান লোকে তাৰ পাখি কাটি পেলালে।

কিন্তু সি কিবা কৰিব পৰাৰ আগতেই শ শ লোকে তাক চাৰিওফালৰ পৰা আগুৰি ধৰিলে। তেওঁলোকে ঘন্টা আৰু ঢোল বজাবলৈ ধৰিলে আৰু ডাঙৰ ডাঙৰ ৰঙা কাপোৰ জোকাবিবলৈ ধৰিলে। সকলোৱে তাৰৈ ফটকা জ্বলাই দলিয়াবলৈ ধৰিলে। ৰাক্ষসে ভয় খালে। সি ভয়তে গৰজিবলৈ ধৰিলে। ডাঙৰ ডাঙৰ ৰঙা পতাকাবোৰে তাক অন্ধ কৰি পেলালে। ফটকা, ঢোল আৰু ঘন্টাৰ শব্দই তাৰ অৱস্থা কাহিল কৰি পেলালে। সি পলাই গ'ল।

মানুহবোৰ আনন্দত আত্মহাৰা হ'ল। "নিয়ন পলাই গ'ল। আকৌ আহিবলৈ সাহস নকৰে আৰু। এয়া এক নতুন যুগৰ আৰম্ভনি। আমি আজি উৎসৱ পালন কৰিম।" নগৰৰ প্ৰধান ব্যক্তিয়ে ক'লে।

সেয়া চীনাসকলৰ প্ৰথম নতুন বছৰ আছিল। তেওঁলোকে ভয়ৰ পৰা মুক্তি পোৱা এই দিনটো অতি উৎসাহেৰে পালন কৰে। এজন আনজনৰ ঘৰলৈ যায়। উপহাৰ বিনিময় হয়, মনোৰঞ্জনৰ কাৰণে নাটক, খেল তথা সুস্বাদু ভোজনেৰে আনন্দ কৰে।

কিতাপৰ প্ৰেৰণা

কিতাপে তোমাক আমোদ আৰু আনন্দ দিয়ে আৰু বহুতো খবৰো দিয়ে। কিন্তু, প্ৰেৰণা ? এয়া এনে এজন ব্যক্তিৰ কাহিনী যি এখন কিতাপৰ পৰা এনেকুৱা প্ৰেৰণা পাইছিল যে জীৱন জুৰি তেওঁৰ চিন্তা-ধাৰা আৰু কাম-কাজত তাৰ প্ৰতিফলন ঘটিছিল।

কিশোৰ অৱস্থাত কিতাপ পঢ়ি তেওঁ ভাল পাইছিল। কিছুমান কিতাপে তেওঁৰ ওপৰত অত্যধিক প্ৰভাৱ পেলাইছিল। তাৰ ভিতৰত এখন আছিল--জৰ্জ ওৱাশ্বিংটনৰ জীৱনী। আৰু কিতাপখনৰ আৰম্ভণিৰ পংক্তি কেইটাই তেওঁৰ মনত স্পষ্ট ৰূপত চিৰদিনৰ বাবে অংকিত হৈ ৰ'ল। সেই পংক্তি কেইটাত লিখা আছিল যে যদি মানুহৰ দাসত্ব পাপ নহয় তেনে একোৱেই পাপ হ'ব নোৱাৰে। সেই তৰুণজনে এই কথা গভীৰভাৱে বহুত সময় চিন্তা কৰিলে। সেইখন তেওঁৰ প্ৰিয় কিতাপ হৈ পৰিল।

এদিন স্কুলৰ পৰা আহি তেওঁ দেখিলে যে তেওঁৰ পিতাকে তেওঁৰ সেই প্ৰিয় আৰু অমূল্য গ্ৰন্থত মূৰ থৈ শুই আছে। সেয়া দেখা পাই তেওঁ অস্থিৰ হৈ পৰিল। নিশ্চয় কিতাপৰ স্থান মূৰৰ তলত নহয়। তেওঁ কিছু সময় চিন্তা কৰিলে কেনেকৈনো পিতাকৰ টোপনি নভঙাকৈ কিতাপখন তাৰ পৰা আঁতৰাব পৰা যায়। তেতিয়া তেওঁ লাহেকৈ দেউতাকৰ মূৰটো দাঙি লৈ নিজৰ কোচত বহুৱাই ল'লে আৰু কিতাপখন আঁতৰাই থ'লে। দেউতাক সাৰ পোৱালৈকে তেওঁ ধীৰ ভাৱে বহি ৰ'ল। দেউতাকে সাৰ পাই দৃশ্য দেখি আচৰিত হ'ল।

তেওঁ পুতেকক সুধিলে কি হ'ল। তেওঁ নিজৰ পুত্ৰৰ মুখত প্ৰিয় গ্ৰন্থৰ বিষয়ে অতি মনোযোগ আৰু আশ্চৰ্যৰে শুনিলে। তেওঁ গৰ্বৰে সৈতে অনুভৱ কৰিলে যে তেওঁৰ পুত্ৰৰ জ্ঞান তেওঁৰ বয়সতকৈ বহু বেছি। তেওঁ পুতেকক বুকুত সাবটি ধৰি ক'লে, "তুমি নিশ্চয় ডাঙৰ হৈ মহৎ ব্যক্তি হ'বা। নিজৰ দেশক দাসত্বৰ পৰা মুক্ত কৰিবা।"

পিতৃৰ কথা সঁচা হ'ল। সেই কিশোৰ ডাঙৰ হৈ এজন সবল আৰু সুযোগ্য নেতা হ'লগৈ। তেওঁ দৃঢ় সংকল্পৰ সৈতে নিজ সিদ্ধান্ত অটল থাকিল। তেওঁ এখন শক্তিশালী দেশৰ ৰাষ্ট্ৰপতি হ'ল। তেওঁ আছিল কিশোৰ আব্ৰাহাম লিংকন। তেওঁক কিছুমান মহান কামৰ বাবে আজিও স্মৰণ কৰা হয়। সেইবোৰৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ আছিল দাসত্বৰ বিৰুদ্ধে আইন। পৃথিৱীয়ে তেওঁ-দীৰ্ঘকাললৈ স্মৰণ কৰিব।

স্বামী জয়ানন্দৰ সম্পূৰ্ণ বিশ্বাস যে তেওঁৰ সমুখত মৃত্যু হোৱা স্ত্ৰীগৰাকী শান্তিপুৰৰ ৰাণী। তেওঁৰ শিষ্যই তেওঁ আদেশনুসাৰে মৃতদেহৰ সৎকাৰ কৰে। ৰাজধানীত বীৰ সিংহই ৰাজ অভিষেকৰ বাবে লৰালৰি কৰিছে। মন্ত্ৰী মানবেন্দ্ৰৰ ইয়াত আপত্তি আছে। পিছত, তেওঁৰ ওপৰত আক্ৰমণ হয়। কিন্তু অতৰ্কিতে অহা এজন মানুহে তেওঁক ৰক্ষা কৰে।
7
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য
চিত্ৰ : গান্ধী অয্যা
মানবেন্দ্ৰক ৰাজসভাৰ পৰা বহিষ্কাৰ কৰাৰ এদিন পিছত বীৰ সিংহই ৰাজপ্ৰাসাদৰ উদ্যানৰ সমুখত পায়চাৰী কৰি আছিল। তেওঁ চিন্তিত আছিল।
মই ইয়াৰ কটোৱাল, ডাঙৰীয়া।
কি হৈছে ?
মন্ত্ৰীৰ কোনো শুংশূত্ৰ নাই !
আমাৰ মানুহ মৰি গৈছে।
মই ৰজা হোৱাত আপত্তি কৰা সেইজন যুৱক কোন আছিল ?
তেওঁ বসন্ত। তেওঁ কৈছে যে তেওঁ একো নাজানে।
তেওঁক আলিবাটত ঘূৰোৱা আৰু সকলোৰে সমুখত ফাঁচী দিয়া।
যাতে ষড়যন্ত্ৰকাৰীসকলে গম পায় প্ৰয়োজন হ'লে আমি কিমান কঠোৰ হ'ব পাৰো।
হয় ডাঙৰীয়া।

বসন্তৰ ফাঁচীৰ ঘোষণা কৰা হয় । পিছদিনা ৰাতিপুৱা অহা শোভাযাত্ৰা কুঁৱৰীৰ অদৃশ্য হয় । কটোৱাল, বীৰ সিংহ আৰু নতুন সেনাপতি অমৰ সিংহই কুঁৱৰীৰ বাবে একো দেখা নাপালে ।

ৰহস্যময় অশ্বাৰোহী বসন্তৰ ওচৰ চাপি যায়। আৰু তেওঁক উঠাই লৈ...
...নিজৰ ঘোঁৰাৰ ওপৰত বহুৱাই দিয়ে।
আৰু ঘোঁৰাত উঠি মুহূৰ্ত্তৰ ভিতৰতে অদৃশ্য হৈ পৰে।
জুমটোৰ মানুহবোৰে হাঁহিবলৈ ধৰিলে। বীৰ সিংহই কটোৱালক কষ্টেৰে উঠা দেখিলে।
এজন মুখ ঢাকি থকা মানুহে তেওঁক লৈ গৈছে।
বন্দী ক'ত আছে?

অমৰ সিংহ। কটোৱালক কাৰাগাৰলৈ পঠোৱা।
ডাঙৰীয়া, কৃপা কৰক। সকলো হঠাতে হৈ গ'ল।
তুমি তাক লৈ যোৱা।
মুখ ঢকা অশ্বাৰোহী অৰণ্যৰ ফালে আগবাঢ়িল।
আৰু এটা গুহাৰ সন্মুখত ৰ'লগৈ।
শান্তিদেৱক বিষয়ে তুমি কিয় চিন্তা কৰিছা?
ডাঙৰীয়া, তেওঁ এজন ভাল মানুহ।
আৰু বীৰ সিংহ?
তেওঁ অত্যাচাৰী।
তেন্তে...তুমি অমৃতপুৰীলৈ যোৱা আৰু কালী মন্দিৰত প্ৰতীক্ষা কৰা।
বসন্ত আচৰিত হ'ল এই ভাৱি যে তেওঁক বচোৱাজন কোন?
প্ৰাসাদলৈ ঘূৰি আহি বীৰ সিংহই সহায়ক কটোৱালক মাতি পঠিয়াই।
আজিৰ পৰা তুমি কটোৱাল। মুখ ঢকাজনক ধৰি আনা।
মই শীঘ্ৰেই তেওঁক ধৰি আনি আপোনাৰ সন্মুখত হাজিৰ কৰিমহি।
যদি সি বাধা দিয়ে তেন্তে তাক হত্যাও কৰিব পাৰা।
ক্ৰমশঃ

বিদ্যু ৰাহি কৰা

এদিন আবেলি বীণা আৰু তাইৰ ককাদেউতাকে লুডু খেলি আছিল। ভিতৰলৈ সোমাই অহা দেউতাকক বৰ চিন্তিত দেখা গ'ল। ককাকে সুধিলে, "কি হ'ল বোপাই?"

"দেউতা এইবাৰ ইলেকট্ৰিচিটিৰ বিলৰ অংকটো অভাৱনীয়ভাৱে ডাঙৰ।" খঙেৰে বীণাৰ দেউতাকে ক'লে। "এনেকৈয়ে চলি থাকিলে এদিন আমি ভিক্ষা খুজিব লাগিব। মই নাজানো ইমান বেছি বিল আহে কেনেকৈ!"

"মইয়ে তাৰ উত্তৰটো দিব পাৰিম," ককাকে ধীৰভাৱে ক'লে। "চাৰিওফালে চাচোন।"

ককাকে কোৱা মতে চাই পৰিয়ালৰ মানুহখিনিয়ে কেতিয়াও মন নকৰা কথাটো দেখি বৰ লাজ পালে। কোনেও চোৱা নাই যদিও টিভিটো অন আছে। পৰিয়ালৰ সকলো মানুহ ড্ৰইংৰুমত আছে যদি আটাইবোৰ কোঠাৰ লাইট আৰু ফেন চলি আছে। "মই আৰু বেছি অপচয় দেখুৱাব পাৰো," ককাই কৈ গ'ল। তেওঁ বীণাক ক'লে, "মই বহুতবাৰ মন কৰিছো ফ্ৰীজটো খুলি লৈ তই বটলটো উলিওৱাৰ পাছত পানী খাই উঠি আন এটা বটল ভৰাই সোমোৱালৈকে ফ্ৰীজটো খুলি থৱ। ইয়াৰ ফলত শীতলক ক্ৰিয়া কমে ফলত বেছি পাৱাৰ খৰচ হয়।"

এইটো ভুল আৰু কেতিয়াও নকৰিবলৈ বীণাই শপত খালে। ককাই কৈ গ'ল, "গীজাৰটোও তই ব্যৱহাৰ কৰাৰ পাছত ঘন্টাৰ পিছত ঘন্টা ধৰি অন কৰি থৱ। ইয়াৰ ফলত বহুত বিদ্যুৎ খৰচ হয়।"

অলপ সময় ৰৈ ককাই ক'লে, "বুটাম টিপিলেই সকলো কাম হোৱা এইটো যুগত থাকিবলৈ পোৱাটো তহঁতৰ পক্ষে কম ভাগ্যৰ কথানে? মোৰ শৈশৱ কালত আমাৰ গাঁৱত বিদ্যুৎ নাছিল। মই কেৰাচিনৰ লেম্পত পঢ়িছিলো। টিভি, ফ্ৰীজ, মিক্সি, গ্ৰাইণ্ডাৰ এইবোৰ একো নাছিল। ভাবি চাচোন সেই তেতিয়াৰ দৰে হোৱা হ'লে আজি তহঁতৰ কি অৱস্থা হ'লহেঁতেন। তেতিয়া তহঁতে এনেকৈ অপচয় কৰাৰ কথা নাভাবিলিহেঁতেন।

সকলোৱে বৰ লাজ পালে। তেতিয়াৰেপৰা বীণাই বিদ্যুৎৰ অপচয় নহবলৈ সদায় চেষ্টা কৰিবলৈ ধৰিলে।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

চকুৰ সুৰক্ষা

ওপৰলৈ চাবৰ চেষ্টা কৰা আৰু তুমি তোমাৰ চেলাউৰিযোৰ দেখা পাবা। তুমি আচৰিত হৈ উঠিবা। এই চেলাউৰিযোৰে বাৰু কি কাম কৰে! উত্তৰটো শুনি তুমি আচৰিত হ'বা। সিহঁতৰ এটা ডাঙৰ কাম আছে। যদি আমাৰ চেলাউৰি নাথাকিলহেঁতেন তেনেহ'লে ঘামৰ কণিকাবোৰ বা ঘামৰ টোপালবোৰ আমাৰ কপালৰ পৰা আমাৰ চকুলৈ বাগৰি আহিলহেঁতেন। ই কেৱল আমাৰ দৃষ্টিশক্তি হ্ৰাস কৰাই নহয় ই আমাৰ স্বাস্থ্যও হানি কৰে, কিয়নো ঘামত আমাৰ শৰীৰৰ অপদ্ৰব্যবোৰ থাকে। এইদৰে, আমাৰ চেলাউৰিয়ে আমাৰ অতি মূল্যৱান সম্পদ চকুযোৰৰ বাবে ঢালৰ কাম কৰে।

সুগঠিত চেলাউৰিয়ে চকুযুৰিৰ সৌন্দৰ্য বঢ়াই তোলে। আমাৰ চকুদুটা আমাৰ মুখমণ্ডলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ। কেৱল বাহ্যিক সৌন্দৰ্যৰ বাবেই নহয়, চকুযুৰিয়ে মুখমণ্ডলৰ অভিব্যক্তি প্ৰকাশ কৰে আৰু মুখখনত এক সজীৱতা প্ৰদান কৰে।

তোমাৰ পৰিবেশ

উৰন্ত ভেকুলী

কিহে ভৰিৰ এটা আঙুলিৰে গছৰ ঠেঙুলিৰ ওপৰত থিয় দি থাকিব পাৰে, নদীৰ পাৰত হালি-জালি থকা এটাডালৰ ওপৰত নিজৰ ভাৰসাম্য বজাই ৰাখিব পাৰে আৰু পোন হৈ থকা এটা গছৰ শিপাৰ একেবাৰে ওপৰত পেট পেলাই চেপেটা লাগি থাকিব পাৰে?

এই সকলোবোৰ কৰিব পৰা প্ৰাণীবিধেই হ'ল গছত থকা ভেকুলী। ইয়াৰে কিছুমানক ধৰি লৈ দিয়া প্ৰশিক্ষণৰ ফলত মাটিৰ পৰা বহু ওপৰত বান্ধি দিয়া এখন পুতলা দোলনাত চাৰ্কাচৰ ব্যায়ামবীৰৰ দৰে খেল প্ৰদৰ্শনো কৰি দেখুৱাইছে।

বৰঞ্চ সিহঁত এনে ধৰণৰ কৌশলবিলাকত মানুহতকৈ বেছি পটু। কাৰণ সিহঁতৰ ঠেঙৰ আঙুলিৰ আগবিলাক এনেধৰণে সৃষ্ট যে সেইবোৰৰ সহায়ত এই ভেকুলীবোৰে যিকোনো ধৰণৰ পৃষ্ঠতে ভৰ দি থাকিব পাৰে, আনকি পাতৰ তলফালেও।

প্ৰায় প্ৰতিখন মহাদেশতে বিভিন্ন আৱা-সম্থলত প্ৰায় পাঁচশ প্ৰজাতিৰ এনে গছত থকা ভেকুলী আছে।

জানো আহাঁ নানা কথা

তুমি বাৰু জানানে ?

য়াম য়াম

নিউ গিনীত চিপক নদীৰ ওপৰত বাস কৰা এবিলাম জনজাতিৰ লোকসকলে শ শ বিধৰ য়াম বা তাৰ আলুৰ খেতি কৰে ।

এবিলাম পুৰুষসকলৰ বাবে আটাইতকৈ উৎকৃষ্ট প্ৰজাতিৰ য়ামৰ খেতি কৰাটো সন্মানৰ কথা । তেওঁলোকে এটা নিয়মীয়া য়াম উৎসৱৰ আয়োজন কৰে য'ত বিভিন্ন মানুহে, বিভিন্ন গোট আৰু গাওঁবোৰে তেওঁলোকে কৰা

উৎকৃষ্ট য়াম প্ৰদৰ্শন কৰে । সাধাৰণতে য়াম ৯ ফুট ওখ আৰু সঁচাকৈয়ে উৎকৃষ্ট য়াম ১২ ফুটলৈকে ওখ হয় ।

প্ৰদৰ্শনৰ বাবে থকা য়ামবোৰ নানান ৰঙ আৰু মুখাৰে সজাই তোলা হয় । উৎসৱৰ সময়ত প্ৰদৰ্শিত য়ামবোৰ খাবৰ বাবে ৰখা নহয় । সেইখিনি এৰি যাবৰ বাবে থোৱা হয় । এবিলাম সকলে এইকথাটো নিশ্চিত কৰিব খোজে যে তেওঁলোকে তেওঁলোকৰ পৰা পোৱা য়ামতকৈ নিজে এৰি থৈ যোৱা য়াম অলপ হ'লেও ডাঙৰ হয় ।

নিজকে সজাগ কৰি তোলা

ভাৰতীয় পৌৰাণিক আখ্যানৰ কথা তোমালোকে কিমান জানা ?

১. মহাভাৰতৰ যুদ্ধত নকুলে কাৰ লগত যুদ্ধ কৰিছিল ?

২. কাকুৎস্থ কোন আছিল? ৰামায়ণ বিচাৰি চোৱা ।

৩. সব্যসাচী মহাভাৰতৰ এজন বীৰৰ নাম । তেওঁ কি নামেৰে অধিক জনাজাত ?

৪. ছায়া কাৰ সংগী আছিল ।

৫. ৰাৱণৰ এজন পুত্ৰ দেৱান্তকৰ ৰাম-ৰাৱণৰ যুদ্ধত পৰাজয় হৈছিল । তেওঁৰ লগত জয়ী কোন হৈছিল ?



(উত্তৰ ৭৮ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো
দুখন নামকৰণ কৰিব পাৰিবানে?



SOURAA

SIVARKKAMANI

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম মে সংখ্যাত প্ৰকাশ কৰা হ'ব!

বিজয়ী বাক্য

কপালক ধিয়াই বহি নাথাকিম আমি।
হাতত ধৰা ধৰিকৈ আগবাঢ়ি যাম আমি ॥

অভিনন্দন

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা
সনৎ কুমাৰ দত্ত
মাৰফৎ : বীৰেন দত্ত,
আমগুৰি দত্ত ক'লনী,
জিলা-শিৱসাগৰ, অসম

নিজকে সজাগ কৰি তোলাৰ উত্তৰ

১.শকুনি
২.ৰামৰ এজন উপৰিপুৰুষ
৩.অৰ্জুন
৪.সূৰ্য
৫.হনুমান

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : B. Viswanatha Reddi (Viswam)


Good news for young bookworms!
Hiya! What has hit the animal world?
Listen hard and look keenly.
Do you hear the jingle of the jungle?
JUNGLE JINGLES
JUNGLE JINGLES
The Itch to Fl
and other stories
JUNGLE JINGLES
The Tiger with the Most Wonderful T
and other stories
JUNGLE JINGLES
The Great Escape
and other stories
A Chandamama - Popular Prakashan Presentation
JUNGLE JINGLES
The Donkey's Downfall
and other stories
JUNGLE JINGLES
The Cunning Pelican
and other stories
Hurry, grab a copy!
A set of five story books with the whackiest and most interesting collection of animal stories ever written.
From
CHANDAMAMA and Popular Prakashan
AVAILABLE AT ALL LEADING BOOK STORES

CHANDAMAMA (Assamese) MARCH 2004
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR) 588/03-05
Licensed to post without prepayment No. 569/03-05
Foreign - WPP No. 370/03-05